দ্বিতীয় বৰ্ষ, সংখ্যা ১৪

১৬-৩১ জানুৱাৰী, ২০২২

বিনামূলীয়া বিতৰণ

# নিউ ইণ্ডিয়া সমাচাৰ



## পৰ্যটনৰ পৰিচয়ত ভাৰত প্ৰথম

উন্নত আন্তঃগাঁথনি, যোগাযোগ ব্যৱস্থা তথা টিকাকৰণৰ ক্ষীপ্ৰতাই বিশ্বৰ পৰ্যটন মানচিত্ৰত ভাৰতক প্ৰথম পছন্দ কৰি তোলাৰ লগতে দেশৰ উমৈহতীয়া বিকাশক নতুন দিগন্ত প্ৰদান কৰিছে...



# আত্মনিৰ্ভৰ ভাৰতৰ মন্ত্ৰ

## "ডাঙৰ চিন্তা, ডাঙৰ সপোন দেখক আৰু সেইবোৰ পূৰ্ণ কৰিবলৈ কঠোৰ পৰিশ্ৰম কৰক"

নতুন বছৰটোত প্ৰতিজন ব্যক্তি তথা প্ৰতিটো সংস্থাই কিবা এটা নতুন কৰাৰ বাবে সংকল্প গ্ৰহণ কৰে। এনে প্ৰেক্ষাপটত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২১ বৰ্ষৰ শেষৰটো মন কী বাত অনুষ্ঠানত এই কথা ব্যক্ত কৰে যে কিদৰে বিগত ৭টা বছৰত এই মন কী বাতৰ যাত্ৰাই ব্যক্তি, সমাজ তথা দেশৰ ভালবোৰে প্ৰেৰণা দি আহিছে। প্ৰধানমন্ত্ৰীয়ে যোৱা বৰ্ষৰ শেষৰটো মন কী বাত অনুষ্ঠানত স্বাধীনতাৰ অমৃত মহোৎসৱ, ভাৰতীয় সংস্কৃতি, স্বচ্ছতা, মানুহৰ জীৱনত কিতাপৰ গুৰুত্ব আৰু ডাঙৰ চিন্তা-সপোনৰ সাৰ্থকতাৰ বাবে পৰিশ্ৰমৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰে। কিয়দংশ আগবঢ়োৱা হৈছেঃ

- **কোভিড আৰু জনশক্তিঃ** আজি কোভিডৰ কথা আলোচনা কৰাৰ সময়ত টিকাকৰণৰ কথা বাৰে বাৰে উল্লেখ কৰা হয়। আৰু বিশ্বৰ ভিতৰত ভাৰতত টিকাকৰণে লাভ কৰা সফলতা জনতাৰ অংশগ্ৰহণ তথা জনতাৰ শক্তিৰ কথা স্পষ্ট কৰি আহিছে।
- **সতৰ্কতাঃ** আমি এইখিনিতে এই কথাটো মন কৰা উচিত যে কোভিডৰ এটা নতুন উৎপৰিৱৰ্তকে এতিয়া সংক্ৰমণ বৃদ্ধি কৰিছে গতিকে নতুন বছৰটোত প্ৰৱেশ কৰাৰ লগতে কোভিডক পৰাজিত কৰিবলৈ আমি সতৰ্কতামূলক ব্যৱস্থাসমূহ পৰিহাৰ কৰা উচিত নহয়।
- **গ্ৰুপ কেপ্টেইন বৰুণ সিঙৰ কথাঃ** অলপতে তামিলনাডুত হোৱা দুৰ্ঘটনাত দেশৰ প্ৰথম চিডিএছ জেনেৰেল বিপিন ৰাৱতৰ মৃত্যু হোৱাৰ লগতে দেশে অন্য বীৰসকলোকো হেৰুৱাইছে। ইয়াৰ মাজত গ্ৰুপ কেপ্টেইন বৰুণ সিঙো আছিল। তেওঁ স্কুলীয়া জীৱনত নিজৰ অসফলতাসমূহ লিখি প্ৰধান শিক্ষকক কৈছিল আৰু অধ্যৱসায়ৰ জৰিয়তে সেয়া সফলতালৈ পৰিণত কৰিছিল।
- **পৰীক্ষাৰ ওপৰত চৰ্চাঃ** প্ৰতিবছৰে পৰীক্ষাৰ পূৰ্বে মই পৰীক্ষা পে চৰ্চা শীৰ্ষক আলোচনাৰ আয়োজন কৰি আহিছোঁ। এইবছৰো ব্যতিক্ৰম নহয়। এই সম্পৰ্কত চিন্তা চৰ্চা কৰি আছোঁ। নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ থকা শিক্ষাৰ্থী, শিক্ষক আৰু অভিভাৱকসকলৰ বাবে অনলাইন পৰীক্ষাৰ আয়োজনৰ ব্যৱস্থাও কৰা হ'ব।
- **কিতাপ আৰু ব্যক্তিত্বঃ** কিতাপে ব্যক্তিত্ব বিকাশৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিয়ে। যি সময়ত আমাৰ সকলোৰে মোবাইলত স্ক্ৰীন টাইম বৃদ্ধি পাবলৈ ধৰিছে তেনে সময়ত আমি সেয়া পৰিহাৰ কৰি কিতাপ পঢ়াৰ সংস্কৃতি গঢ় দিয়া উচিত।
- **প্ৰাচীন সংস্কৃতিঃ** আজি বিশ্বই ভাৰতীয় সংস্কৃতিৰ ওপৰত মনোযোগ দিয়া পৰিলক্ষিত হৈছে। এনে সময়ত আমি আমাৰ প্ৰাচীন পৰম্পৰাগত ঐতিহ্যক বিশ্বৰ আগত সুন্দৰভাৱে উপস্থাপন কৰি ইয়াক আন্দোলনৰ ৰূপ দিয়াৰ প্ৰয়োজনীয়তা আছে।
- **পক্ষী সংৰক্ষণঃ** অৰুণাচল প্ৰদেশত চৰাই সংৰক্ষণৰ বাবে ৰাইজক এয়াৰগান চাৰেণ্ডাৰ কৰিবলৈ আহ্বান জনোৱা হৈছে। ইয়াৰ ফলত ১৬০০ৰো অধিক লোকে নিজৰ চিকাৰী বন্দুক পৰিহাৰ কৰিছে।
- **স্বচ্ছতাৰ নতুন দিগন্তঃ** দেশত স্বচ্ছতাৰ জনআন্দোলন অব্যাহত আছে। ডাক বিভাগে জাংকয়াৰ্ডক(আৱৰ্জনাৰ ঠাই) কোৰ্টয়াৰ্ড তথা কেফেটেৰিয়ালৈ সলনি কৰিছে। পৰিৱেশ মন্ত্ৰণালয়ে কল্যাণ কেন্দ্ৰ স্থাপন কৰিছে। এনচিচি সদস্যই সাগৰৰ তীৰৰ পৰা প্লাষ্টিকজাতীয় সামগ্ৰী চাফা কৰিছে। বিশুদ্ধ খোৱাপানীৰ বাবে ষ্টাৰ্ট আপ আৰম্ভ হৈছে।
- **সংকল্পঃ** আমি নতুন সংকল্প গ্ৰহণ কৰি আত্মনিৰ্ভৰশীল ভাৰত নিৰ্মাণ কৰিব লাগিব। এয়া আত্মনিৰ্ভৰশীলতাৰ মন্ত্ৰ যে আমি ডাঙৰ চিন্তা, ডাঙৰ স্বপ্ন দেখি সেয়া পূৰ্ণ কৰিবলৈ কঠোৰ পৰিশ্ৰম কৰিবলৈ সাজু হোৱাৰ এয়াই সময়।

প্ৰধানমন্ত্ৰীৰ মন কী বাত শুনিবলৈ এই কিউআৰ কোড স্কেন কৰক

# নিউ ইণ্ডিয়া সমাচাৰ

দ্বিতীয় বৰ্ষ, সংখ্যা ১৪ ১৬-৩১ জানুৱাৰী, ২০২২

**সম্পাদক**
**জয়দীপ ভাটনাগৰ,**
মুখ্য সঞ্চালক প্ৰধান,
প্ৰেছ ইনফ'ৰমেশ্বন ব্যুৰ'
নতুন দিল্লী

**জ্যেষ্ঠ পৰামৰ্শদাতা সম্পাদক**
**সন্তোষ কুমাৰ**

**জ্যেষ্ঠ সহায়ক পৰামৰ্শদাতা সম্পাদক**
**বিভোৰ শৰ্মা**

**সহায়ক পৰামৰ্শদাতা সম্পাদক**
**চন্দন কুমাৰ চৌধুৰী**

**ভাষা সম্পাদকসকল**
শোণিত কুমাৰ গোস্বামী (অসমীয়া),
সুমিত কুমাৰ (ইংৰাজী),
অনিল পেটেল (গুজৰাটী),
নাদিম আহমেদ (উৰ্দু),
বিনয়া পি.এছ.(মালায়লম),
পৌলমী ৰক্ষিত(বাঙালী)
হৰিহৰ পাণ্ডা (উড়িয়া)

**জ্যেষ্ঠ ৰূপাংকনকৰ্তা**
**শ্যাম শংকৰ তিৱাৰী**
**ৰবীন্দ্ৰ কুমাৰ শৰ্মা**

**ৰূপাংকনকৰ্তা**
দিব্যা তলৱাৰ
অভয় গুপ্তা

**মুদ্ৰক আৰু প্ৰকাশক**
**সত্যেন্দ্ৰ প্ৰকাশ,**
মুখ্য সঞ্চালক প্ৰধান, বিঅ'চি
ব্যুৰ' অৱ আউটৰীচ্ছ এণ্ড
কমিউনিকেশ্বনৰ হৈ

**মুদ্ৰণঃ**
আৰাৱলী প্ৰিন্টাৰ্চ এণ্ড পাব্লিচাৰ্চ
প্ৰাইভেট লিমিটেড, ডাব্লিউ-৩০,
অ'খলা ইণ্ডাষ্ট্ৰিয়েল এৰিয়া, ফেজ-২,
দিল্লীঃ ১১০০২০



**যোগাযোগৰ ঠিকনা আৰু ই-মেইলঃ**
কোঠা নং-২৭৮, ব্যুৰ' অৱ
আউটৰীচ্ছ এণ্ড ক'মিউনিকেশ্বন,
দ্বিতীয় মহলা, সূচনা ভৱন
নতুন দিল্লীঃ ১১০০০৩
**মেইল- response-nis@pib.gov.in**



RNI No. : DELASS/2020/78827


## ভিতৰৰ পৃষ্ঠাবোৰত...

# বিশ্বৰ পৰ্যটন নগৰ হোৱাৰ দিশত ভাৰত



**প্ৰচ্ছদ লেখা** কোভিড কালৰ সংকট তথা বিগত ৭টা বৰ্ষত কেন্দ্ৰ চৰকাৰে গ্ৰহণ কৰা পদক্ষেপবোৰৰ ফলশ্ৰুতিত দেশৰ অৰ্থনৈতিক উন্নয়নত পৰ্যটনে বিশেষ ভূমিকা পালন কৰিছে। পৃষ্ঠা ১৬-৩১

## সুবিধাৰ সৈতে উন্নয়নৰ নতুন আধাৰশিলা



গংগা এক্সপ্ৰেছৱ লগতে কানপুৰত মেট্ৰ' প্ৰকল্পই উত্তৰ প্ৰদেশৰ উন্নয়নত নতুন মাত্ৰা প্ৰদান কৰিছে। পৃষ্ঠা ০৬-১০


**সংক্ষিপ্ত খবৰ**
পৃষ্ঠা ৪-৫

**নিৰ্বাচন প্ৰক্ৰিয়াত সংস্কাৰ**
এতিয়া আধাৰৰ সৈতে ভোটাৰ কাৰ্ডৰ সংযোগ। পৃষ্ঠা ১১

**কন্যা সন্তানে পঢ়িছে, আগবাঢ়িছে**
বেটি বচাও, বেটি পঢ়াও আঁচনিৰ সপ্তম বৰ্ষৰ বিশেষ। পৃষ্ঠা ১২-১৫

**এতিয়া চিন্তাধাৰা কেৱল উন্নয়নৰ**
হিমাচল প্ৰদেশত ১১,০০০ কোটি টকাৰ পৰিকল্পনা। পৃষ্ঠা ৩২-৩৩

**দেৱভূমিত উন্নয়নৰ জয়যাত্ৰা**
স্বাস্থ্য, যোগাযোগ, উদ্যোগ, আৱাস, স্বচ্ছতা আদিত বিকাশ। পৃষ্ঠা ৩৪-৩৫

**চেমনীয়াৰ বাবে কোভিড টিকা**
দুটাকৈ নতুন টিকাৰ সহায়ত তীব্ৰ হৈছে টিকাকৰণ অভিযান। পৃষ্ঠা ৩৬-৩৮

**প্ৰাকৃতিক কৃষি পদ্ধতি, উপজীৱ্য শস্য**
৮০ কোটি কৃষকৰ বাবে বিশেষ পদক্ষেপ। পৃষ্ঠা ৩৯-৪১

**যুৱ প্ৰজন্মৰ সপোনক ডেউকা প্ৰদান**
ষ্টাৰ্টআপ ইণ্ডিয়াৰ পৰা ইউনিক'ৰ্নলৈ যাত্ৰা যুৱ প্ৰজন্মৰ। পৃষ্ঠা ৪২-৪৩

**শত্ৰুৰ পৰা সন্মান পোৱা সেনাবিষয়া**
ফিল্ড মাৰ্শ্বল কেএম কেৰিয়াপ্পাৰ জয়ন্তীত বিশেষ। পৃষ্ঠা ৪৮




## আজাদ হিন্দ ফৌজৰ সেনানী

২৩ জানুৱাৰীত নেতাজী সুভাষ চন্দ্ৰ বসুৰ জয়ন্তীত পৰাক্ৰম দিৱস উপলক্ষে পঢ়ক আজাদ হিন্দ ফৌজৰ চাৰিগৰাকী নায়কৰ কাহিনী। পৃষ্ঠা ৪৪-৪৭

# সম্পাদকীয় কলম...

সাদৰ নমস্কাৰ,

আজি সমগ্ৰ বিশ্ব ভাৰতৰ যোগশিক্ষা, দৰ্শন, আধ্যাত্মিকতা আৰু সংস্কৃতিৰ প্ৰতি আকৰ্ষিত হৈ পৰিছে। কেৱল ইমানেই নহয়, দেশৰ যুৱ প্ৰজন্মও নিজৰ শিপাৰ সন্ধানত সজাগ হৈ পৰিছে। ইয়াৰ ফলত দেশৰ পৰ্যটন খণ্ডৰ বিকাশ তীব্ৰ গতিত হোৱাৰ লগতে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় খণ্ডত ভাৰতৰ পৰিচয় পৰ্যটন মানচিত্ৰত উজ্জ্বলি  উঠিছে। কেন্দ্ৰ চৰকাৰৰ নিৰন্তৰ প্ৰচেষ্টাৰ ফলত ভাৰত পৰ্যটন খণ্ডৰ ব্ৰাণ্ড এম্বেছাদৰ হৈ পৰিছে। এই দিশত কাম কৰি আন্তঃগাঁথনিৰ উন্নয়নেৰে সম্ভাৱনাবোৰক উজ্জীৱিত কৰাৰ লগতে পৰম্পৰাক আধুনিকতাৰ সৈতে সমণ্বয় স্থাপন কৰি বিশ্বৰ বাবে তথা নৱ প্ৰজন্মৰ বাবে সাজু কৰা হৈছে। এই যোগাযোগে পোনপটীয়াকৈ পৰ্যটনখণ্ডক লাভাণ্বিত কৰিছে। উড়ান আঁচনিৰ মাধ্যমত নগৰবোৰ বিমান পৰিবহনৰে যোগাযোগ কৰাৰ কথা হওক বা পথ পৰিবহনৰ উন্নয়নৰ বাবে ক্ষীপ্ৰতাৰে কাম আগবঢ়াই নিয়াৰ লগতে প্ৰসাদ আঁচনি, স্বদেশ দৰ্শন, ঐতিহ্যপূৰ্ণ স্থানসমূহৰ বিকাশ, স্বাস্থ্য খণ্ডত উন্নয়ন আদি কথাবোৰে পৰ্যটন উদ্যোগক সহায় কৰি আহিছে। বিশ্বৰ পৰ্যটন সূচাংকত ভাৰত ২০১৩ চনৰ ৬৫ সংখ্যকৰ পৰা এতিয়া ৩৪ সংখ্যক স্থানলৈ উন্নীত হৈছে। এয়া প্ৰগতিৰ কথা।

পৰ্যটকৰ সুবিধাৰ বাবে ই-ভিছাৰ আৰম্ভণি, চহৰ-নগৰবোৰ সুন্দৰ কৰাৰ বাবে প্ৰয়াসৰ সৈতে কেৱল জনতাই নিজক সযুক্ত কৰা নাই বৰঞ্চ নিজক আগবঢ়াই নিছে। কনেক্টিভিটী-হস্পিটেলিটী-ফেচিলিটীয়ে দেশৰ উমৈহতীয়া বিকাশৰ পথ সূচল কৰিছে। এইবৰ্ষৰ পৰ্যটন দিৱসৰ লগত সংগতি ৰাখি এইবাৰ প্ৰচ্ছদ লেখা প্ৰস্তুত কৰা হৈছে।

ইয়াৰ লগতে চৰকাৰৰৰ মহত্বপূৰ্ণ পদক্ষেপ- বেটি বচাও, বেটি পঢ়াও শীৰ্ষক আঁচনিৰ বাৰ্ষিকী উপলক্ষে আপোনালোকে জানিব পাৰিব যে কিদৰে এই আঁচনিয়ে লিংগীয় সমনুপাতিকত বৈপ্লৱিক পৰিৱৰ্তন আনিছে আৰু প্ৰথমবাৰৰ বাবে দেশত প্ৰতিহাজাৰ পুৰুষৰ তুলনাত মহিলাৰ সংখ্যা বৃদ্ধি পাইছে। ভাৰতৰ বিকাশত কিদৰে ষ্টাৰ্টআপবোৰ ইউনিক’ৰ্নলৈ পৰিৱৰ্তিত হৈছে আৰু যুৱ প্ৰজন্মই নিজৰ স্বপ্নক সাৰ্থক কৰি কিদৰে ৰাষ্ট্ৰ বিকাশ সাধন কৰিছে সেই বিষয়ে এই সংখ্যাত পঢ়িবলৈ পাব।

ব্যক্তিত্বৰ শিতানত ফীল্ড মাৰ্শ্বাল কে এছ কেৰিয়াপ্পাৰ বিষয়ে তথা স্বাধীনতাৰ অমৃত মহোৎসৱৰ শিতানত আজাদ হিন্দ ফৌজৰ সেনানীৰ প্ৰেৰণামূলক কাহিনীবোৰ এই সংখ্যাৰ মুখ্য আকৰ্ষণ। ৰাষ্ট্ৰৰ উন্নয়নৰ বাবে আন্তঃগাঁথনিৰ গুৰুত্ব অপৰিসীম, বিগত বৰ্ষৰ শেষৰ মাহটোত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উন্নয়নৰ কেতবোৰ প্ৰকল্প উদ্বোধন কৰাৰ সবিশেষ খবৰো এই সংখ্যাত সন্নিৱিষ্ট কৰা হৈছে।

কেন্দ্ৰ চৰকাৰে এতিয়া কোভিড টিকাকৰণৰ অংশ হিচাপে ১৫-১৮ বছৰৰ চেমনীয়াকো অন্তৰ্ভুক্ত কৰিছে। নিশ্চিতভাৱেই নতুন বছৰটোত দেশ প্ৰগতিৰ পথত আগুৱাই যাব আৰু এই আপোৱালোক সকলোৱে কোভিড বিধি মানি চলিব বুলি আশা কৰিলোঁ।

ঠিকনাঃ কোঠা নং-২৭৮, ব্যুৰ’ অৱ আউটৰীচ্ছ
এণ্ড ক’মিউনিকেশ্বন,
দ্বিতীয় মহলা, সূচনা ভৱন,
নতুন দিল্লী-১১০০০৩
মেইলঃ response-nis@pib.gov.in

(জয়দীপ ভাটনাগৰ)

# পত্ৰালাপ...




নিউ ইণ্ডিয়া সমাচাৰত মানৱতা ৰক্ষাৰ বাবে ভাৰত হৈ পৰিছে অগ্ৰদূত শীৰ্ষক লেখা পঢ়ি এনে লাগিছে যেন ভাৰত বিশ্বগুৰু হোৱাৰ দিশত আগবাঢ়িছে। এই আলোচনীখন দেশৰ সকলো নাগৰিকৰ বাবে মহত্বপূৰ্ণ। বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে উপযোগী এই আলোচনীখন শিক্ষাৰ্থীসকলে পঢ়িব লাগে। চৰকাৰৰ বিভিন্ন আঁচনি সম্পৰ্কত ইয়াত সবিশেষ লিখা থাকে আৰু এই তথ্যবোৰ যথেষ্ট সহায়ক।

**dpmeena1969@gmail.com**

নিউ ইণ্ডিয়া সমাচাৰখনত সকলো সমসাময়িক খবৰ পোৱা যায়। সেয়া লাগিলে সুৰক্ষিত মহিলা ৰাষ্ট্ৰৰ শক্তি, প্ৰতিৰক্ষা খণ্ডত আত্মনিৰ্ভৰশীলতা, সন্ত্ৰাসবাদক প্ৰত্যুত্তৰ, সকলোৰে বাবে ঘৰ, ৰাষ্ট্ৰৰ প্ৰগতিক গতিৰ শক্তি তথা সমাজৰ প্ৰতিটো বৰ্গৰ লোকৰ বাবে জানিবলগীয়া তথ্য এই আলোচনীখনৰ বিশেষত্ব হয়। এই উৎকৃষ্ট আলোচনীখনৰ আঁৰৰ সকলো ব্যক্তিক অশেষ ধন্যবাদ জনাইছোঁ।

**ডাঃ টি এছ বাৱল**
**tsbawal4@gmail.com**

নিউ ইণ্ডিয়া সমাচাৰৰ মাধ্যমত মই চৰকাৰী আঁচনিবোৰ, অবন্দিত নায়কসকলৰ কথা তথা দেশত হৈ থকা বিভিন্ন পৰিৱৰ্তনবোৰৰ বিষয়ে জানিবলৈ পোৱা যায়। এই আলোচনীখন উৎকৃষ্ট কৰাৰ বাবে লোৱা পদক্ষেপৰ বাবে সকলো ব্যক্তিকে প্ৰশংসা কৰিছোঁ।

**ডি বি ৰাজপুট**
**dbrajput8484@gmail.com**

আপোনালোকৰ এই আলোচনীখন যথেষ্ট জ্ঞানবৰ্ধক হয়। এই আলোচনীখন মই নিজে পঢ়াৰ লগতে আনকো তথ্যবোৰ জানিবলৈ দিওঁ। যিবোৰ ঠাইত আলোচনী-কাকত গৈ নাপায় তেনে ক্ষেত্ৰত এই আলোচনী আশীৰ্বাদস্বৰূপ হৈ পৰিছে। দেশৰ উন্নতিৰ সকলো কথা ইয়াত সন্নিৱিষ্ট হৈ থাকে। এই আলোচনীখন লাহে লাহে যুৱ প্ৰজন্মৰ পছন্দৰ আলোচনী হোৱাৰ দিশত আগবাঢ়িছে।

**প্ৰদীপ কুমাৰ নানোলিয়া**
**pknanoliya@gmail.com**

নিউ ইণ্ডিয়া সমাচাৰৰ বিগত বৰ্ষৰ ১৬ ডিচেম্বৰ পৰা ৩১ ডিচেম্বৰ সংখ্যাটো পঢ়ি মই ভাৰত চৰকাৰৰ বিভিন্ন মন্ত্ৰণালয়ৰ দ্বাৰা পৰিচালিত আঁচনিবোৰৰ বিষয়ে পঢ়িবলৈ পাইছোঁ। স্বাস্থ্য সম্বন্ধীয় সেৱা, টিকাকৰণ, স্বচ্ছতাৰ লগতে জীৱনৰ মান উন্নত কৰা অনেক আঁচনিৰ কথা এই আলোচনীখনৰ মাধ্যমত জানিবলৈ পাওঁ। জল জীৱনৰ জৰিয়তে বিশুদ্ধ খোৱাপানী, জনতাৰ সুবিধাৰ লগতে অৰ্থনৈতিক উন্নয়নৰ বাবে ঘাইপথ নিৰ্মাণ আদি কথা মই এই আলোচনীখনৰ জৰিয়তে জানিবলৈ পাৰিছোঁ। ৰেল বিভাগৰ লগতে উদ্যোগ খণ্ড- এই সকলো বিভাগৰ উন্নয়নমূলক কামকাজ নিউ ইণ্ডিয়া সমাচাৰে দিয়ে। ভাৰত চৰকাৰৰ লগতে প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ দলটোক ধন্যবাদ জনাইছোঁ।

**পৱন কুমাৰ বিষ্ণই**
**pawankumarbishnoi251@gmail.com**

## আপোনালোকৰ বহুমূলীয়া পৰামৰ্শ আগবঢ়াওক

**যোগাযোগৰ ঠিকনা আৰু ই-মেইলঃ**

কোঠা নং-২৭৮, ব্যুৰ' অৱ আউটৰীচ্ছ এণ্ড ক'মিউনিকেশ্বন, দ্বিতীয় মহলা, সূচনা ভৱন নতুন দিল্লীঃ ১১০০০৩

**response-nis@pib.gov.in**

# ভূটানৰ সৰ্বোচ্চ সন্মানৰ সৈতে বিশ্বৰ সৰ্বাধিক পছন্দৰ ৰাষ্ট্ৰনেতাৰ ভিতৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী সকলোতকৈ আগত

বিশ্বই সন্মুখীন হোৱা কোভিড দুৰ্যোগৰ সময়ত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যিধৰণে নেতৃত্ব প্ৰদান কৰিছিল তাৰ স্বীকৃতি আজি সমগ্ৰ বিশ্বই দিছে। ভাৰতৰ প্ৰতিবেশী ভূটানে তেওঁলোকৰ সৰ্বোচ্চ নাগৰিক সন্মান "নগদগ পেল জী খেৰলো"ৰে সন্মানিত কৰিছে। এই সন্মানৰ কথা ঘোষণা কৰি ভূটানৰ প্ৰধানমন্ত্ৰী লোতেয় শ্বেৰিঙে কয় যে ভাৰতে কোনো চৰ্ত নোহোৱাকৈ বন্ধুত্ব পালন কৰিছে। তেওঁ এজন অধ্যাত্মিক ব্যক্তি। এই সন্মানৰ কথা জানি প্ৰধানমন্ত্ৰীয়ে টুইটযোগে কয় যে "ভূটানৰ প্ৰধানমন্ত্ৰী, আপোনাক ধন্যবাদ। মই আপোনাৰ কথাৰ দ্বাৰা প্ৰভাৱিত হৈছোঁ। মই ভূটানৰ ৰজাৰ প্ৰতিও কৃতজ্ঞতাৰে ভৰা ধন্যবাদ ব্যক্ত কৰিছোঁ।"



ভূটানৰ সৰ্বোচ্ছ নাগৰিক সন্মানৰ জৰিয়তে প্ৰধানমন্ত্ৰী মোদীয়ে ৰাজনৈতিক ব্যক্তি হিচাপে ২০২১ বৰ্ষটোত সৰ্বাধিক সন্মান লাভ কৰি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি জ' বাইডেন আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনক পাছ পেলাইছে। বৃটেইনৰ এটা সংস্থা য়ে ৩৮খন দেশত প্ৰায় ৪২ হাজাৰ লোকৰ ওপৰত সমীক্ষা চলাই এই সূচী তৈয়াৰ কৰিছে। ইয়াৰ পূৰ্বে আমেৰিকা যুক্তৰাষ্ট্ৰ এটা সংস্থা মৰ্নিং কনছাল্টৰ সমীক্ষাত নৰেন্দ্ৰ মোদী বিশ্বৰ সকলোতকৈ জনপ্ৰিয় আৰু শীৰ্ষ নেতা হিচাপে নিৰ্বাচিত হৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ইয়াৰ পূৰ্বেও ২০১৬ত ছৌদি আৰব আৰু আফগানিস্তানে, ২০১৮ত পেলেষ্টাইন, ২০১৯ত ইউএই, ৰাছিয়া, মালদ্বীপ আৰু বাহৰেইনে, ২০২০ত আমেৰিকাৰ লীজন অৱ মেৰিট সন্মানৰে মোদী সন্মানিত হৈছে। ইয়াৰ লগতে ২০১৮ত চিউল পিচ প্ৰাইচ কালচাৰ ফাউণ্ডেশ্বনৰ তৰফৰ পৰা চিউল শান্তি বঁটা, ৰাষ্ট্ৰসংঘৰ পৰা চেম্পিয়ন অৱ আৰ্থ বঁটা, ২০১৯ত ফিলিপ কোটলাৰ প্ৰেছিডেঞ্চিয়েল বঁটা, ২০২১ত কেমব্ৰিজ এৰাৰ্জী ৰিছাৰ্চ এছ'চিয়েটছৰ পৰিৱেশ নেতাৰ বঁটাও নৰেন্দ্ৰ মোদীয়ে লাভ কৰিছে।

# কিসান ৰেলঃ উৎপাদকে লাভ কৰিছে সঠিক বজাৰ আৰু ৰেল বিভাগৰো আয়

ডিচেম্বৰৰ প্ৰথম সপ্তাহৰ কথা, ৰাজস্থানৰ অলৱাৰৰ পৰা অসমৰ ভেটাপাৰালৈ কিসান ৰেলৰ (কৃষক ৰেল) জৰিয়তে ২২টা দবাত পিয়াঁজ পঠোৱা হয়। ২২ টা দবাৰ হিচাপত মালবাহী ৰেলৰ ভাড়া ১০ লাখ হয় কিন্তু কৃষক ৰেলৰ সহায়ত লাভ কৰা ৫০ শতাংশ অনুদানৰ ফলত কৃষকসকলে মাথোঁ ৫ লাখ টকাহে দিবলগীয়া হয়। অলৱাৰত কৃষকসকলে এই পিয়াঁজৰ দৰ ২০ টকা প্ৰতি কিঃগ্ৰাঃ লাভ কৰি আছিল আৰু অসমলৈ প্ৰেৰণ কৰা পিয়াঁজত তেওঁলোকে ৬ৰ পৰা ৮ টা প্ৰতি কিঃগ্ৰাঃত বেছিকৈ লাভ কৰিছে। এয়া কৃষি খণ্ডত কৰা এক উল্লেখনীয় পদক্ষেপ হয় যাৰ ফলত কৃষকৰ উৎপাদিত শস্য অপচয় হোৱাৰ পৰিৱৰ্তে উচিত বজাৰ লাভ কৰিবলৈ সক্ষম হৈছে। কৃষকৰ উৎপাদনৰ সঠিক বজাৰ তথা দেশৰ বিভিন্ন প্ৰান্তৰ খেতিয়কে উৎপাদিত শস্য-সামগ্ৰী দেশৰ অন্য প্ৰান্তলৈ সুকলমে আৰু কম খৰচত পঠাব পাৰে তাৰ বাবে ২০২০চনত প্ৰথমবাৰ কৃষক ৰেল আৰম্ভ কৰা হয়। ২৮ নৱেম্বৰলৈ দেশত ১৬৪২ কৃষক ৰেল চলোৱা হৈছে। এই সেৱাৰ জৰিয়তে ৰেল বিভাগে ২২০ কোটি টকাৰ ৰাজহ সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে। সংসদৰ শীতকালীন




অধিৱেশনত এই তথ্য সদৰি কৰি ৰেল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে, "সহজে নষ্ট হৈ যোৱা ছব্জি তথা অন্য শস্যৰ লগতে গাখীৰ, মাথ আদিৰ বাবে কৃষক ৰেল উপকাৰী কিয়নো এই ৰেলত এনে ধৰণৰ শস্য/সামগ্ৰী সংৰক্ষিত অৱস্থাত নিয়াৰ বিশেষ ব্যৱস্থা আছে। কৃষক ৰেল ক্ষুদ্ৰ খেতিয়কৰ বাবে বিশেষ সহায়ক হিচাপে বিবেচিত হৈছে।"

# পূব ভাৰতত বিশ্বৰ সবাতোকৈ ওখ ৰেল দলং, কুতুব মিনাৰতকৈ দুগুণ উচ্চতা



স্বাধীনতাৰ পাছত দেশৰ কেতবোৰ অঞ্চল পাছপৰি ৰৈছিল, বিশেষত উত্তৰ পূব ভাৰতৰ বেলিকা উন্নয়ন যথেষ্ট স্থৱিৰ হৈ আছিল। তেনে প্ৰেক্ষাপটত ২০১৪ চনৰ পাছৰ পৰা এই অঞ্চলটোত ত্বৰিৎ গতিত পৰিৱৰ্তন আহিছে। আন্তঃগাঁথনিৰ নিৰ্মাণৰ ক্ষেত্ৰত যথেষ্ট ক্ষীপ্ৰতা আহিছে, প্ৰধানমন্ত্ৰীয়ে উত্তৰ পূবক ভাৰতৰ বিকাশৰ ইঞ্জিন আখ্যা দিয়াৰ ফলতেই সেই দায়বদ্ধতা পৰিস্ফুট হৈছে। ছিকিমত বিমান বন্দৰ স্থাপন কৰাৰ কথা হওক কিম্বা অসমত ৰেল দলঙৰ কাম সম্পূৰ্ণ কৰাৰ কথা, ৰেল-বিমান আৰু পথ পৰিবহন উন্নয়নৰ ক্ষেত্ৰত নিৰন্তৰ কাম চলিব ধৰিছে। কেন্দ্ৰ চৰকাৰ এই ক্ষেত্ৰত উন্নয়নৰ গতি লেহেমীয়া কৰাৰ পক্ষপাতি নহয়। এই শৃংখলাতে এতিয়া আগবাঢ়ি কেন্দ্ৰই মণিপুৰৰ ইম্ফলক ব্ৰজগজ ৰেল সেৱাৰ সৈতে সংযুক্ত কৰাৰ বাবে বিশ্বৰ সৰ্বোচ্চ ৰেল দলং নিৰ্মাণৰ বাবে কাম আৰম্ভ কৰিছে। প্ৰায় ১১১ কিঃমিঃ দৈৰ্ঘ্যৰ জিৰিবাম-ইম্ফল ৰেলপথৰ নলে জিলাৰ মাজেৰে যোৱা অংশত এই সৰ্বাধিক উচ্চতাৰ দলঙৰ কাম চলিব ধৰিছে। ৰিখটাৰ স্কেলত ভূমিকম্পৰ প্ৰাবল্য ৮.৫লৈ সহ্য কৰিব পৰাৰ ক্ষমতা এই দলঙৰ হ'ব। এই পৰিকল্পনাৰ কাম ২০২৩চনৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব। ইয়াৰ ফলত ১১১ কিঃমিঃৰ যাত্ৰাপথ ২.৫ ঘন্টালৈ হ্ৰাস হৈ পৰিব। বৰ্তমান জিৰিবাম আৰু ইম্ফলৰ মাজৰ দূৰত্ব ২২০ কিঃমিঃ আৰু এয়া সম্পূৰ্ণ কৰিবলৈ ১০ৰ পৰা ১২ ঘন্টা সময় লাগে। ১৪১ মিটাৰ উচ্চতাৰ এই ৰেল দলঙে বিশ্বৰ বৰ্তমানৰ সৰ্বোচ্চ ৰেল দলং ইউৰোপৰ মন্টেনিগ্ৰত থকা ১৩৯ মিটাৰৰ ৰেল দলঙক পাছ পেলাব।

## দীনদয়াল অন্তোদয়া ৰাষ্ট্ৰীয় গ্ৰাম্য আজীৱিকা মিছন আৰু ষ্টাৰ্টআপ গ্ৰামাঞ্চল উদ্যোগশীলতা কাৰ্যক্ৰমৰ মাধ্যমত আত্মনিৰ্ভৰশীল হৈছে গাঁও

দেশত অৰ্থনৈতিক বৈষম্যতা আঁতৰ কৰা বাবে দীনদয়াল অন্তোদয়া ৰাষ্ট্ৰীয় গ্ৰাম্য আজীৱিকা মিছন আৰু ষ্টাৰ্টআপ গ্ৰামাঞ্চল উদ্যোগশীলতা কাৰ্যক্ৰম আৰম্ভ কৰা হৈছে। ২০১৬ চনত আৰম্ভ কৰা হোৱা ষ্টাৰ্টআপ গ্ৰামাঞ্চল উদ্যোগশীলতা কাৰ্যক্ৰমৰ অধীনত এতিয়ালৈ ১ লাখ ৭৮ হাজাৰৰো অধিক গ্ৰামাঞ্চলৰ উদ্যোগক সাহাৰ্য আগবঢ়োৱা হৈছে। দীনদয়াল অন্তোদয়া ৰাষ্ট্ৰীয় গ্ৰাম্য আজীৱিকা মিছন আৰম্ভণিৰ পৰা ২০২১ চনৰ ১৫ ডিচেম্বৰলৈ প্ৰায় ৭৩.৫ লাখ আত্মসহায়ক গোটত ৮.০৪ কোটি মহিলাক সংযুক্ত কৰা হৈছে। এই বিত্ত বৰ্ষৰ ৩০ নৱেম্বৰলৈ পোৱা তথ্যমতে ২৭.৩৮ লাখ আত্মসহায়ক গোটক ৬২,৮৪৮ কোটি টকা পৰ্যন্ত ঋণ বেংকৰ পৰা দিয়া হৈছে।

## খাদীৰ বিশ্ব যাত্ৰা, আমেৰিকা যুক্তৰাষ্ট্ৰ ফেশ্বন ব্ৰাণ্ডে খাদী ডেনিম ব্যৱহাৰ কৰিব



দেশৰ খাদী উদ্যোগ এতিয়া বিশ্বস্তৰীয় হৈ পৰিছে। বিশ্ববাসী খাদীক আকোঁৱালি লৈছে। মেক্সিকোত খাদীয়ে অ'হাকা খাদী ব্ৰেণ্ডৰ নাম পোৱা কথা প্ৰধানমন্ত্ৰীয়ে নিজেই ব্যক্ত কৰিছিল। এতিয়া সুবিখ্যাত আমেৰিকান ফেশ্বন ব্ৰাণ্ড পাটাগোনিয়াই হস্তনিৰ্মীত খাদী ডেনিম ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিছে। পাটাগোনিয়াই অলপতে গুজৰাটৰ অৰৱিন্দ মিলৰ পৰা ১.০৮ কোটি টকাৰ ব্যয় সাপেক্ষে ৩০,০০০ মিটাৰ খাদী ডেনিম কাপোৰ ক্ৰয় কৰিছে। খাদী আৰু গ্ৰামোদ্যোগ আয়োগে (কেভিআইচি) খাদী ডেনিমৰ বাবে অৰৱিন্দ মিলৰ দৰে কোম্পানীৰ সৈতে চুক্তিৱদ্ধ হৈছিল আৰু ইয়াৰ পাছতে অৰৱিন্দ মিলে কেভিআইচিৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত বিভিন্ন খাদী কেন্দ্ৰৰ পৰা খাদী ডেনিম বস্ত্ৰ ক্ৰয় কৰি আছে। ইয়াৰ ফলত ভোকেল ফৰ লোকেলে মান্যতা পাইছে আৰু গ্ৰাম্য শিপিনী উপকৃত হৈছে।

# সুবিধাৰ সৈতে উন্নয়নৰ নতুন আধাৰশিলা

ভাৰতৰ স্বৰ্ণময় ইতিহাসৰ পৰা আৰম্ভ কৰি স্বাধীনতা আন্দোলন আৰু দেশৰ অৰ্থনৈতিক বিকাশৰ জৰিয়তে নতুন ভাৰতৰ উন্নয়নৰ ক্ষেত্ৰত উত্তৰ প্ৰদেশ সদায় সাক্ষী হৈ ৰৈছে। উত্তৰ প্ৰদেশে দেশৰ বিকাশৰ দিশতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভাষাত “যেতিয়া সম্পূৰ্ণ উত্তৰ প্ৰদেশ আগবাঢ়ি যায় তেতিয়া দেশো আগবাঢ়ি গৈ থাকে”। এই পংক্তিৰ জৰিয়তে প্ৰধানমন্ত্ৰীয়ে শ্বাহজাহপুৰত গংগা এক্সপ্ৰেছৱেৰ আধাৰশিলা স্থাপন কৰে আৰু লগতে বাৰাণসীত চহৰ উন্নয়ন, স্বাস্থ্য, শিক্ষা, পথ-পৰিবহন তথা পৰ্যটনৰ সৈতে জৰিত হৈ থকা অনেক প্ৰকল্প উদ্বোধন কৰে। কানপুৰত প্ৰধানমন্ত্ৰীয়ে লগতে মেট্ৰো প্ৰকল্প উদ্বোধন কৰাৰ লগতে আইআইটিৰ দীক্ষান্ত সমাৰোহত অংশ লৈ আত্মনিৰ্ভৰশীল ভাৰতৰ মন্ত্ৰ গ্ৰহণ কৰিবলৈ সংকল্প গ্ৰহণ কৰে।




উন্নত পথ পৰিবহন তথা উন্নত যোগাযোগ ব্যৱস্থাৰ সহায়ত এখন দেশে প্ৰগতি লাভ কৰিবলৈ সক্ষম হয়। একবিংশ শতিকাত উন্নয়নৰ আধাৰ এয়াই। কোনো এক প্ৰদেশৰ বাবে পথ-পৰিবহন, শিক্ষা, ইন্টাৰনেট সেৱা, স্বাস্থ্যখণ্ড উন্নত হোৱাটো আৱশ্যকীয়। উন্নত পথ পৰিবহনে সামগ্ৰী সঠিক সময়ত কোনো এক ঠাইলৈ নিয়ে আৰু তাৰ ফলত চাহিদা আৰু উৎপাদনৰ সমানুপাতিক হয়। ইয়াৰ ফলত ব্যৱসায়-বাণিজ্য বৃদ্ধি পায় আৰু দেশৰ অৰ্থনৈতিক বিকাশ সম্ভৱ হৈ পৰে। বিগত ৭টা বছৰে দেশৰ আন্তঃগাঁথনিৰ ওপৰত সৰ্বাধিক গুৰুত্ব দি কেন্দ্ৰ চৰকাৰে এই ক্ষেত্ৰত বিশেষ পদক্ষেপ গ্ৰহণ কৰি আহিছে। যোৱা ১৫ নৱেম্বৰ তাৰিখে পূৰ্বাঞ্চল এক্সপ্ৰেছৱেৰ শুভাৰম্ভণি কৰাৰ এক মাহৰ পাছত ১৮ ডিচেম্বৰ তাৰিখে ৫৯৪ কিঃমিঃ দৈৰ্ঘ্যৰ গংগা



## গংগা এক্সপ্ৰেছৱেঃ উত্তৰ প্ৰদেশৰ ১২খন জিলালৈ পোনপটীয়া লাভ

- ছয় পথযুক্ত এই ঘাইপথ ৩৬,০০০ কোটি টকাৰ অধিক ব্যয়েৰে নিৰ্মাণ কৰা হ'ব। মীৰাতৰ বিজৌলী গাঁৱৰ নিকটৱৰ্তী ঠাইৰ পৰা আৰম্ভ হৈ এই এক্সপ্ৰেছৱে প্ৰয়াগৰাজৰ জুদাপুৰ দাণ্ডু গাঁৱৰ ওচৰলৈ যাব। ভৱিষ্যতে এই ঘাইপছৰ সংখ্যা ৮টালৈ বৃদ্ধি কৰা হ'ব।
- এই ঘাইপথত চলিবলগীয়া বাহনৰ সৰ্বাধিক গতিবেগ ১২০ কিঃমিঃ প্ৰতিঘন্টা কৰা হৈছে। এয়া মেৰঠ, হাপুড়, বুলন্দশ্বহৰ, অমৰোহা, চম্ভল, বদায়ু, শ্বাহজাহানপুৰ, হৰদোই, উন্নাৱ, ৰায়বেৰেলী, প্ৰতাপগড় আৰু প্ৰয়াগৰাজ হৈ যাব।
- ঘাইপথৰ কাম সম্পূৰ্ণ হোৱাৰ পাছত এই পথে উত্তৰ প্ৰদেশৰ পূবৰ জিলাৰ সৈতে পশ্চিমৰ জিলাক সংযোগ স্থাপন কৰি ৰাজ্যখনৰ প্ৰগতিত সহায় কৰিব।
- শ্বাহজাহপুৰত এই এক্সপ্ৰেছৱেত বায়ুসেনাৰ বিমান অৱতৰণৰ ব্যৱস্থা কৰাৰ বাবে ৩.৫ কিঃমিঃ দীঘলীয়া এয়াৰ ষ্ট্ৰীপ নিৰ্মাণ কৰা হ'ব। এই এক্সপ্ৰেছৱেৰ কাষত ঔদ্যোগিক কৰিডৰ নিৰ্মাণৰ প্ৰস্তাৱ লোৱা হৈছে।
- গংগা এক্সপ্ৰেছৱে পৰিকল্পনাৰ নিৰ্মাণৰ কাষৰীয়া এলেকাবোৰত সামাজিক তথা অৰ্থনৈতিক বিকাশৰ লগতে কৃষি, বাণিজ্য, পৰ্যটন তথা উদ্যোগ সম্বন্ধীয় গতিবিধি বৃদ্ধি পাব।
- এই এক্সপ্ৰেছৱেই একাধিক উদ্যোগখণ্ড তথা কৃষি উৎপাদন খণ্ডক ৰাজধানীৰ সৈতে সংযুক্ত কৰি এটা ঔদ্যোগিক কৰিডৰ হিচাপে প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত সহায় কৰিব।

### আৰ্থিক বিকাশৰ নতুন ৰোডমেপ




প্ৰায় ৩৬,২০০ কোটি টকাৰ ব্যয়

১২ খন জিলা আৰু ৫১৯খন গ্ৰামাঞ্চলক গংগা এক্সপ্ৰেছৱেই সংযোগ কৰিব

| | | | |
|---|---|---|---|
| মেৰঠ | ১৫ কিঃমিঃ | শ্বাহজাহপুৰ | ৪০ কিঃমিঃ |
| হাপুড় | ৩৩ কিঃমিঃ | হৰদোই | ৯৯ কিঃমিঃ |
| বুলন্দশ্বহৰ | ১১ কিঃমিঃ | উন্নাৱ | ১০৫ কিঃমিঃ |
| অমৰোহা | ২৬ কিঃমিঃ | ৰায়বেৰেলী | ৭৭ কিঃমিঃ |
| সম্ভল | ৩৯ কিঃমিঃ | প্ৰতাপগড় | ৪১ কিঃমিঃ |
| বদায়ু | ৯২ কিঃমিঃ | প্ৰয়াগৰাজ | ১৬ কিঃমিঃ |

এক্সপ্ৰেছৱেৰ আধাৰশিলা স্থাপন কৰে। দেশৰ সৰ্ববৃহৎ ৰাজ্যখনৰ বাবে কেন্দ্ৰীয় যোগাযোগ কিমান ক্ষীপ্ৰ হোৱা উচিত সেই কথাৰ ওপৰত গুৰুত্ব আৰোঁপ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে, উত্তৰ প্ৰদেশৰ জনসংখ্যাৰ লগতে এই প্ৰদেশৰ বিষয়বোৰো বৃহত্তৰ, এটা প্ৰান্তৰ পৰা আনটো প্ৰান্তলৈ হাজাৰ কিঃমিঃৰ দূৰত্ব থকা এই ৰাজ্যত

# বাৰাণসীক নতুন ৰূপ দিয়াৰ বাবে পদক্ষেপ



**০৭** কোটি টকাৰো অধিক ধন ব্যয়ৰে কেন্দ্ৰীয় উচ্চ তিব্বতী শিক্ষা অধ্যয়ন সংস্থাত শিক্ষক কেন্দ্ৰ স্থাপন কৰা হয়।

**১০৭** কোটি ব্যয়ৰে শিক্ষক শিক্ষাৰ কেন্দ্ৰ তথা কেন্দ্ৰীয় শিক্ষা মন্ত্ৰণালয়ৰ ইন্টাৰ ইউনিভাৰচিটী স্থাপন।

**২০** লাখৰো অধিক আবাসীৰ বাবে স্বামিত্ব আঁচনিৰ অধীনত ঘৰৌণী বিতৰণ কৰা হয়।

**১.৭০** লাখৰো অধিক দুগ্ধ উৎপাদকৰ বেংক একাউন্টত প্ৰায় ৩৫ কোটি টকা বোনাচ ডিজিটেল মাধ্যমত প্ৰেৰণ।

- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যেতিয়া ২৩ ডিচেম্বৰ তাৰিখে বিভিন্ন প্ৰকল্প উদ্বোধনৰ বাবে বাৰাণসীত উপস্থিত হৈছিল তেতিয়া সেই ভ্ৰমণ ১০ দিনৰ ভিতৰত দ্বিতীয়টো আছিল। পূৰ্বৰ ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে কাশী-বিশ্বনাথ কৰিডৰৰ প্ৰথম পৰ্যায়ৰ সম্পূৰ্ণ হোৱা কামৰ শুভাৰম্ভণি কৰিছিল আৰু এইবাৰৰ ভ্ৰমণকালত তেওঁ প্ৰায় ১৫০০ কোটি টকাৰ ২২টা পৰিকল্পনাৰ শিলান্যাস তথা শুভাৰম্ভণি কৰে।
- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বাৰাণসীৰ কাৰাখিয়াত উত্তৰ প্ৰদেশ ঔদ্যোগিক বিকাশ প্ৰাধিকৰণৰ ফুড পাৰ্ক, বনাছ দুগ্ধ সংকুলৰ আধাৰশিলা স্থাপন কৰে। ৩০ একৰ ভূমিত নিৰ্মাণ হ'বলগীয়া এই ডেইৰী-প্ৰকল্প প্ৰায় ৪৭৫ কোটি টকাৰ ব্যয়সাপেক্ষে নিৰ্মাণ কৰা হোৱাৰ লগতে প্ৰতিদিনে ৫ লাখ লিটাৰ গাখীৰ উৎপাদনৰ সুবিধা থাকিব।
- প্ৰধানমন্ত্ৰীয়ে বিএইচইউ আৰু আইটিআইত আবাসীয় ফ্লেট আৰু কৰ্মচাৰীৰ কোৱাৰ্টাৰ উদ্বোধন কৰে।
- স্বাস্থ্যখণ্ডত প্ৰধানমন্ত্ৰীৰ দ্বাৰা ১৩০ কোটি টকাৰ ব্যয়সাপেক্ষে মহামহিম পণ্ডিত মদন মোহন মালৱীয় কৰ্কট কেন্দ্ৰত ছাত্ৰবাস, নাৰ্চৰ বাবে হোষ্টেল তথা আশ্ৰয় গৃহ নিৰ্মাণৰ বাবে জড়িত হৈ থকা প্ৰকল্পৰ উদ্বোধন কৰে। ভদ্ৰষীত ৫০খন বিচনাযুক্ত একত্ৰিত আয়ুষ চিকিৎসালয়, আয়ুষ মিছনৰ অধীনত পিণ্ডৰাত ৪৯ কোটি টকাৰ ব্যয়সাপেক্ষে চৰকাৰী হোমিওপ্যাথিক মেডিকেল কলেজৰ আধাৰশিলা স্থাপন কৰে।
- প্ৰয়াগৰাজৰ পৰা ভদোহীলৈ চাৰিটা পথৰ পৰা ৬টা পথ সম্প্ৰসাৰণ কৰাৰ বাবে আধাৰশিলা স্থাপন কৰাৰ লগতে ৰবিদাসজী মন্দিৰ, সাধু গোৱৰ্ধন তথা বাৰাণসীৰ সৈতে সংযুক্ত হৈ থকা পৰ্যটনস্থলীৰ বিকাশৰ বাবে প্ৰথম পৰ্যায়ৰ কাম আৰম্ভ কৰা হৈছে।
- আন্তঃৰাষ্ট্ৰীয় চাউল অনুসন্ধান সংস্থা, দক্ষিণ এছিয়া আঞ্চলিক কেন্দ্ৰই বাৰাণসীত বিশেষ প্ৰকাৰৰ চাউল উৎপাদনৰ বাবে বিশেষ কাম আৰম্ভ কৰিছে।

ঘাইপথৰ গুৰুত্ব আছে। গংগা এক্সপ্ৰেছ ঘাইপথে পূব উত্তৰ প্ৰদেশক পশ্চিম উত্তৰ প্ৰদেশৰ সৈতে সংযুক্ত কৰিব আৰু লগতে দিল্লীৰ পৰা বিহাৰ অহা-যোৱাৰ সময় লাঘৱ কৰিব। যেতিয়া সময় লাঘৱ হয়, তেতিয়া সুবিধাবোৰ বৃদ্ধি হয়, আৰু ইয়ে সম্ভাৱনা বৃদ্ধি কৰে। পূৰ্বাঞ্চল এক্সপ্ৰেছেই হওক বা দিল্লী-মীৰাত(মেৰঠ) এক্সপ্ৰেছ বা কুশীনগৰ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ তথা ফ্ৰেইট কৰিডৰৰ দৰে গুৰুত্বপূৰ্ণ কাম কৰা হৈছে। বুন্দেলখণ্ড এক্সপ্ৰেছৱে, গোৰখপুৰ লিংক এক্সপ্ৰেছৱে, প্ৰয়াগৰাজ লিংক এক্সপ্ৰেছৱে, দিল্লী-ডেৰাডুন এক্সপ্ৰেছৱে, নয়ডা ইন্টাৰনেশ্বনেল বিমানবন্দৰ, দিল্লী-মেৰঠ ৰেপিড হাই স্পীড কৰিডৰ আদিৰ দৰে মেগা প্ৰজেক্টৰ ওপৰত আজি কাম চলিব ধৰিছে।"

প্ৰধানমন্ত্ৰীৰ ভাষণ শুনিবলৈ এই কিউআৰ কোড স্কেন কৰক।



# কানপুৰে লাভ কৰিলে মেট্ৰ'ৰ উপহাৰ

কোনো কালত বিশ্বৰ পূব প্ৰান্তৰ মানচেষ্টাৰ আখ্যা পোৱা কানপুৰক উত্তৰ প্ৰদেশ ৰাজ্যখনৰ অৰ্থনৈতিক ৰাজধানী ৰূপেও জনা যায়। কিন্তু এই চহৰখনৰ অন্য এটা পৰিচয় কানপুৰ নামটো উচ্চাৰণ কৰিলেই মনলৈ আহিছিল- সেয়া হৈছে কদৰ্যময়তা, ঠেক বাট-পথ, অত্যাধিক যান-জঁট, স্থানীয় যোগাযোগৰ অভাৱ। কিন্তু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চহৰাঞ্চলৰ বিকাশৰ ওপৰত বিশেষ গুৰুত্ব দি আহিছে। সেয়েহে কানপুৰৰ বিকাশ তেওঁৰ মুখ্য দায়িত্বসমূহৰ অন্যতম আছিল। সেয়েহে ২০১৯ চনৰ পৰা এই চহৰৰ বিকাশৰ কাম পূৰ্ণগতিত আৰম্ভ হয়। ১১,০০০ কোটি টকাৰ ব্যয়ৰে ৩২ কিঃমিঃ মেট্ৰ' পথ নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছিল আৰু ২৮ ডিচেম্বৰ তাৰিখে এই কামৰ প্ৰথম পৰ্যায়ৰ শুভাৰম্ভণি কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছিল, "কানপুৰবাসী ৰাইজে যান-জঁটৰ সমস্যাৰ পৰা বছৰ বছৰ ধৰি ভুক্তভোগী হৈ আহিবলগীয়া হৈছিল। এই যান-জঁটৰ ফলত তেওঁলোকৰ যথেষ্ট ধন নষ্টও হৈছিল। এতিয়া কানপুৰ মেট্ৰ'ৰ প্ৰথম পৰ্যায়ত ৯ কিঃমিঃ কাম সম্পূৰ্ণ হোৱাৰ পাছত এই সমস্যাবোৰৰ অন্ত পৰিব।"

## সকলোতকৈ বেছি মেট্ৰ' ৰেল চলা ৰাজ্য হৈ পৰিছে উত্তৰ প্ৰদেশ

- ২০১৪ চনৰ পূৰ্বে উত্তৰ প্ৰদেশত মেট্ৰ' লাইন কেৱল ৯ কিঃমিঃহে আছিল। ২০১৪ বৰ্ষৰ পৰা ২০১৭ বৰ্ষলৈ এই সংখ্যা ১৮ কিঃমিঃলৈ বৃদ্ধি পায়। এতিয়া কানপুৰ সমন্বিতে আৰু উত্তৰ প্ৰদেশৰ সকলো প্ৰান্তৰ মেট্ৰ' সেৱাক লৈ সৰ্বমুঠ ৯০ কিঃমিঃতকৈ অধিক মেট্ৰ' সেৱা ৰাজ্যখনত আছে।
- কানপুৰ মেট্ৰ' ৰেল সম্পূৰ্ণ হোৱাৰ পাছত উত্তৰ প্ৰদেশত দেশৰ ভিতৰত সৰ্বাধিক মেট্ৰ' ৰেল চলাচল কৰা ৰাজ্য হৈ পৰিব।
- উত্তৰ প্ৰদেশ মেট্ৰ' ৰেল কৰ্পোৰেশ্বনে ২০১৯ চনৰ ১৫ নৱেম্বৰ তাৰিখৰ পৰা মুখ্য গুৰুত্ব দি এই কৰিডৰৰ কাম আৰম্ভ কৰিছিল আৰু দুই বছৰ ৪৩ দিনত এয়া সম্পূৰ্ণ মেট্ৰ' সেৱা আৰম্ভ কৰা হৈছে।

## বীনা-পনকী বহুমুখী উৎপাদনক্ষম পাইপ লাইনৰ শুভাৰম্ভণি

- প্ৰধানমন্ত্ৰীয়ে বীনা-পনকী বহুমুখী উৎপাদনক্ষম পাইপলাইন পৰিকল্পনাৰো শুভাৰম্ভণি কৰে। ৩৫৬ কিঃমিঃ দৈৰ্ঘ্যৰ এই প্ৰকল্পৰ ক্ষমতা প্ৰায় প্ৰতিবছৰে ৩৪.৫ লাখ মেট্ৰিক টন হ'ব।
- মধ্য প্ৰদেশৰ বীনা ৰিফাইনেৰীৰ পৰা কানপুৰৰ পনকীলৈ বিস্তৃত এই প্ৰকল্প ১৫০০ কোটি টকাৰো অধিক ব্যয়সাপেক্ষে নিৰ্মাণ কৰা হৈছে। ইয়াৰ ফলত পেট্ৰ'লিয়াম উৎপাদকসকল উপকৃত হৈ পৰিব।
- ইয়াৰ লাভ পূব আৰু মধ্য উত্তৰ প্ৰদেশ, উত্তৰ বিহাৰ আৰু দক্ষিণ উত্তৰাখণ্ডেও লাভ কৰিব। পাইপলাইনৰ মাধ্যমত পেট্ৰ'লিয়ামৰ সৰবৰাহে পৰিৱেশ সুৰক্ষাতো সহায় কৰিব।

সমাজৰ যিকোনো ক্ষেত্ৰতে বুনিয়াদী আন্তঃগাঁথনিত গুৰুত্ব দিয়াৰ ফলত পোনপটীয়াকৈ বিনিয়োগৰ সৃষ্টি হয়, ব্যক্তিগত খণ্ডও ইয়াৰ দ্বাৰা উপকৃত হয়। বিকাশৰ দিশত অহা বাধাবোৰ শক্তিশালী আন্তঃগাঁথনিৰ ফলত নাইকীয়া হয় তথা এটা অঞ্চলৰ অৰ্থনৈতিক আত্মনিৰ্ভৰশীলতা বৃদ্ধি পায়। এতিয়া ভাৰতে এই দিশত কাম কৰিবলৈ আৰম্ভ কৰিছে। এতিয়া বহুমুখী যোগাযোগ ব্যৱস্থাক শক্তিশালী কৰাৰ বাবে উত্তৰ প্ৰদেশত তীব্ৰ গতিত কাম চলিব ধৰিছে যাতে প্ৰতিখন জিলাৰ মাজত যোগাযোগ উন্নত হওক আৰু অৰ্থনীতিৰ বিকাশৰে দেশৰ উন্নতি সাধন হওক। ●

প্ৰধানমন্ত্ৰীৰ ভাষণ শুনিবলৈ এই কিউআৰ কোড স্কেন কৰক।



ভাৰতীয় প্ৰযুক্তিশিক্ষাৰ প্ৰতিষ্ঠান, কানপুৰত ৫৪ সংখ্যক দীক্ষান্ত সমাৰোহ

# ২০৪৭চনত কেনেকুৱা হৈ পৰিব ভাৰত, গুৰুদায়িত্ব যুৱ প্ৰজন্মৰ

*স্বাধীনতাৰ অমৃত বৰ্ষত মানে ২০৪৭ চনটোত দেশ কেনেকুৱা হ'ব এই দৃষ্টিকোণ লৈ আগবাঢ়ি যোৱা দেশৰ যুৱ প্ৰজন্মৰ হাততেই সকলো গুৰু দায়িত্ব ন্যস্ত হৈ আছে। বিগত ৭ বছৰত কেন্দ্ৰ চৰকাৰে শিক্ষা, প্ৰযুক্তি, বিজ্ঞান আৰু উদ্ভাৱনৰ দিশত যিবোৰ কাম কৰিছে সেইবোৰ আগন্তুক ২৫টা বছৰত কিদৰে বিকাশ লাভ কৰে সেয়া যুৱ প্ৰজন্মৰ কৰ্মপন্থাৰ ওপৰতে নিৰ্ভৰ কৰিব। প্ৰযুক্তি শিক্ষা অন্যতম আইআইটি কানপুৰত ৫৪ সংখ্যক দীক্ষান্ত সমাৰোহত অংশ লৈ প্ৰধানমন্ত্ৰীয়ে নৰেন্দ্ৰ মোদীয়ে দেশৰ ভৱিষ্যৎ নিৰ্মাতাসকলৰ সৈতে কথা পাতে...*

- স্বাধীনতাৰ এই ৭৫ সংখ্যক বৰ্ষত আমাৰ দেশত ৭৫টাতকৈ অধিক ইউনিক'ৰ্ন আছে, ৫০ হাজাৰৰো অধিক ষ্টাৰ্ট আপ আছে। ইয়াৰ ভিতৰত ১০ হাজাৰ ষ্টাৰ্ট আপ বিগত ৬ মাহত সৃষ্টি হৈছে। বিশ্বৰ ভিতৰত ষ্টাৰ্ট আপ হবলৈ পৰিণত হৈছে ভাৰত। শেহতীয়া এক প্ৰতিবেদন মতে দেশে ষ্টাৰ্ট আপ আৰু উদ্ভাৱনী চিন্তাৰ ক্ষেত্ৰত বিশ্বৰ একাধিক উন্নত দেশক পাছ পেলাই গৈছে।

- বিগত ৭টা বছৰত ষ্টাৰ্ট আপ ইণ্ডিয়া, ষ্টেণ্ড আপ ইণ্ডিয়াৰ দৰে কাৰ্যক্ৰম আৰম্ভ কৰা হৈছে। অটল ইন'ভেশ্বন মিছন আৰু পিএম গৱেষণা বৃত্তিৰ (ৰিচাৰ্ছ ফেলশ্বিপ) মাধ্যমত দেশৰ যুৱ প্ৰজন্মই নতুন সুবিধা লাভ কৰিবলৈ সক্ষম হৈছে। ইজ অৱ ডুয়িং বিজনেছৰ লগতে নীতি সংস্কাৰৰ ফলত দেশৰ বিকাশ সম্ভৱ হৈছে।

## ভাৰতৰ নৱ নিৰ্মাণৰ যাত্ৰাত অংশীদাৰিত্বৰ আহ্বান

- অমৃত মহোৎসৱৰ এই সময়ত প্ৰধানমন্ত্ৰীয়ে যুৱ প্ৰজন্মক দেশৰ প্ৰগতিৰ অংশীদাৰ হোৱাৰ বাবে আহ্বান জনায়। প্ৰধানমন্ত্ৰীয়ে দীক্ষান্ত সমাৰোহত উপস্থিত সকলোকে নিজৰ উদ্ভাৱনী চিন্তাৰে দেশৰ উন্নয়নৰ বাবে অৱদান আগবঢ়াই আগন্তুক ২৫ বছৰত দেশৰ ছবি সলনি কৰাৰ বাবে সহযোগিতা বিচাৰে। দেশৰ স্বৰ্ণময় কাল বৰ্তমানৰ যুৱ প্ৰজন্মৰ অংশীদাৰীত্বৰেহে সম্ভৱ হৈ পৰিব। তাৰ বাবে কাম এতিয়াৰ পৰা কৰি যাব লাগিব।

- দীক্ষান্ত সমাৰোহত শিক্ষাৰ্থীসকলক উদ্দেশ্য কৰি প্ৰধানমন্ত্ৰীয়ে সকলোকে সোঁৱৰাই দিয়ে যে এয়া আপোনালোকৰ দায়িত্ব যে দেশৰ প্ৰগতিৰ বাবে আপোনালোক দায়বদ্ধ হওক আৰু দেশৰ নাগৰিকে বিচৰা এই পৰিৱৰ্তন আপোনালোকে সম্ভৱ কৰি দেশক স্বৰ্ণময় কালত উপনীত কৰাব পাৰিব।

## আত্মনিৰ্ভৰ ভাৰতৰ আধাৰ হোৱাৰ বাবে আহ্বান

আপোনালোক সকলোৱে আত্মনিৰ্ভৰ হোৱাৰ ওপৰত গুৰুত্ব দিয়ক। দেশৰ পূৰ্ণ স্বাধীনতাৰ অৰ্থই হৈছে সম্পূৰ্ণ আত্মনিৰ্ভৰশীলতা। অন্য কোনো উপাদানৰ ওপৰত আত্মনিৰ্ভৰশীল নোহোৱাটোৱেই হৈছে আমাৰ লক্ষ্য। স্বামী বিবেকানন্দই কৈছিল যে "যদিহে আমি আত্মনিৰ্ভৰশীল হ'ব নোৱাৰো তেন্তে আমি আমাৰ লক্ষ্য কিদৰে পূৰণ কৰিম"। দেশে যেতিয়া স্বাধীনতা শতবৰ্ষ উদযাপন কৰিব তেতিয়া আমি আমাৰ কষ্টৰ ফল নিশ্চয় উপভোগ কৰিব পাৰিম।

প্ৰধানমন্ত্ৰীৰ সম্বোধন শুনিবলৈ এই কিউআৰ কোড স্কেন কৰক

## আধাৰৰ সৈতে ভোটাৰ পৰিচয় পত্ৰৰ সংযোগ

# নিৰ্বাচনী সংস্কাৰৰ দিশত পদক্ষেপ

আমি নিৰ্বাচনী বতৰত এনেকুৱা খবৰ লাভ কৰোঁ যে কোনো ভোটাৰে ভুৱা নিৰ্বাচন পৰিচয় পত্ৰ ব্যৱহাৰ কৰি ভোটদান কৰিছে, একাধিকবাৰ কৰিছে। এই সমস্যাৰ সমাধানৰ বাবে কেন্দ্ৰ চৰকাৰে নিৰ্বাচন আইন (সংশোধন) বিধেয়ক ২০২১ ৰূপায়ন কৰিছে, ইয়াৰ মাধ্যমত এতিয়া আধাৰ কাৰ্ডক ভোটাৰ কাৰ্ডৰ সৈতে সংযোগ কৰা হ'ব। এই কাৰ্যৰ দ্বাৰা বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰ অধিক শক্তিশালী হৈ পৰিব...

সাধাৰণ নিৰ্বাচনৰ সময়ত হওক বা পঞ্চায়তৰ নিৰ্বাচনৰ সময়ত হওক, এখন ভোটাৰ তালিকা কামত আহিব লাগে। প্ৰতিটো নিৰ্বাচনৰ বাবে আমি কিয় বেলেগ বেলেগ ভোটাৰ তালিকা তৈয়াৰ কৰি ধন খৰচ আৰু সময় নষ্ট কৰিব লাগে? এতিয়াতো নিৰ্বাচনত ভোটদান কৰাৰ বয়স ১৮ বছৰ নিৰ্ধাৰন কৰা হৈছে। পূৰ্বতে অলপ বেলেগ আছিল কিন্তু এতিয়া পৃথক ভোটাৰ তালিকাৰ প্ৰয়োজন নাই।"

বিগত বৰ্ষত সংবিধান দিৱসৰ সময়ত বিষয়াসকলৰ সৈতে অনুষ্ঠিত হোৱা এখন সন্মিলনত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰীয়ে কোৱা এই কথাই ভাৰতীয় নিৰ্বাচনী সংস্কাৰৰ ইংগিত দিছিল। এই দিশত আগবাঢ়ি এইবাৰ সংসদৰ শীতকালীন অধিৱেশনত দুয়োখন সদনত নিৰ্বাচন আইন (সংশোধন) বিধেয়ক, ২০২১ত অনুমোদন জনোৱা হয়। এই বিধেয়কত সকলোতকৈ গুৰুত্বপূৰ্ণ বিন্দুটো হৈছে ভোটাৰ কাৰ্ডৰ সৈতে আধাৰ নম্বৰ লিংক (সংযোগ) কৰা কথাটো এই আইনত সন্নিৱিষ্ট কৰা হৈছে। অৱশ্যে এয়া আপুনি কৰিব নে নকৰে সেয়া স্বইচ্ছাৰ ওপৰত নিৰ্ভৰ কৰিব। কিন্তু ভাৰতৰ দৰে বিশাল দেশত আগন্তুক দিনবোৰত এয়া গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈ পৰিব। এই কাৰ্যই নকল ভোটাৰ কাৰ্ড তথা আধাৰ কাৰ্ড তৈয়াৰীকৰণৰ বেআইনী পন্থাক প্ৰতিহিত কৰাৰ লগতে আন কেতবোৰ অপৰাধমূলক কাম-কাজ ৰোধ কৰাৰ ক্ষেত্ৰত সহায়ক হৈ পৰিব। নকল ভোটাৰ কাৰ্ড ব্যৱহাৰ কৰি ৰেছন কাৰ্ডৰ লগতে বেআইনীভাৱে মোবাইলৰ ছিম কাৰ্ড লোৱা হয়। আধাৰ আৰু ভোটাৰ কাৰ্ডৰ সংযোগে এই অপৰাধমূলক কাৰ্য প্ৰতিৰোধ কৰাৰ লগতে নিৰ্বাচনী প্ৰক্ৰিয়াতো এজন নাগৰিকক সহায় কৰিব। ●



## এইবোৰ ক্ষেত্ৰত পৰিৱৰ্তন আহিব

- আধাৰ আৰু ভোটাৰ কাৰ্ডক সংযোগ কৰা যাব, অৱশ্যে এয়া স্ব-ইচ্ছাৰ ওপৰত নিৰ্ভৰ কৰিব, বাধ্যতামূলক নহয়। এগৰাকী নাগৰিকে এতিয়া বছৰটোত চাৰিবাৰ নিৰ্বাচন তালিকাত নাম সংযুক্ত কৰাৰ সুবিধা লাভ কৰিব, সেই দিনকেইটা হৈছে ১ জানুৱাৰী-১ এপ্ৰিল-১ জুলাই আৰু ১ অক্টোবৰ।
- লিংগ নিৰপেক্ষতাৰ ক্ষেত্ৰত সংস্কাৰ। পত্নীৰ (ৱাইফ শব্দৰ) ঠাইত এতিয়া স্পাউজ শব্দ ব্যৱহাৰ কৰা হ'ব। মহিলা সৈনিকৰ গিৰিয়েকক ছাৰ্ভিচ ভোটাৰ কোৱা যাব।
- নিৰ্বাচন আয়োগে যিকোনো পৰিসৰ/ঠাইক ভোটদান, ভোট-কেন্দ্ৰ, ভোট গণনা কেন্দ্ৰ তথা সুৰক্ষা কৰ্মীৰ থকা ঠাই হিচাপে ব্যৱহাৰ কৰিব পাৰিব।

### ভোটাৰ কাৰ্ড আৰু আধাৰ কাৰ্ড সংযোগে লাভান্বিত কৰিব

এই কাৰ্যই বেআইনী কাৰ্যকলাপ প্ৰতিৰোধ কৰিব। নকল ভোটাৰ কাৰ্ডৰ সহায়ত ভোটদান কৰা তথা আধাৰ কাৰ্ডৰ ভেজালকৰণ প্ৰতিৰোধ কৰিব পৰা যাব। নকল আধাৰৰ জৰিয়তে ছিম কাৰ্ড লৈ বিভিন্ন আপৰাধমূলক কাৰ্য হৈ আহিছে, সেইবোৰ প্ৰতিৰোধ কৰিব পৰা যাব।

## মিছা কথাত গুৰুত্ব নিদিব

- স্বেচ্ছাই সংযোগঃ আধাৰ কাৰ্ডৰ সৈতে ভোটাৰ কাৰ্ডৰ সংযোগৰ ক্ষেত্ৰত বাধ্যবাধকতা নাই, এয়া আপোনাৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰ কৰিব।
- ভোটদানৰ পৰা বঞ্চিত নহয়ঃ এই নতুন সংস্কাৰৰ পাছত ভোটাৰ তালিকাত নামভৰ্তিৰ বাবে কৰা আবেদন অস্বীকাৰ কৰা নহয়, তথা আধাৰ সংযোগ নকৰা বা আধাৰ নাথাকিলে ভোটাৰ তালিকাৰ পৰা নাম কটা নাযায়।



# পঢ়িছে আগুৱাইছে কন্যা

কন্যা সন্তান হৈছে ইশ্বৰৰ বৰদান। কিন্তু এয়া বিড়ম্বনা যে ১৯৬১ চনৰ পৰা আৰম্ভ কৰি ২০১১ চনলৈ কৰা লোকপিয়লত প্ৰতিবাৰেই ছোৱালীৰ সংখ্য কম আছিল। দেশৰ এনে কেতবোৰ ৰাজ্য আছে যিবোৰত কন্যা সন্তানক গৰ্ভতেই হত্যা কৰি দিয়া হৈছিল। ইয়াৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰীয় সজাগতা তথা জন সচেতনতাৰ প্ৰয়োজন আছিল। কেন্দ্ৰ চৰকাৰে ২০১৫ চনৰ ২২ জানুৱাৰী তাৰিখে বেটি বচাও-বেটি পঢ়াও শীৰ্ষক আঁচনি গ্ৰহণ কৰে। এই আঁচনিৰ ৭টা বছৰ সম্পূৰ্ণ হোৱাৰ উপলক্ষে তথা এই অভিযানৰ ফলশ্ৰুতিত শেহতীয়াকৈ দেশত পুৰুষৰ তুলনাত মহিলাৰ সংখ্যা বৃদ্ধি পোৱা তথ্য প্ৰকাশ পাইছে...

ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে এগৰাকী ভিক্ষু হিচাপে আপোনালোকক কন্যা সন্তানৰ জীৱন ৰক্ষাৰ বাবে কাতৰ অনুৰোধ জনাইছোঁ। কন্যা সন্তানক ৰক্ষা কৰক। কন্যা সন্তানক লৈ গৌৰৱ কৰক। ৰাষ্ট্ৰৰ সন্মান হিচাপে গণ্য কৰক। স্বপ্নক ডেউকা দিবলৈ পুত্ৰ সন্তানৰ সমান্তৰালকৈ কন্যা সন্তানকো গুৰুত্ব দিয়ক। তেতিয়াহে আপোনাৰ স্বপ্নই পূৰ্ণতা পাব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৭ বছৰৰ পূৰ্বে হাৰিয়ানাৰ পানীপত জিলাত বেটি বচাও-বেটি পঢ়াও আঁচনিৰ শুভাৰম্ভণি কৰি দিয়া ভাষণত কোৱা এই পংক্তিয়ে নতুন সংকল্প আৰু দিগন্তৰ সূচনা কৰিছিল। প্ৰথমবাৰৰ বাবে এগৰাকী ৰাজনৈতিক নেতাই কোনো লাভ-লোকচানৰ চিন্তা নকৰাকৈ সমাজত কন্যা

# এনেকৈ আৰম্ভ হৈছিল সংকল্পবোৰ

- ১৯৬১ চনত শিশুৰ লিংগ অনুপাত (০-৬) প্ৰতি ১০০০ বালকৰ বিপৰীতে ৯৭৬ বালিকা আছিল। এয়া ২০১১ বৰ্ষত ৯১৮ হৈছিল। ইয়াৰ কাৰণ আছিল সমাজৰ কেতবোৰ কুপ্ৰথা। এই কুপ্ৰথাবোৰৰ বশৱৰ্তী হৈ কেতবোৰ সমাজত কন্যা সন্তানক আদৰি লোৱা নহৈছিল। কন্যাসন্তানক গৰ্ভত থকা অৱস্থাতে হত্যা কৰা তথা গৰম গাখীৰ ৰখা বৰ্তনত পেলাই হত্যা কৰাৰ দৰে দুখজনক খবৰবোৰ আহিছিল।
- ভ্ৰুণ হত্যাৰ বৰ্ধিত হাৰ তথা লিংগ অনুপাতত কন্যাসন্তানৰ সংখ্যা দুখিতভাৱে হ্ৰাস পোৱাৰ পৰিপ্ৰেক্ষিতত ২০১৫ চনৰ ২২ জানুৱাৰী তাৰিখে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হাৰিয়ানাৰ পানীপথত বেটি বচাও-বেটি পঢ়াও শীৰ্ষক অভিযানৰ শুভাৰম্ভণি কৰে আৰু সুকন্যা সমৃদ্ধি আঁচনিৰ ঘোষণা কৰিছিল।
- বেটি বচাও-বেটি পঢ়াও আঁচনিৰ জৰিয়তে কন্যা সন্তানৰ ভ্ৰুণ হত্যা প্ৰতিৰোধ কৰা তথা কন্যা সন্তানক গুণগত শিক্ষা প্ৰদান কৰা, কন্যা সন্তানক সুৰক্ষা প্ৰদান কৰা তথা জনতাৰ মানসিকতা সলনি কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছিল। তথা সুকন্যা সমৃদ্ধি আঁচনিৰ জৰিয়তে ছোৱালীৰ শিক্ষা আৰু বিবাহত সহায় কৰাৰ পদক্ষেপ লোৱা হৈছে।
- ভ্ৰুণ হত্যা প্ৰতিৰোধ কৰাৰ বাবে প্ৰথম পৰ্যায়ত পিএনডিটি আইনক কঠোৰভাৱে পালন কৰা, ৰাষ্ট্ৰজুৰি এই সম্পৰ্কত সজাগতা বৃদ্ধি কৰাৰ বাবে প্ৰচাৰ অভিযান চলোৱা হৈছিল। বুনিয়াদী স্তৰত ৰাইজক প্ৰশিক্ষণ দিয়া, সম্প্ৰদায়ৰ ভিত্তিত চিন্তাধাৰা সলনি কৰাৰ বাবেও বিশেষ পদক্ষেপ গ্ৰহণ কৰা হৈছিল। শিশুৰ লিংগ অনুপাত কম থকা ১০০খন জিলাত পোনপ্ৰথমে পাইলট প্ৰকল্প হিচাপে কাম কৰা হৈছিল। তাৰ পাছত ৬১খন অতিৰিক্ত জিলাত এয়া সম্প্ৰসাৰণ কৰা হয়।
- ১৬১ খন জিলাত সফলতাৰে এয়া কাৰ্যক্ষম হোৱাৰ পাছত ২৪৪খন অন্য জিলাত এয়া আৰম্ভ কৰা হৈছিল। দেশৰ ৯৫ শতাংশ বিদ্যালয়ত কন্যাৰ বাবে শৌচালয় নিৰ্মাণ কৰা হয়। ইয়াৰ ফলত শৌচালয়ৰ অভাৱত শিক্ষা আধাতে সাং কৰা ছাত্ৰীৰ অনুপাতত পাৰ্থক্য আহিছিল।

## উদ্দেশ্য

- পক্ষপাতিত্বমূলক লিংগ নিৰ্বাচন প্ৰতিৰোধ
- কন্যাৰ অস্তিত্ব আৰু সুৰক্ষা সুনিশ্চিত
- কন্যা সন্তানৰ শিক্ষা সুনিশ্চিত কৰা

## সুকন্যা সমৃদ্ধি আঁচনিয়ে পৰিৱৰ্তন আনিছে

সুকন্যা সমৃদ্ধি আঁচনিৰ অধীনত আপুনি যিকোনো ডাকঘৰ বা বেংকত নিজৰ কন্যাৰ নামত এটা বেংক একাউন্ট খুলিব পাৰে। ইয়াত নূন্যতম মাহিলী জমাৰাশি ২৫০ টকা আৰু সৰ্বোচ্ছ বাৰ্ষিক জমাৰাশি ১.৫ লাখ টকা হয়। এই ধনৰাশিৰ ওপৰত ৮.৪০ শতাংশ চক্ৰবৃদ্ধি সুদৰ হাৰ গণনা কৰা হয়। যদিহে আপুনি মাহে ১০ হাজাৰ টকা ১৫ বছৰৰ বাবে জমা ৰাখে তেন্তে সেয়া ২১ বৰ্ষত প্ৰায় ৭৪ লাখ হ'বগৈ। এই জমাৰাশিৰ এটা ভাল দিশ এয়াই যে ইয়াত আয়কৰ নালাগে। আৰু এটা ভাল দিশ এয়াই যে কন্যা সন্তান যেতিয়া ১৮ বছৰীয়া হৈ যাব তেতিয়া মুঠ পৰিমাণৰ ৫০ শতাংশ উলিয়াব পাৰিব আৰু বাকী ৫০ শতাংশ বিবাহৰ সময়ত উলিয়াব পাৰিব।



**প্ৰধানমন্ত্ৰীয়ে নিজেই #selfiwithdaughter #bharatkilaxmiৰ দৰে অভিযান আৰম্ভ কৰি বেটি বচাও-বেটি পঢ়াওক জনপ্ৰিয় কৰিছিল।**

সন্তানকলৈ থকা মনোভাৱ সলনি কৰাৰ বাবে তেনেকুৱা আহ্বান কৰিছিল। এই আহ্বান সেই নতুন ভাৰতৰ হয় যি ভাৰতত কন্যা সন্তানৰ বিকাশ অবিহনে কোনো কথা চিন্তা কৰাটো সমিচীন নহয়। সেই আহ্বানৰ পৰিণাম এতিয়া আমাৰ সকলোৰে সন্মুখত স্পষ্ট। শেহতীয়াকৈ ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য সমীক্ষাৰ প্ৰতিবেদনমতে দেশৰ মুঠ

প্ৰধানমন্ত্ৰীৰ সম্বোধন শুনিবলৈ এই কিউআৰ কোড স্কেন কৰক।

# সবল মহিলা, শক্তিশালী ৰাষ্ট্ৰ

মাতৃ-ভগ্নী-কন্যা সন্তানৰ জীৱনে এটা পৰিয়ালৰ ভেটি স্থাপন কৰে, তেওঁলোকে এটা প্ৰজন্মৰ সৃষ্টি কৰে। এগৰাকী কন্যা সন্তানৰ সামৰ্থ, শিক্ষা, কৌশলে কেৱল পৰিয়ালৰেই নহয় সমগ্ৰ জাতি আৰু ৰাষ্ট্ৰৰ কল্যাণ সাধন কৰে। এই কাৰণটোৰ বাবেই কেন্দ্ৰ চৰকাৰে এই দিশত নিৰন্তৰ কাম কৰি গৈছে। প্ৰয়াগৰাজত ২১ ডিচেম্বৰ তাৰিখে মহিলা আত্মসহায়ক গোটবোৰৰ বেংক একাউন্টত ১০০০ কোটি টকা স্থানান্তৰ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, "আমি কন্যা সন্তানৰ জন্মৰ পৰা আৰম্ভ কৰি জীৱন চক্ৰ পৰ্যন্ত, সকলো স্তৰতে মহিলাক সবল-শক্তিশালী কৰাৰ বাবে আঁচনি প্ৰস্তুত কৰিছো, অভিযান চলাইছোঁ"

- সন্তান প্ৰসৱ কৰাৰ পাচতো কৰ্মৰত মহিলাই নিজৰ সন্তানৰ শুশ্ৰূষা কৰিব পাৰে তাৰ বাবে ছুটিৰ ম্যাদ ৬মাহলৈ বৃদ্ধি কৰা হৈছে। গৰ্ভৱতী হৈ থকাৰ সময়ত মহিলাৰ স্বাস্থ্যৰ গুৰুত্ব ৰখাটো অতীৱ প্ৰয়োজনীয় হৈ পৰে। তাৰ বাবে দাৰিদ্ৰ পৰিয়ালত এয়া চিন্তাৰ বিষয় হৈ পৰে। কেন্দ্ৰ চৰকাৰে এই ক্ষেত্ৰত বিশেষ পদক্ষেপ যেনে খাদ্য সামগ্ৰী বিতৰণ, টিকাকৰণ আদি গ্ৰহণ কৰিছে।
- প্ৰধানমন্ত্ৰী মাতৃবন্দনা আঁচনিৰ অধীনত গৰ্ভৱতী মহিলাৰ বেংক একাউন্টত ৫ হাজাৰ টকা দিয়া হয়। গৰ্ভৱস্থাত বিভিন্ন প্ৰয়োজন পূৰণ কৰাৰ ক্ষেত্ৰত এই ধনৰাশিয়ে যথেষ্ট সহায় কৰিছে। এতিয়ালৈ ২ কোটিৰো অধিক মহিলাক ১০ হাজাৰ কোটিৰো অধিক ধন দিয়া হৈছে।
- স্কুল-কলেজৰ পাছতো কৰ্মজীৱন, গৃহস্থী আদি সকলোতে মহিলাৰ সুবিধা আৰু স্বাস্থ্যৰ ওপৰত গুৰুত্ব দিয়া হৈছে। স্বচ্ছ ভাৰত অভিযানৰ অধীনত কোটিৰো অধিক শৌচালয় নিৰ্মাণ কৰা হৈছে। উজ্জ্বলাৰ অধীনত ৰন্ধন গেছৰ সংযোগ দিয়া হৈছে। ঘৰে ঘৰে বিশুদ্ধ খোৱাপানী দিয়া হোৱাৰ ফলত নাৰীৰ স্বাস্থ্য সুৰক্ষিত হৈছে।



জনসংখ্যাৰ প্ৰতি ১০০০ পুৰুষৰ তুলনাত নাৰীৰ সংখ্যা হৈছে ১০২০। যোৱা বৰ্ষত এই সংখ্যা ৯৯১ আছিল। দেশৰ সমীক্ষাত চহৰাঞ্চলতকৈ গ্ৰামাঞ্চলত লিংগ অনুপাতত বৃদ্ধি পাইছে। চহৰাঞ্চলত প্ৰতি ১০০০ পুৰুষৰ তুলনাত ৯৮৫ মহিলা পোৱাৰ বিপৰীতে গ্ৰামাঞ্চলত ১০০০ৰ তুলনাত ১০৩৭ পোৱা গৈছে। কেৱল ইমানেই নহয়, জন্মৰ সময়ৰ লিংগ অনুপাত ২০১৫-১৬ত ৯১৯ জনী থকাৰ বিপৰীতে এতিয়া ৯২৯ হৈছে।

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত ২১ ডিচেম্বৰ তাৰিখে আয়োজিত মহিলা সবলীকৰণ কাৰ্যক্ৰমত এই কথা ব্যক্ত



- আয়ুস্মান ভাৰত অভিযানৰ অধীনত ৫ লাখ টকা পৰ্যন্ত বিনামূলীয়া চিকিৎসাৰ ক্ষেত্ৰত মহিলাসকল লাভান্বিত হৈছে।
- প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত যিবোৰ ঘৰ প্ৰদান কৰা হৈছে সেইবোৰৰ অধিকাংশই প্ৰথমিকভাৱে মহিলাৰ সুৰক্ষাৰ বাবে প্ৰদান কৰি থকা হৈছে। মুদ্ৰা আঁচনিৰ জৰিয়তে গ্ৰামাঞ্চলৰ উদ্যোগী মহিলাসকল লাভান্বিত হৈছে। মুদ্ৰাৰ অধীনত দিয়া হোৱা মুঠ ঋণৰ ৭০ শতাংশ মহিলাক দিয়া হৈছে।
- দীনদয়াল অন্তোদয়া আঁচনিৰ জৰিয়তে দেশজুৰি মহিলাৰ দ্বাৰা পৰিচালিত আত্মসহায়ক গোট তথা গ্ৰামাঞ্চলৰ সংগঠনবোৰক সংযুক্ত কৰা হৈছে। ৰাষ্ট্ৰীয় আজীৱিকা মিছনৰ অধীনত ২০১৪ চনৰ পূৰ্বে যিমান সাহাৰ্য প্ৰদান কৰা হৈছে সেয়া বিগত ৭টা বছৰত ১৩ গুণ বৃদ্ধি কৰা হৈছে। আত্মসহায়ক গোটে পূৰ্বে লাভ কৰা ১০ লাখৰ পৰিৱৰ্তে বিনা গ্যাৰান্টৰৰ ঋণ এতিয়া ২০ লাখ টকা পৰ্যন্ত দিয়া হৈছে।
- কৰ'না কালত প্ৰতিঘৰৰ খোৱা-বোৱাত যাতে অসুবিধা নহয় তাৰ বাবে সহায় আগবঢ়োৱা হৈছে। মহিলা চহৰাঞ্চলত নিশাৰ ভাগতো কাম কৰিবলৈ সক্ষম হওক তাৰ সুৰক্ষা প্ৰদান কৰা হৈছে, শ্ৰম নীতি সংস্কাৰ কৰা হৈছে।
- সৈনিক স্কুলবোৰত ছাত্ৰীৰ অন্তৰ্ভুক্তিৰ দুৱাৰ এই চৰকাৰে মুকলি কৰিছে। ধৰ্ষণৰ দৰে ঘটনাৰ ক্ষীপ্ৰতাৰে বিচাৰ হওক তাৰ বাবে দেশজুৰি প্ৰায় ৭০০ ফাষ্ট ট্ৰেক আদালত খোলা হৈছে। ইছলাম ধৰ্মালম্বী মহিলাক সবল কৰাৰ বাবে তিনি তালাক প্ৰথা বিলুপ্ত কৰা হৈছে।
- লোকসভাত বাল্য বিবাহ নিষেধ (সংশোধন) বিধেয়ক, ২০২১ সদনৰ মজিয়াত উপস্থাপন কৰা হৈছে। এই অনুসৰি এতিয়া ছোৱালীৰ বিবাহৰ নূন্যতম বয়স ১৮ বছৰৰ পৰিৱৰ্তে ২১ বছৰলৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ লোৱা হৈছে। এতিয়া এই বিধেয়কখন স্থায়ী সমিতিলৈ প্ৰেৰণ কৰা হৈছে।

কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লগতে কয় যে, "কন্যা সন্তান গৰ্ভত থকা সময়ত যাতে মৃত্যুমুখত নপৰে, জন্ম হয় তাৰ বাবে আমি বেটি বচাও, বেটি পঢ়াও অভিযানৰ মাধ্যমত সমাজত সচেতনতা বৃদ্ধিৰ ওপৰত গুৰুত্ব দিছিলোঁ। আজি ইয়াৰ ফলশ্ৰুতিত দেশৰ বিভিন্ন ৰাজ্যত কন্যা সন্তানৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে। কন্যা সন্তানে যাতে পঢ়িবলৈ পায়, স্কুল আধাতে সামৰিবলগীয়া নহয় তাৰ বাবে আমি নিৰন্তৰ কাম কৰিছো আৰু সুকন্যা সমৃদ্ধি আঁচনিৰ জৰিয়তে কন্যা সন্তানৰ স্বপ্নক ডেউকা দিয়াৰ প্ৰচেষ্ট অব্যাহত আছে।" ●

# বিশ্ব পৰ্যটনৰ

## কেন্দ্ৰবিন্দু হোৱাৰ দিশত ভাৰত

*বিবিধতা উপভোগ কৰা বিভিন্ন বেশত, কেইদিনমান থাকি যোৱা ভাৰত দেশত*

স্বাস্থ্য-চিকিৎসাৰ বাবে হওক বা পৰিৱেশ-আধ্যাত্মিকতাৰ বাবে হওক বা আনন্দ তথা মানসিক প্ৰশান্তিৰ বাবে, ভাৰত দেশত পৰ্যটনৰ সকলো উপাদান উপলব্ধ হৈ আছে। পৰ্যটনৰ এই বিভিন্ন স্বৰূপে এখন ৰাষ্ট্ৰক সমৃদ্ধিশালী আৰু গৌৰৱময় কৰি তোলে। কিন্তু এই পৰ্যটনক সফল কৰি তোলাৰ বাবে এটা অতি আৱশ্যকীয় সাধন হৈছে আধুনিক আন্তঃগাঁথনি। ৰেলপথ, পথ পৰিবহন, বিমান পৰিবহন, জল পৰিবহনৰ লগতে হোটেল, চিকিৎসালয়, যোগাযোগৰ বাব শক্তিশালী ইন্টাৰনেট, মোবাইল সেৱা, স্বচ্ছতা, জাৱৰ নিষ্কাশনৰ সুন্দৰ ব্যৱস্থা থকাৰ লগতে বৰ্তমানৰ কোভিড কালত টিকাকৰণৰ সুৰক্ষা চক্ৰ। একবিংশ শতিকাত পৰ্যটন হৈ পৰিছে সকলোতকৈ তীব্ৰ গতি লাভ কৰা এটা খণ্ড আৰু দেশে এই দৃষ্টিকোণ লৈ এই ক্ষেত্ৰত কাম কৰি আছে। ইয়াৰ লগতে ২৫ জানুৱাৰীৰ ৰাষ্ট্ৰীয় পৰ্যটন দিৱসৰ লগত সংগতি ৰাখি ভাৰতে দেশবাসীৰ লগতে বিশ্ববাসীলৈ পৰ্যটনৰ মধুৰতা উপভোগৰ বাবে আহ্বান জনাইছে...









*উড়ান আঁচনিৰ জৰিয়তে বিজয়ৱাড়াৰ পৰা কডাপ্পালৈ এক ঘন্টাৰ বিমান যাত্ৰা কৰা অন্ধ্ৰ প্ৰদেশৰ নাগেন্দ্ৰ ভাৰতীয়ে কয়...*

*"কডাপ্পাৰ পৰা বিজয়ৱাড়ালৈ সন্তানসহ যাত্ৰা কৰাটো যথেষ্ট কষ্টদায়ক আছিল। ঘাইপথৰে এই যাত্ৰা ৮ৰ পৰা ১১ ঘন্টাৰ সময়ৰ প্ৰয়োজন হয়। এতিয়া উড়ান আঁচনিৰ ফলত ইয়াৰ কনকদুৰ্গা মন্দিৰ পৰিয়ালৰ সৈতে দৰ্শন কৰিবলৈ আহিছোঁ। এই উড়ান আঁচনিৰ বাবে কেন্দ্ৰ চৰকাৰক ধন্যবাদ।"*



"ভাৰতবৰ্ষৰ পৰম্পৰা অতুলনীয়। হাজাৰ হাজাৰ বৰ্ষৰ ইতিহাস দেশৰ আছে। এয়া বিশ্বৰ বাবে বিস্ময়কৰ, আমি বিশ্বক আৰু বেলেগকৈ একো দিয়াৰ প্ৰয়োজনীয়তা নাই। আমাৰ পূৰ্বপুৰুষসকলে যি এৰি থৈ গৈছে সেয়া আমি বিশ্বক দেখুৱাব লাগে। ভাৰতৰ পৰ্যটন উদ্যোগক কোনেও ৰখাব নোৱাৰে।"
নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী।

*ৰাষ্ট্ৰসংঘৰ বিশ্ব পৰ্যটন সংগঠনে বিগত ডিচেম্বৰ মাহতে তেলেংগানাৰ পোছমপল্লী গাঁৱক সৰ্বশ্ৰেষ্ঠ পৰ্যটন গাঁও হিচাপে নিৰ্বাচিত কৰি পুৰস্কিত কৰিছিল। এই বঁটা ২০২১ বৰ্ষত স্পেইনৰ মাদ্ৰিদত ৰাষ্ট্ৰসংঘৰ বিশ্ব পৰ্যটন সংগঠনৰ ২৪ সংখ্যক সন্মিলনত প্ৰদান কৰা হয়। পোছমপল্লীৰ বিশেষ হস্ততাঁত শিল্প তথা কলাই প্ৰধানমন্ত্ৰীৰ ভোকেল ফৰ লোকেলৰ মন্ত্ৰৰে আত্মনিৰ্ভৰশীল ভাৰতৰ এটা অংশ হিচাপে বিশেষ পৰিচয় লাভ কৰিছে। এইবাৰৰ ৰাষ্ট্ৰীয় পৰ্যটন দিৱসৰ মুখ্য সমাৰোহ তেলেংগানাৰ পোছমপল্লীত অনুষ্ঠিত হোৱাৰ কথা।*









২০২১ বৰ্ষৰ ডিচেম্বৰৰ প্ৰথম দিনকেইটাত আমেৰিকা যুক্তৰাষ্ট্ৰৰ চিকাগো চহৰৰ ৬৯ বৰ্ষীয় ৱাল্টাৰ ছাইমন আৰু ৮০ বছৰীয়া জনে মধ্যপ্ৰদেশৰ খাজুৰাহুৰ স্থপত্য চাবলৈ আহিছিল। ২০২০ বৰ্ষৰ কোভিড লকডাউনৰ পাছত প্ৰথমবাৰৰ বাবে ১৮ দিনৰ পৰ্যটকৰ ভিছাত ভাৰতত উপস্থিত হোৱা দুয়োগৰাকী পৰ্যটকে কোভিড পৰিস্থিতিৰ মাজত ভাৰতৰ স্থিতি সুৰক্ষিত আৰু উপযুক্ত বুলি অভিহিত কৰে। বয়োজ্যেষ্ঠ দুয়োগৰাকী পৰ্যটকে এই মত পোষণ কৰে যে বয়স পৰ্যটনৰ হেঙাৰ হ'ব নোৱাৰে। যেতিয়ালৈ আপুনি সুস্থ্য তেতিয়ালৈ বিশ্ব ভ্ৰমণ কৰিব লাগে। এই দুয়োগৰাকী ভাৰত চৰকাৰে প্ৰদান কৰা বিনামূলীয়া ভিছা কাৰ্যসূচীৰ মাধ্যমত দেশত উপস্থিত হৈছিল। তেওঁলোকে ভাৰতবৰ্ষক পছন্দৰ ঠাই বুলি অভিহিত কৰে।

আমি জীৱন যাপন কৰাৰ সময়ত কেতবোৰ অনুভূতি লৈ ফুৰো। এই অনুভূতিবোৰে আমাক জীয়াই থকাৰ প্ৰেৰণা দি আহিছে। অনুভূতিবোৰ আমাৰ মনলৈ সাধাৰণতে নতুন ঠাই ভ্ৰমণ কৰিবলৈ যোৱাৰ পাছত সৃষ্টি হয়। নদ-নদী, পাহাৰ-পৰ্বত, ধৰ্মীয় স্থান, নতুন ঠাইৰ পৰা আমাৰ মনত অনুভূতিয়ে স্থান কৰে। পৰ্যটনৰ পৰাহে অনুভূতি লাভ কৰিব পাৰি। আৰু এই পৰ্যটনৰ সৈতে যেতিয়া আধুনিকতা সংযুক্ত হৈ পৰে তেতিয়া কি ধৰণৰ পৰিণাম সম্মুখলৈ আহে সেই ক্ষেত্ৰত ভাৰতীয় পৰ্যটন সাক্ষী হৈ ৰৈছে। উপৰোক্ত তিনিটা উদাহৰণৰ পৰা আপোনালোকে উপলব্ধি কৰিব পাৰিছে যে পৰ্যটনৰ ক্ষেত্ৰত উন্নত যোগাযোগ ব্যৱস্থা, উন্নত আন্তঃগাঁথনিৰ মাধ্যমত ৰাষ্ট্ৰৰ প্ৰতি কিবা এটা কৰাৰ সংকল্প লোৱাৰ পাছত পৰ্যটন খণ্ডই থমকি ৰৱলগীয়া নহয়। কোভিড মহামাৰীয়ে সকলোকে প্ৰভাৱিত কৰিছে। কিন্তু এই নতুন স্বাভাৱিক অৱস্থাত টিকাকৰণে দেশক অৰ্থনৈতিক দিশৰ পৰা পৰ্যটনখণ্ডলৈ প্ৰতিটো খণ্ডত নতুন গতি প্ৰদান কৰিছে। বিশ্বৰ ১৬০খন দেশৰ বাবে ই-ভিছাৰ ব্যৱস্থা কৰি দেশৰ চৰকাৰে পৰ্যটনকখণ্ডক নতুন মাত্ৰা দিছে। বিভিন্ন সংস্থাৰ দ্বাৰা কৰা হোৱা সমীক্ষাৰ পৰা এই কথা জানিব

পাৰি যে বিগত ৭টা বছৰত বিশ্ব পৰ্যটন ৰেংকিঙত ভাৰত ৩৪ নং স্থানলৈ উন্নীত হৈছে। এয়া ২০০৯ৰ পৰা ২০১৩লৈ ৬২ৰ পৰা ৬৫ সংখ্যকতহে আছিল। কেৱল ইমানেই নহয়, পৰ্যটনৰ ক্ষেত্ৰত ভাৰত বিশ্বৰ সপ্তম সৰ্ববৃহৎ অৰ্থব্যৱস্থা হৈ পৰিছে আৰু স্বাস্থ্য পৰ্যটনৰ ক্ষেত্ৰত দেশ বিশ্বৰ তৃতীয় সৰ্বশ্ৰেষ্ঠ হৈ পৰিছে। পৰ্যটনৰ ক্ষেত্ৰত গুজৰাটৰ কেৱড়িয়া সমগ্ৰ চিন্তাৰ কেন্দ্ৰবিন্দু যি আজি পৰ্যটন খণ্ডৰ বাবে অধ্যয়নৰ বিষয় হৈ পৰিছে। (পৃষ্ঠা ২১ত পঢ়ক)

আস্থা-আধ্যত্মিকতা-অধ্যয়নৰ পৰ্যটনখণ্ড হওক বা স্বাস্থ্য-কল্যাণ পৰ্যটন, সাংস্কৃতিক পৰ্যটন, হেৰিটেজ (ঐতিহ্য) পৰ্যটন, ব্যৱসায়িক গতিবিধিৰ পৰ্যটন- ভাৰত বিশ্বৰ অন্যতম আকৰ্ষণীয় পৰ্যটন কেন্দ্ৰ হৈ পৰিছে। কোভিড কালত শূণ্যতাৰে ভৰি পৰা পৰ্যটনস্থলবোৰ এতিয়া ক্ষীপ্ৰ টিকাকৰণ আৰু কোভিডৰবিৰুদ্ধে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপবোৰৰ বাবে এতিয়া পুনৰাই ভিৰ হোৱা পৰিলক্ষিত হৈছে। কোভিডৰ বাবে পৰ্যটনৰ লগতে অন্য অৰ্থনৈতিক খণ্ডবোৰ ক্ষতিগ্ৰস্ত হৈ পৰিছিল কিন্তু কেন্দ্ৰ চৰকাৰে এই ক্ষেত্ৰত বিশেষ পদক্ষেপ গ্ৰহণ কৰি অন্য খণ্ডৰ লগতে পৰ্যটন খণ্ডৰ উন্নয়নৰ বাবেও বিশেষ গুৰুত্ব প্ৰদান কৰে। বিগত বৰ্ষত কেন্দ্ৰ চৰকাৰে জুন মাহত এই কথা ঘোষণা কৰিছিল যে ২০২২ বৰ্ষৰ ৩১ মাৰ্চ পৰ্যন্ত ৫ লাখ বিদেশী পৰ্যটকক বিনামূলীয়া ভিছা দিয়া হ'ব, আৰু এই পৰ্যটন উদ্যোগৰ সৈতে জড়িত হৈ থকা ব্যৱসায়ীক ১০ লাখ টকা পৰ্যন্ত ঋণ চৰকাৰী সাহাৰ্যত দিয়া হৈছে। পঞ্জীয়ন হৈ থকা টুৰিষ্ট গাইডক ১ লাখ টকা পৰ্যন্ত ঋণ দিয়াৰ ব্যৱস্থা কৰা হৈছে। অৱশ্যে কোভিডৰ নতুন উৎপৰিৱৰ্তকৰ প্ৰতি লক্ষ্য ৰাখি বিনামূলীয়া ভিছা প্ৰদান কাৰ্যসূচীক সম্প্ৰসাৰিত কৰাৰ চিন্তা-চৰ্চা কৰি থকা হৈছে। কেন্দ্ৰ চৰকাৰে এইদৰে পৰ্যটন উদ্যোগক সহায় কৰাৰ বাবে লৈ থকা ক্ৰমাগত পদক্ষেপে এই উদ্যোগক যথেষ্ট সহায় কৰিছে। অৱশ্যে এতিয়া পুনৰাই কোভিডৰ নতুন ভেৰিয়েন্ট (উৎপৰিৱৰ্তক) অহাৰ পৰিপ্ৰেক্ষিতত এয়া সাময়িকভাৱে সামান্য লেহেমীয়া হোৱাৰ সম্ভাৱনা আছে কিন্তু কেন্দ্ৰ চৰকাৰৰ পদক্ষেপে মূলত পৰ্যটনৰ বিকাশত গুৰুত্ব দিছে।

ইয়াৰ বাবেই বিশ্বৰ পৰ্যটন মানচিত্ৰত ভাৰত জিলিকি উঠিছে। ই-ভিছা, কনেক্টিভিটী, উড়ানৰ দৰে পদক্ষেপ, পথ পৰিবহনৰ উন্নয়ন, পৰ্যটনস্থলত আন্তঃগাঁথনিৰ উন্নয়ন আৰু বিশ্বৰ সবাতোকৈ



উন্নত আন্তঃগাঁথনি, উন্নত যোগাযোগ ব্যৱস্থাই পৰ্যটন খণ্ডক সহায় কৰে। পৰ্যটন এনে এক খণ্ড যি উদ্যোগে সকলোকে লাভাণ্বিত কৰে। এই চিন্তাৰ আধাৰতে দেশত লোকেল পৰ্যটন ভোকেল হওক তাৰ বাবে কাম কৰি থকা হৈছে।

**নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী।**

## ভিছা সুবিধাৰ ফলত বৃদ্ধি পাইছে বিদেশী পৰ্যটক

- বিদেশী পৰ্যটকৰ বাবে ভাৰত যাত্ৰা সুগম কৰাৰ উদ্দেশ্যৰে কেন্দ্ৰ চৰকাৰে ২০১৪ চনৰ নৱেম্বৰ মাহৰ পৰা ৪৪খন দেশৰ বাবে ই-ভিছাৰ ব্যৱস্থা কৰে। ২০১৮চনত এই সংখ্যা ৪৪ৰ পৰা বৃদ্ধি কৰি ১৬৫ খন দেশ কৰা হৈছে। দেশৰ ২৫ টা বিমানবন্দৰ আৰু ৫টা সাগৰীয় বন্দৰত এই ই-ভিছাৰ ব্যৱস্থা আছে।
- ১ বছৰীয়া ই-টুৰিষ্ট ভিছাৰ লগতে একাধিক আগমনৰ সুবিধাৰে ৫ বছৰৰ বাবে ই-টুৰিষ্ট ভিছাৰ আৰম্ভণি কৰা হৈছে। ইয়াৰ লগতে এমাহত দুবাৰ আগমনৰ সুবিধাৰে ই-টুৰিষ্ট ভিছা, চৰকাৰী/পিএছইউৰ বাবে ই-কনফাৰেন্স ভিছা আৰম্ভ কৰা হৈছে। ভিছাৰ শুল্কও হ্ৰাস কৰা হৈছে।

## বিশ্ব ৰেংকিঙত উৰ্ধলৈ ভাৰত

পৰ্যটন খণ্ডত কেন্দ্ৰ চৰকাৰে গ্ৰহণ কৰি থকা পদক্ষেপৰ ফলত বিশ্ব অৰ্থনৈতিক মঞ্চৰ (ডাব্লিউইএফ) প্ৰতিবেদনত ১৪০খন দেশৰ ভিতৰত ভাৰতৰ স্থান ৩৪ হৈছে।

| ৬৫ | ৫২ | ৪০ | ৩৪ |
|---|---|---|---|
| ২০১৩ | ২০১৫ | ২০১৭ | ২০১৯ |



# কেৱড়িয়া

## পৰ্যটনৰ বিকাশত বিশেষ প্ৰভাৱ

গুজৰাটৰ কেৱড়িয়া কোনো সময়ত কেৱল এক অপৰিচিত স্থান হিচাপে আছিল। কিন্তু আজি বিশ্বৰ মানচিত্ৰত এয়া সকলোৰে পৰিচিত ঠাইলৈ পৰিৱৰ্তিত হৈছে। কেৱড়িয়াৰ এই বিকাশৰ মূল হৈছে ষ্টেচ্যু অৱ ইউনিটীৰ চৰ্দাৰ পেটেলৰ সুবৃহৎ প্ৰতিমূৰ্তি। এয়া এতিয়া আমেৰিকাৰ ষ্টেচ্যু অৱ লিৱাৰ্টীতকৈও অধিক চৰ্চা লাভ কৰিছে। ৰাষ্ট্ৰৰ প্ৰতি সমৰ্পিত হোৱাৰ পাছত এই ঠাইলৈ ৫০ লাখৰো অধিক পৰ্যটক আহিছে। কোভিড কালত এয়া বন্ধ আছিল। কিন্তু ক্ৰমাণ্বয়ে পৰিস্থিতি স্বাভাৱিক হোৱালৈ লক্ষ্য ৰাখি তথা যোগাযোগ ব্যৱস্থাৰ উন্নীতকৰণে এই ঠাইলৈ পৰ্যটকৰ ভিৰ অধিক বৃদ্ধি কৰাৰ লগতে সমগ্ৰ অঞ্চলটোৰ অৰ্থনৈতিক দিশ উন্নত কৰিব বুলি আশা কৰা হৈছে।

- প্ৰথমতে যেতিয়া কেৱড়িয়াৰ নাম প্ৰস্তাৱ কৰা হৈছিল তেতিয়া এই ঠাইক সৈ সকলোৰে সন্দেহ আছিল। অনুন্নত তথা লেহেমীয়া গতিৰ কামৰ মাজত ইয়াত কেনেকৈ সম্ভৱ বুলি সকলোৱে শংকা কৰিছিল। ৰেল-পথ-বিমান কোনো ফালৰ পৰা যোগাযোগ নথকা কেৱড়িয়াৰ এতিয়া ছৱি সম্পূৰ্ণ বিপৰীত।
- এতিয়া কেৱড়িয়াৰ মূল আকৰ্ষণ হৈ পৰিছে চৰ্দাৰ পেটেলৰ ষ্টেচ্যু অৱ ইউনিটী, চৰ্দাৰ সৰোবৰ, চৰ্দাৰ সৰোবৰ প্ৰাণী উদ্যান, বননিকৰণ, জংগল ছাফাৰী আদি বিভিন্ন পৰ্যটনৰ উপাদান।
- নিতৌ বৃদ্ধি পোৱা পৰ্যটকৰ সংখ্যাই সমগ্ৰ অঞ্চলটোৰ সামগ্ৰিক বিকাশ সাধন কৰিছে। স্থানীয় জনজাতীয় লোক ইয়াৰ দ্বাৰা উপকৃত হৈছে, কাম লাভ কৰিছে। স্থানীয় হস্তশিল্পই গুৰুত্ব লাভ কৰিছে। আদিবাসী গ্ৰামাঞ্চলত পৰ্যটকৰ থকাৰ বাবে ব্যৱস্থা লোৱা হৈছে।
- কেৱড়িয়া ৰেল ষ্টেচনকো এইদৰে বিকশিত কৰা হৈছে যে এই ঠাইলৈ অহা সকলো পৰ্যটকে ৰেল ষ্টেচনতে সকলো ঠাইৰ ছৱি দেখিবলৈ পাব।
- একদৰে গুজৰাটৰ কচ্ছ আজি বিশ্ব বিখ্যাত হৈ পৰিছে। কোনো সময়ত সকলোৰে পৰা গুৰুত্ব লাভ নকৰা কচ্ছ আজি বিশ্বৰ পৰিচিত ঠাই হৈ পৰিছে। কচ্ছৰ ৰণ উৎসৱক লৈ সকলো আকৰ্ষিত। প্ৰতিবছৰে ৰণ উৎসৱৰ আগে-পাছে এই ঠাইলৈ ৪-৫ লাখ পৰ্যটক আহে।

জনপ্ৰিয় ৰাজনৈতিক নেতা হিচাপে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভাৱমূৰ্তিয়ে পৰ্যটকক ভাৰতলৈ আমন্ত্ৰিত কৰি আহিছে। প্ৰধানমন্ত্ৰীৰ ছৱি আৰু তেওঁৰ দ্বাৰা আহ্বান জনোৱা (২০১৭চনত) ঐতিহ্যপূৰ্ণ ঠাইৰ দত্তক (Adopt a Heritage) আঁচনিয়ে সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। এতিয়ালৈ ২৯টা ঐতিহ্যপূৰ্ণ ঠাইক কৰ্পোৰেট জগতৰ দ্বিগজসকলে দত্তক লৈছে আৰু এইক্ষেত্ৰত প্ৰয়োজনীয় চুক্তি স্বাক্ষৰিত হোৱাৰ পাছত সেই ঠাইসমূহ পৰ্যটনস্থল হিচাপে উন্নয়ন কৰা হৈছে। নিজৰ বিদেশ ভ্ৰমণৰ সময়তো প্ৰধানমন্ত্ৰীয়ে একাধিকবাৰ ভাৰতীয় বংশোদ্ভৱসকলক সম্বোধন কৰি কয় যে বছৰি তেওঁলোকে অন্ততঃ পাঁচটা অনা-ভাৰতীয় পৰিয়ালক

ভাৰত ভ্ৰমণ কৰিবলৈ প্ৰেৰণা দিয়ক, যাতে পৰ্যটন খণ্ডই বিকাশ লাভ কৰে।

কোভিডৰ সময়ত জনতাৰ স্বাস্থ্য সুৰক্ষাৰ বাবে যি হাৰত কাম হৈছে সেয়া বিশ্বৰ নেতৃত্বই প্ৰশংসা কৰিছে। এই কথাটোৰ বাবেই ব্ৰাণ্ড ইণ্ডিয়াক উৎসাহিত কৰাৰ বাবে ভাৰতে বিশ্বৰ ২০টাৰো অধিক দূতাবাসত পৰ্যটন বিষয়া নিয়োগ কৰিছে। অমৃত মহোৎসৱ উপলক্ষে দেশৰ চৰকাৰে ৭৫টা পৰ্যটনৰ স্থানত বিশ্বস্তৰৰ কৰাৰ বাবে কাম আৰম্ভ কৰিছে। প্ৰধানমন্ত্ৰীয়ে ঘৰুৱা পৰ্যটকৰ সংখ্যা বৃদ্ধি কৰাৰ বাবেও নিজৰ মন কী বাত ৰেডিঅ' অনুষ্ঠানৰ জৰিয়তে এয়া আহ্বান জনাইছে দেশবাসীয়ে বছৰটোত অন্তত ১৫ টা স্থান ভ্ৰমণ কৰক আৰু সেই বিষয়ে লিখি সচেতনতা বৃদ্ধি কৰক। মহাত্মা গান্ধী, লোকমান্য তিলক, স্বামী বিবেকানন্দ আৰু প্ৰয়াত ৰাষ্ট্ৰপতি এপিজে আব্দুল কালামে সমগ্ৰ ভাৰত ভ্ৰমণ কৰিছিল বাবেই দেশক বুজি পোৱাৰ লগতে নিজৰ চিন্তাধাৰা বহল হৈছিল। প্ৰধানমন্ত্ৰীয়ে এক ভাৰত-শ্ৰেষ্ঠ ভাৰতৰ আহ্বানৰে ভাৰতৰ বিবিধতাক এটা সূত্ৰৰে বান্ধি পেলাইছে। অক্টোবৰৰ পৰা মাৰ্চলৈ ভাৰতত পৰ্যটনৰ উপযোগী সময় আৰু সেয়েহে এতিয়া বিভিন্ন স্থানত পৰ্যটকো বৃদ্ধি পাইছে।

এখন উমৈহতীয়া বিকাশৰ ক্ষেত্ৰত পৰ্যটন খণ্ডই বিশেষ সহায় কৰে। এই কাৰণটোৰ বাবে কেন্দ্ৰ বিগত বছৰকেইটাত দেশী-বিদেশী নীতিত সংস্কাৰ সাধন কৰি পৰ্যটন খণ্ডক উৎসাহিত কৰিছে। পৰিৱেশ, পৰিবহন আৰু পৰ্যটক- এইকেইটা ওতপ্ৰোতভাৱে জড়িত হৈ আছে। সেইকাৰণটোৰ বাবে উত্তৰ পূব ভাৰতৰ কথাই হওক বা আস্থাৰ কেন্দ্ৰস্বৰূপ ধৰ্মীয় স্থানবোৰ তথা কাঞ্চনজংঘাৰ দৰে সৰ্বোচ্চ চূড়াৰ আৰু কৈলাস মানসৰোবৰৰ যাত্ৰা- পৰ্যটকৰ যাত্ৰাৰ প্ৰতি গুৰুত্ব দি কেন্দ্ৰ চৰকাৰে পৰিবহন আৰু পৰ্যটনৰ বিকাশৰ ওপৰত সৰ্বাধিক গুৰুত্ব দি আহিছে।

**উন্নত আন্তঃগাঁথনি হৈছে পৰ্যটনৰ মূল বিন্দু**

উন্নত আন্তঃগাঁথনি, উন্নত যোগাযোগ ব্যৱস্থাই পৰ্যটন উদ্যোগটোক বিশেষভাৱে সহায় কৰে। পৰ্যটন হৈছে এনে এটা খণ্ড যি উদ্যোগত সমাজৰ প্ৰতিটো বৰ্গৰ লোক উপকৃত হয়, লাভাণ্বিত হয়। অতি কম বিনিয়োগৰ জৰিয়তে পৰ্যটন উদ্যোগত লাভ অৰ্জন কৰিব পৰা যায়। ইয়াৰ বাবেই কেন্দ্ৰ চৰকাৰৰ উদ্যোগত দেশ এতিয়া লোকেল টুৰিজিমৰ বাবে ভোকেল হৈ পৰিছে। এই ক্ষেত্ৰত কামো হৈ আছে। উড়ান হৈছে এনে এক উন্নত আঁচনি যাৰ জৰিয়তে দেশৰ পৰ্যটন উদ্যোগ বিশেষভাৱে লাভাণ্বিত হৈছে। মাতা বৈষ্ণ দেৱী মন্দিৰ বা কেদাৰনাথ ধাম হেলিকপ্তাৰ সেৱাৰ সৈতে জড়িত হৈ পৰাৰ ফলত ভক্তৰ সমাগত বৃদ্ধি পাইছে। তাৰোপৰি ৰেল যোগাযোগ উন্নত হোৱাৰ ফলত ধৰ্মীয় স্থান ভিৰ ক্ৰমাৎ বৃদ্ধি হৈ গৈ আছে। আন্তঃগাঁথনি উন্নত হোৱাৰ ফলত বিদেশী পৰ্যটকৰ সংখ্যা বৃদ্ধি

## উচ্চ ক্ষমতাসম্পন্ন যোগাযোগৰ ওপৰত বিশেষ গুৰুত্ব

পৰ্যটনৰ বাবে ক্ষীপ্ৰ গতিৰ সংযোগ অপৰিহাৰ্য... আৰু এই দিশত ভাৰতে বিগত ৭ বছৰত অতি দ্ৰুতগতিত কাম কৰিছে। সেয়া লাগিলে পথৰ কথা হওক বা ৰেলপথৰ কথা হওক আৰু বিমানবন্দৰৰ আন্তঃগাঁথনিৰ সহায়ত এতিয়া বিশ্বমানৰ আন্তঃগাঁথনিৰে দেশ আগবাঢ়িছে। ইয়াৰ ফলত পৰ্যটকসকল এতিয়া সকলো ঠাইতে সহজে যাব পৰা হৈছে, যি পূৰ্বতে ভাবিব পৰা হোৱা নাছিল।

**১৩,৩৯৪**
কিঃমিঃ পথ কোভিডৰ সময়তো ২০২০-২১বৰ্ষত নিৰ্মাণ হৈছে।

**১,৩৭,৬২৫**
কিঃমিঃ দৈৰ্ঘৰ ঘাইপথ। ২০১৪ লৈ এয়া ৯১,২৮৭ কিঃমিঃ আছিল।

**৭৫**
খন নতুন বন্দে ভাৰত ৰেল আগন্তুক ২ বছৰত চলোৱা হ'ব।

**৩৭**
কিঃমিঃ প্ৰতিদিনে পথ নিৰ্মাণ কৰি ভাৰতে বিশ্ব ৰেকৰ্ড স্থাপন কৰিছে।

**১১১**
জলপথৰ আৰম্ভণি। ২০১৪লৈ এয়া ৫টা আছিল।

**০২**
লাখ কিঃমিঃলৈ বিস্তৃত হ'ব ৰাষ্ট্ৰীয় ঘাইপথ ২০২৪-২৫লৈ।

**২২০টা**
লৈ বৃদ্ধি পাব বিমানবন্দৰ/ হেলিপোৰ্ট/ৱাটাৰ এয়াৰড্ৰোম ২০২৪-২৫লৈ।



পেলেচ অন হুইলছৰ পাছত মহাৰাজ এক্সপ্ৰেছ, ৰামায়ণ চাৰ্কিটৰ দৰে বিষয়বস্তু আধাৰিত ৰেল সমূহ চলি আছে। দেশৰ প্ৰথমখন বন্দে ভাৰত ৰেল দিল্লীৰ পৰা বেনাৰসলৈ আৰু দ্বিতীয়খন কাটৰাক সংযোগ কৰিবলৈ চলোৱা হৈছিল।



# উড়ানৰ জৰিয়তে পৰ্যটনে ডেউকা লাভ কৰিছে

- এটা সময় আছিল যেতিয়া কেৱল ভাৰতত পৰ্যটনৰ নামত বাছনি কৰা কিছুমান স্থানৰ নামহে উল্লেখ কৰা হৈছিল, কিন্তু ভাৰতৰ দৰে এখন বৈচিত্ৰ্যপূৰ্ণ দেশত এনে একাধিক সুন্দৰ পৰ্যটন স্থান সকলোতে আছে যিবোৰ পৰ্যটনৰ বাবে যথেষ্ট উপযোগী।
- এই সকলোবোৰ ঠাই বছৰ-বছৰ ধৰি অবহেলাৰ সন্মুখীন হৈ আহিছিল আৰু উপেক্ষিত আছিল। এই ঐতিহ্যসমূহ চিনাক্ত কৰিবলৈ আৰু পৰ্যটকৰ সৈতে এই ঠাইবোৰ দূৰত্ব দূৰ কৰাৰ উদ্দেশ্যৰে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা উড়ান আঁচনি আৰম্ভ কৰা হৈছিল।
- পৰ্যটকৰ বাবে বিমানৰ সুবিধা কৰি দি পৰ্যটকৰসকলৰ পৰা সেই সকলো ঠাইৰ দূৰত্ব হ্ৰাস কৰাৰ চেষ্টা কৰা হৈছে যিবোৰ স্থান পূৰ্বতে কেৱল পৰিবহনৰ অসুবিধা আৰু দূৰত্বৰ কাৰণে যাব পৰা হোৱা নাছিল।

কৰ্ণাটকৰ হাম্পি ইয়াৰ এটা উদাহৰণ। ২০১৯চনত এই ঠাইয়ে ভ্ৰমণ কৰিবলগা ৫২ টা শ্ৰেষ্ঠ পৰ্যটনস্থানৰ ভিতৰত দ্বিতীয় স্থান লাভ কৰিছে। কিন্তু এই ঘোষমাৰ সৈতে ইউনেস্কোই এই মন্তব্যও সংযুক্ত কৰে যে এই ঐতিহ্য ক্ষেত্ৰলৈ ভ্ৰমণ কষ্টসাধ্য। কিন্তু এতিয়া কেন্দ্ৰীয় চৰকাৰে উড়ান আঁচনিৰ অধীনত এই ঐতিহ্য ক্ষেত্ৰ বেল্লাৰী আৰু বিদ্যানগৰ বিমানবন্দৰৰ সৈতে সংযোগ কৰা হৈছে। এতিয়া বিদ্যানগৰ বিমানবন্দৰৰ পৰা হাম্পি কেৱল মাত্ৰ ৪০ কিলোমিটাৰ দূৰত্বত অৱস্থিত। ছিকিমৰ পাকয়ং বিমানবন্দৰটোও একে ধৰণৰ উদাহৰণ।

- উড়ান আঁচনিৰ অধীনত তৃতীয় পৰ্যায়ত ২৯ আৰু চতুৰ্থ পৰ্যায়ত ৩৪টা নতুন বিমান পথ আৰম্ভ কৰা হৈছে। এতিয়া উত্তৰাখণ্ডৰ পন্তনগৰ, পিথোৰাগড় হওক বা উত্তৰ প্ৰদেশৰ কুশীনগৰ বা অৰুণাচলৰ পাঁচিঘাট বা অন্ধ্ৰ প্ৰদেশৰ কৰ্নুল... উড়ানৰ বাবে পৰ্যটনে ডেউকা লাভ কৰিছে।

পাবলৈ ধৰিছে। শেহতীয়াকৈ দিল্লীৰ নিকটৱৰ্তী জেৱৰত শিলান্যাস হোৱা আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ পদক্ষেপে বিদেশী পৰ্যটকক অধিক আকৰ্ষিত কৰিব। অযোধ্যত বিমান বন্দৰ স্থাপন কৰাৰ পোষকতা তথা কুশীনগৰত ইতিমধ্যে আৰম্ভ হোৱা আন্তৰ্জাতিক বিমানবন্দৰ দেশী-বিদেশী পৰ্যটকৰ বাবে সুবিধাজনক হৈ পৰিছে। উন্নত যোগাযোগ ব্যৱস্থাই জীৱন আৰু আজীৱিকাত কিদৰে ধনাত্মক প্ৰভাৱ পেলায় সেই কথা কোভিড কালৰ অভিজ্ঞতাৰ পৰা উপলব্ধি কৰিব পাৰি। ৰেল-বিমান-পথ তথা ইন্টাৰনেটৰ যোগাযোগে জনতাৰ জীৱনৰ মান

সলনি কৰি আছে। আৰু ইয়াৰ ফলত পৰ্যটন খণ্ডও বিকশিত হৈ আছে। উন্নত যোগাযোগৰ ফলত দেশীয় কৃষকসকল উপকৃত হোৱাৰ লগতে সেই ঠাইত ঘৰুৱা পৰ্যটকৰ সংখ্যাবৃদ্ধিয়ে অৰ্থনীতিত সহায় কৰি আহিছে। ইন্টাৰনেটৰ সহজলভ্যতাৰ ফলত আজি দেশৰ গ্ৰামাঞ্চলৰ লোকে নিজৰ ঠাইখনৰ সৌন্দৰ্য্যৰ কথা বিশ্বক ইন্টাৰনেটৰ মাধ্যমত জনাব পাৰিছে। পৰ্যটনক অধিক বিকশিত কৰিবলৈ দেশত ৭১টা লাইট হাউছ চিনাক্ত কৰা হৈছে। এই লাইট হাউছবোৰত সম্ভাৱনা অনুসৰি সংগ্ৰহালয়, থিয়েটাৰ, কেফেটেৰিয়া, শিশু উদ্যান আদি আৰম্ভ কৰাৰ পৰিকল্পনা কৰা হৈছে। দেশৰ বন্দৰবোৰতো ২০২৩চনৰ ভিতৰত সাগৰীয় পৰ্যটন খণ্ডক উন্নীত কৰাৰ পৰিকল্পনা হাতত লোৱা হৈছে।

গোৱাত পৰ্যটনখণ্ডক অধিক বিকশিত কৰাৰ বাবে বিভিন্ন আন্তঃগাঁথনিমূলক পদক্ষেপ গ্ৰহণ কৰা হৈছে। মাছমৰীয়া, কৃষক আৰু অন্য লোকৰ সুবিধাৰ্থে আন্তঃগাঁথনিৰ বিকাশ সাধন কৰা হৈছে। মোপাত গ্ৰীণফিল্ড বিমানবন্দৰ অতিশীঘ্ৰে নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিব। এই বিমান বন্দৰক সংযুক্ত কৰাৰ বাবে ৬টা পথযুক্ত ১২ হাজাৰ কোটি টকীয়া ঘাইপথ প্ৰকল্পৰ কাম চলিব ধৰিছে। বিগত কেইটামান বৰ্ষত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ ক্ষেত্ৰতো বিশেষ পদক্ষেপ গ্ৰহণ কৰি অহা হৈছে।

২০১৪ চনত দেশৰ তীৰ্থস্থানসমূহত দৰ্শনাৰ্থীৰ সুবিধাৰ্থে প্ৰসাদ আঁচনি আৰম্ভ কৰা হৈছিল। এই আঁচনিৰ জৰিয়তে দেশৰ প্ৰায় ৪০টা তীৰ্থস্থানৰ বিকাশ সাধন কৰা হৈছে। ইয়াৰে ১৫টা প্ৰকল্পৰ কাম ইতিমধ্যে সমাপ্ত হৈছে। গুজৰাটতো ১০০ কোটি টকাৰ বিনিয়োগেৰে ৩ টা প্ৰকল্পৰ কাম চলিব ধৰিছে। গুজৰাটৰ সোমনাথ মন্দিৰৰ লগতে অন্য পৰ্যটনৰ স্থান সংযোগ কৰাৰ বাবে যোগাযোগৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে। ইয়াৰ আঁৰৰ চিন্তা এয়াই যে পৰ্যটক যদিহে এটা স্থানলৈ আহিছে তেন্তে সুবিধাবোৰ থাকিলে অন্য স্থানবোৰো দৰ্শন নিশ্চয়কৈ কৰিব। এই শৃংখলাতে দেশৰ ১৯টা প্ৰসিদ্ধ পৰ্যটন কেন্দ্ৰক চিনাক্ত কৰি উন্নয়ন সাধন কৰা হৈছে। ১৫ টা থীম চাৰ্কিটত ৭৬টা খণ্ডক অন্তৰ্ভুক্ত কৰি কেন্দ্ৰ চৰকাৰে দেশৰ ৯০ৰো অধিক পৰ্যটন স্থানক সংযোগ কৰাৰ সিদ্ধান্ত লৈছে। ইয়াৰ ভিতৰত ৩৫টা স্থানত ইতিমধ্যে কাম সম্পূৰ্ণ হৈছে আৰু অন্য ১৫টা স্থানত ৮০ শতাংশ কাম হৈছে। আন্তৰ্জাতিক পৰ্যটকক উৎসাহিত কৰাৰ বাবে আজি বৈদেশিক নীতিত সালসলনি ঘটোৱা হৈছে। ই-ভিছা আৰু ভিছা অন এৰাইভেল আদিৰ দৰে পদক্ষেপৰ লগতে ভিছাৰ মাচুল কম কৰাৰ আদি অনেক সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। পৰ্যটন উদ্যোগত হস্পিটেলিটীৰ জিএছটি হ্ৰাস কৰা হৈছে। দুঃসাহসিক পৰ্যটনৰ ওপৰত গুৰুত্ব দি ১৩৭টা পৰ্বতৰ চূড়াত ট্ৰেকিঙৰ ব্যৱস্থা কৰা হৈছে। বিশ্বৰ পৰ্যটকৰ পছন্দ-অপছন্দৰ ওপৰত ভিত্তি কৰি মেপিং কৰি ভাৰতে পৰ্যটন উদ্যোগক বিকশিত কৰাৰ বাবে নিৰন্তৰ প্ৰয়াস অব্যাহত ৰাখিছে।



পৰ্যটন উদ্যোগৰ বৃদ্ধিয়ে দেশৰ দুখীয়া শ্ৰেণীক সৰ্বাধিক লাভান্বিত কৰে। যেতিয়া বিদেশী পৰ্যটক আহে তেতিয়া তেওঁলোকে ইয়াত খৰচ কৰে। ২০১৪ চনটোত ভাৰতীয় লোকে বিদেশী মুদ্ৰাৰ ৰূপত ১ লাখ ২০ হাজাৰ কোটি টকা আয় কৰিছিল। সেয়া ২০১৮-১৯ চনত ২ লাখ কোটিলৈ বৃদ্ধি পাইছিল।
**- নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী।**

**সাংস্কৃতিক-আধ্যাত্মিক পৰ্যটনঃ**
**ভাৰতীয় পৰম্পৰাৰ বাহক**

আজি সমগ্ৰ বিশ্বই ভাৰতীয় যোগ শিক্ষা তথা ভাৰতীয় আধ্যাত্মিকতাৰ সৈতে সংপৃক্ত হোৱাৰ বাবে ইচ্ছুক হৈ পৰিছে। সেয়েহে সাংস্কৃতিক আৰু আধ্যাত্মিক পৰ্যটনৰ দিশৰ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সম্ভাৱনীয়তা আছে। এই সম্ভাৱনাবোৰক আকাৰ দিয়াৰ বাবেই দেশে কেৱল আন্তঃগাঁথনি নিৰ্মাণৰ ক্ষেত্ৰতেই গুৰুত্ব দিয়া নাই বৰঞ্চ পৌৰাণিক গৌৰৱগাঁথাক পুনৰুজ্জীৱিত কৰাৰ বাবে অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে। ৰামায়ণ চাৰ্কিটৰ মাধ্যমত সমগ্ৰ দেশত ৰামৰ সৈতে জড়িত হৈ থকা ঠাইসমূহৰ মাজত সমণ্বয়-যোগাযোগ শক্তিশালী কৰা হৈছে যাতে বিভিন্ন ঠাইবোৰ পৰিভ্ৰমণ কৰি ভগৱান ৰামৰ

# সাংস্কৃতিক পৰ্যটনৰ শ্ৰীবৃদ্ধি

## কাশী বিশ্বনাথ কৰিডৰ

**৮০০** কোটি টকাৰ ব্যয়ৰে বিশ্বনাথ কৰিডৰ প্ৰকল্প ২০১৯ত আৰম্ভ।



৫ লাখ বৰ্গফুটত নিৰ্মীত কৰিডৰৰ প্ৰথম পৰ্যায় আৰম্ভ কৰা হৈছে।



৪৩ অন্য মন্দিৰো নিৰ্মাণ, কাশীৰ নতুন ৰূপ।









## সোমনাথ মন্দিৰ

**০৩** গুৰুত্বপূৰ্ণ প্ৰকল্পৰ উদ্বোধন কৰা হৈছে।

## ৰাম মন্দিৰ পুনঃনিৰ্মাণ

২০২০চনৰ আগষ্ট মাহত প্ৰধানমন্ত্ৰীয়ে ৰাম মন্দিৰৰ শিলান্যাস কৰিছে। ২০২৫লৈ সম্পূৰ্ণ।

## শীতলনাথ মন্দিৰ

কাশ্মীৰত ৩১ বছৰৰ পাছত ২০২১ৰ ফেব্ৰুৱাৰীত শীতলনাথ মন্দিৰ খোলা হৈছে। ৩৭০ৰ বিলুপ্তিৰ পাছত এই মন্দিৰ পুনৰুদ্ধাৰ।

## কেদাৰনাথ ধাম

দেশৰ প্ৰধানমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰাৰ পাছত প্ৰধানমন্ত্ৰীয়ে নিজে পাঁচবাৰ কেদাৰনাথ ভ্ৰমণ কৰিছে। ২০১৩চনৰ প্ৰাকৃতিক দুৰ্যোগে বিধ্বস্ত কৰা কেদাৰনাথ মন্দিৰ পুনৰ নতুন কৰা হৈছে।

## স্বদেশ দৰ্শনৰ

**পৰা ভাৰতৰ বৈচিত্ৰ্যক সজোৱাৰ বাবে পদক্ষেপ**

ভাৰতৰ সমৃদ্ধিশালী সাংস্কৃতিক, ঐতিহাসিক, পৰ্যটনৰ ধৰ্মীয় আৰু প্ৰাকৃতিক ঐতিহ্যত উন্নয়ন আৰু নিয়োগ সৃষ্টিৰ বিশাল সম্ভাৱনা আছে। এই তথ্যৰ সহায়ত ২০১৫চনত স্বদেশ দৰ্শন আঁচনি আৰম্ভ কৰা হৈছিল। এই আঁচনিখনৰ অধীনত ভাৰতত ১৫ টা বিষয় আধাৰিত চাৰ্কিটৰ বিকাশ সাধনৰ কাম আৰম্ভ কৰা হৈছিল।

- বৌদ্ধ চাৰ্কিট
- ৰামায়ণ চাৰ্কিট
- কৃষ্ণ চাৰ্কিট
- পূব চাৰ্কিট
- হিমালয় চাৰ্কিট
- উপকূলীয় চাৰ্কিট
- মৰুভূমি চাৰ্কিট
- জনজাতীয় চাৰ্কিট
- ইকো চাৰ্কিট
- বন্য জীৱ-জন্তু চাৰ্কিট
- আধ্যাত্মিক চাৰ্কিট
- গ্ৰামীণ চাৰ্কিট
- হেৰিটেজ চাৰ্কিট
- তীৰ্থ চাৰ্কিট
- চুফী চাৰ্কিট।

আঁচনিখন আৰম্ভ হোৱাৰ পিছত এই চাৰ্কিটবোৰৰ বিকাশৰ বাবে প্ৰায় ৫৭০০ কোটি টকাৰ মুঠ ৭৮টা প্ৰকল্প অনুমোদিত হৈছে। ২০২০ৰ ডিচেম্বৰৰ ভিতৰত ৪২০০ কোটি আৰু অধিক মুকলি কৰা হৈছে।

মহত্ব উপলব্ধি কৰিব পৰা যায়। একেদৰে বৌদ্ধ চাৰ্কিটৰ সহায়ত সমগ্ৰ বিশ্বৰ বৌদ্ধ ধৰ্মালম্বীলোকসকলক আকৰ্ষিত কৰা হৈছে। অযোধ্যত ৰাম মন্দিৰৰ লগে লগে আধ্যত্মিকতাৰ বিশ্ব কেন্দ্ৰ তথা স্মাৰ্ট চহৰৰ ৰূপত বিকশিত কৰা হৈছে। বিগত কেইটামান বছৰত দেশৰ বিভিন্ন প্ৰান্তত আস্থাৰ সৈতে জড়িত হৈ থকা ধৰ্মীয় স্থানসমূহ, পৌৰাণিক কীৰ্তিচিহ্নবোৰ, সংস্কৃতিৰ সৈতে জড়িত হৈ থকা স্মাৰকবোৰ উন্নত কৰি থকা হৈছে, এইবোৰৰ মূল লক্ষ্য হৈছে পৰ্যটন উদ্যোগক টনকিয়াল কৰা। উত্তৰ প্ৰদেশতো পৰ্যটনৰ পূৰ্ণ সম্ভাৱনা আছে, এই কথা উপলব্ধি কৰিয়েই চৰকাৰে ভগৱান ৰামৰ জন্মস্থান হওক বা শ্ৰীকৃষ্ণৰ জন্মস্থান বৃন্দাবন, ভগৱান বুদ্ধৰ সাৰনাথ, তথা কাশী বিশ্বনাথ, সন্ত কবীৰৰ ধাম, সন্ত ৰবিদাসৰ জন্মস্থানৰ আধুনিকীকৰণ, সম্পূৰ্ণ প্ৰদেশত পৰ্যটনৰ বিকাশৰ বাবে কাম কৰি থকা হৈছে। অযোধ্যা, চিত্ৰকূট, বৃন্দাবন, গোৱৰ্ধন, কুশীনগৰ, শ্ৰাৱস্তী আদিবোৰৰ ধৰ্মীয় গুৰুত্ব আছে সেয়েগে ৰামায়ণী চাৰ্কিট, আধ্যাত্মিক চাৰ্কিট, বৌদ্ধ চাৰ্কিটৰ বিকাশ সাধন কৰা হৈছে। দেশত পূৰ্বৰে পৰা চাৰিধামৰ যাত্ৰাৰ গুৰুত্ব আছে, দ্বাদশ জ্যোতিলিংগৰ দৰ্শন, শক্তিপীঠবোৰৰ দৰ্শন, অষ্টবিনায়কৰ দৰ্শনক প্ৰতিজন নাগৰিকে জীৱনৰ অংশ বুলি অভিহিত কৰি দৰ্শন কৰাৰ প্ৰচেষ্ট হাতত লয়। এই তীৰ্থস্থানবোৰ কেৱল পৰ্যটনৰ দিশতেই ভাৰতৰ প্ৰতিটো প্ৰান্তৰ লোকক সংযুক্ত কৰাৰ এক আহিলা হিচাপেও বিবেচিত হৈ আহিছে। এই কথাবোৰৰ ওপৰত গুৰুত্ব দি অলপতে উত্তৰাখণ্ডৰ কেদাৰনাথ ধামত পৰ্যটকৰ সুবিধাৰ বাবে কেন্দ্ৰ স্থাপন কৰা হৈছে, উন্নত চিকিৎসালয় তথা বিভিন্ন সুবিধা দৰ্শনাৰ্থীৰ বাবে কৰা হৈছে। চাৰিধাম পথ পৰিবহনৰ ওপৰত ক্ষীপ্ৰতাৰে কাম আৰম্ভ হৈছে, ঘাইপথৰে সংযুক্ত কৰা হৈছে। ভৱিষ্যতে কেদাৰনাথ ধামলৈ ব্যক্তিগত গাড়ীত দৰ্শনাৰ্থী আহিব পাৰে তাৰ বাবে কাম চলি আছে। পবিত্ৰ হেমকুণ্ড চাহিবৰ দৰ্শন সহজ হৈ পৰক তাৰ বাবে ৰোপ-ৱেৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ উপৰি ঋষিকেশ আৰু কৰ্ণপ্ৰয়াগক ৰেলেৰে যোগাযোগ কৰাৰ বাবে পদক্ষেপ লোৱা হৈছে।

অলপতে গুজৰাটৰ সোমনাথ মন্দিৰক পুনৰাই উজ্জীৱিত কৰাৰ পদক্ষেপে ফল লাভ কৰিছে। এতিয়া সোমনাথ মন্দিৰৰ পৰিসৰত থকা সাগৰ দৰ্শন, প্ৰদৰ্শনী, বজাৰ আদিবোৰে পৰ্যটকক আকৰ্ষিত কৰিছে। ইয়াৰ ফলত নতুন সুবিধা তথা কৰ্মসংস্থাপন বৃদ্ধি পাইছে।





কোভিডৰ পাছৰ
পৰা এয়া মহত্বপূৰ্ণ হৈ পৰিছে।
আপোনালোকে এয়া নিশ্চিত ভাৱে মন
কৰিছে যে যি ঠাইত টিকাকৰণ বেছি হৈছে সেই
ঠাইত পৰ্যটক যাবলৈ সুৰক্ষিত অনুভৱ কৰিব।
হিমাচল প্ৰদেশ হওক বা ছিকিম হওক বা গোৱা,
আমাৰ দেশৰ পৰ্যটনস্থলীত টিকাকৰণৰ ওপৰত বিশেষ
গুৰুত্ব দিয়া হৈছে। আন্দামান নিকোবৰতো টিকাকৰণ
ক্ষীপ্ৰতাৰে কৰা হৈছে। এই কাৰ্যই পৰ্যটকৰ মনত
বিশ্বাসৰ ভাৱ সৃষ্টি কৰিব।

**নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী।**

স্বাধীনতাৰ অমৃত মহোৎসৱ উপলক্ষে দেশৰ বিভিন্ন স্থানত ১০টা জনজাতীয় সংগ্ৰহালয় স্থাপন কৰা হৈছে। ইয়াৰ জৰিয়তে জনজাতীয় গৌৰৱ গাঁথা তথা সংস্কৃতিৰ প্ৰচাৰ কৰা হৈছে। অলপতে ৰাঁচীত ভগৱান বীৰছা মুণ্ডাৰ স্মৃতিত সংগ্ৰহালয়ৰ আৰম্ভণি কৰা হৈছে আৰু অতি শীঘ্ৰে গুজৰাটৰ ৰাজপীপলা, অন্ধ্ৰ প্ৰদেশৰ লাংবাসিংগী, ছত্তিশগড়ৰ ৰায়পুৰ,







# বিশ্ব পৰ্যটন: ভাৰতৰ ১৯টা প্ৰসিদ্ধ পৰিচয়

- এখন দেশৰ পৰ্যটন স্থানসমূহে পৃথিৱীত ইয়াৰ পৰিচয় প্ৰতিষ্ঠা কৰিছে। বিশ্বৰ পৰ্যটন মানচিত্ৰত ভাৰতৰ পৰিচয় হৈছে এনে ১৯টা পৰ্যটন স্থান। এইবোৰৰ বিকাশ সাধন কৰি প্ৰসিদ্ধ ঐতিহ্য স্থান হিচাপে প্ৰতিষ্ঠা কৰা হৈছে।
- কেন্দ্ৰীয় চৰকাৰৰ এই আঁচনি ৰাজ্য চৰকাৰ, স্থানীয় সংস্থাসমূহৰ সহায়ত সম্পূৰ্ণ কৰা হৈছে। গন্তব্যস্থানলৈ সংযোগ সম্পৰ্কীয় সমস্যাসমূহ সামগ্ৰিক ধৰণে, ছাইটত (ঐতিহ্য স্থানত) পৰ্যটকৰ বাবে ভাল সুবিধা/ সুবিধাসমূহ প্ৰদান কৰি নাইকীয়া কৰা হৈছে। ইয়াৰ লগতে স্থানীয় সম্প্ৰদায়ৰ অংশগ্ৰহণ, অভিজ্ঞতা, দক্ষতা বিকাশ আৰু ব্যক্তিগত বিনিয়োগৰ প্ৰচাৰৰ মাধ্যমত ঐতিহ্য ক্ষেত্ৰৰ উন্নয়ন সম্ভৱ কৰি তোলা হৈছে।
- আগ্ৰাৰ তাজমহল, মহাৰাষ্ট্ৰৰ অজন্তা-ইলোৰা গুহাৰ পৰা দিল্লীৰ কুতুব মিনাৰলৈকে এই ১৯টা স্থানৰ ভিতৰত আছে।

*কোভিড কালত পৰ্যটন খণ্ড সৰ্বাধিক প্ৰভাৱিত গতিকে অংশীদাৰসকলৰ পৰা আৰম্ভ কৰি গাইডলৈ সকলোকে সহায় প্ৰদান কৰা হয়।*

কেৰেলাৰ কোঝিকোড, মধ্যপ্ৰদেশৰ ছিন্দৱাড়া, তেলেংগানাৰ হায়দৰাবাদ, মণিপুৰৰ তামেংলং, মিজোৰাম আৰু গোৱাত এনে সংগ্ৰাহলয় স্থাপন কৰা হ'ব। এই সংগ্ৰহালয়বোৰৰ মাধ্যমত দেশৰ নৱ প্ৰজন্ম আদিবাসী (জনজাতীয়) ইতিহাসৰ সৈতে পৰিচয় লাভ কৰিব আৰু লগতে পৰ্যটনখণ্ডৰ উন্নয়ন সম্ভৱ হৈ পৰিব। একেদৰে উত্তৰ প্ৰদেশত ৰজা সুহেলদেৱৰ ৪০ ফুট উচ্চতাৰ প্ৰতিমূৰ্তিয়ে পৰ্যটকক আকৰ্ষিত কৰিব আৰু তেওঁ জীৱনৰ সৈতে পৰিচয় কৰাব। এই ঠাইত লোৱা হোৱা অন্য কেতবোৰ পদক্ষেপে পৰ্যটকক আকৰ্ষিত কৰিব। মুঠৰ ওপৰত এই পদক্ষেপবোৰে উত্তৰ প্ৰদেশৰ বাহৰাইছৰ গুৰুত্ব পৰ্যটন মেপত উজ্জ্বল কৰি তুলিব।

**স্বাস্থ্য-কল্যাণ পৰ্যটনত নতুন মাত্ৰা**

কেতবোৰে লোকে এই কথাটো চিন্তা কৰি চাব



পাৰে যে স্বাস্থ্য খণ্ডৰ সৈতে পৰ্যটনৰ কি সম্পৰ্ক কিন্তু স্বাস্থ্যখণ্ডৰ সৈতে পৰ্যটনৰ সম্পৰ্ক নিবিড়। কিয়নো কোনো এখন দেশৰ স্বাস্থ্য খণ্ড শক্তিশালী হৈ উঠিলে সেই দেশলৈ অনেক লোকৰ আগমন হয়। এই আগমনে পৰ্যটন খণ্ডক শক্তিশালী কৰে। বাণিজ্য সংস্থা ফিকিৰ এক প্ৰতিবেদনমতে বিশ্বৰ মেডিকেল টুৰিজিমত ভাৰতৰ অংশ প্ৰায় ২০ শতাংশ। ইউৰোপ আৰু আমেৰিকাৰ তুলনাত ভাৰতত ৫০ শতাংশ সস্তীয়া চিকিৎসা উপলব্ধ, কেন্দ্ৰ চৰকাৰে এই দিশত ক্ৰমাগতভাৱে গুৰুত্ব দি অহাৰ ফলশ্ৰুতিত ২০১৪ চনৰ পাছৰ পৰাই কোভিড কাল অহাৰ আগলৈ দেশৰ মেডিকেল পৰ্যটনৰ সংখ্য ৩৫০ শতাংশ আছিল। ২০১৪ চনটোত ইয়াৰ পৰা হোৱা আয়ৰ পৰিমাণ ১.২৩ লাখ কোটি টকা আছিল, ২০১৯ত এয়া ২.১০ লাখ কোটি টকালৈ বৃদ্ধি পাইছিল। অৰ্থাৎ যিবোৰ ঠাইত স্বাস্থ্য আন্তঃগাঁথনি উন্নত হৈ পৰিব সেইবোৰ ঠাইত পৰ্যটনৰ সম্ভাৱনা অধিক বৃদ্ধি পাব।

স্বাস্থ্য পৰ্যটনৰ গুণগত মানৰ হিচাপত আজি ভাৰতবৰ্ষ বিশ্বৰ তিনিখন বৃহৎ ৰাষ্ট্ৰৰ এখন হয়। স্বাস্থ্য-কল্যাণ পৰ্যটনৰ মূল বিন্দু হৈছে বেমাৰৰ চিকিৎসা প্ৰদান আৰু শুশ্ৰূষা। ইয়াৰ সকলোতকৈ গুৰুত্বপূৰ্ণ অংগ হৈছে আয়ুৰ্বেদ আৰু পৰম্পৰাগত চিকিৎসা পদ্ধতি। ভাৰতত এই ক্ষেত্ৰত কাম কৰি আয়ুৰ্বেদ আৰু পৰম্পৰাগত চিকিৎসা ব্যৱস্থাক উন্নত কৰাৰ বাবে বিভিন্ন পদক্ষেপ আয়ুষ মন্ত্ৰণালয়ৰ মাধ্যমত কৰি থকা হৈছে। কেৰেলাৰ আয়ুৰ্বেদ, উত্তৰাখণ্ড-হিমাচলত পৰম্পৰাগত চিকিৎসাৰ লাভ লোৱা তথা যোগাভ্যাসে কল্যাণ পৰ্যটনৰ মাত্ৰা বৃদ্ধি কৰি আহিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্বাস্থ্য-কল্যাণ পৰ্যটন সম্পৰ্কত এইদৰে কয়, "যদিহে আপুনি আপোনাৰ জীৱন প্ৰণালীৰ জৰিয়তে জীৱন যাপনৰ ক্ষেত্ৰত অসুবিধাত পৰিছে তেন্তে এয়া বুজি লওক যে আপোনাৰ পৌৰাণিক ভাৰতীয় সংস্কৃতিক আঁকোৱালি লোৱাৰ সময় আহি পৰিছে। যেতিয়াই আপুনি মন তথা শৰীৰৰ চিকিৎসা কৰাব বিচাৰে তেতিয়া আপোনালোক ভাৰতলৈ আহক।" এই ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰি কেন্দ্ৰ চৰকাৰে ৰাষ্ট্ৰীয় আয়ুষ মিছন আৰম্ভ কৰিছে। আয়ুৰ্বেদ তথা অন্য পৰম্পৰাগত চিকিৎসা পদ্ধতি পূৰ্বৰে পৰা বিশ্ব স্বাস্থ্য সংগঠনৰ পৰম্পৰাগত চিকিৎসা ৰণনীতি ২০১৪-২০২৩ৰ অনুৰূপ হয়। দুই ভাৰতত পৰম্পৰাগত চিকিৎসাৰ বিশ্বস্তৰীয় কেন্দ্ৰ স্থাপন কৰাৰ কথা ঘোষণা কৰিছে। এতিয়া বিভিন্ন দেশৰ

## প্ৰসাদ আঁচনিৰ পৰা আন্তঃগাঁথনিৰ বিকাশ

- তীৰ্থযাত্ৰা পুনৰুজ্জীৱিতকৰণ আৰু আধ্যাত্মিক প্ৰচাৰ অভিযান (প্ৰসাদ) হৈছে এক ৰাষ্ট্ৰীয় অভিযান, এই আঁচনি পৰ্যটন মন্ত্ৰালয়ে গ্ৰহণ কৰিছে। ২০১৪-১৫ বৰ্ষত এয়া আৰম্ভ কৰা হৈছে। এই আঁচনিখনৰ অধীনত ১০০ শতাংশ কেন্দ্ৰীয়ভাৱে পুঁজি যোগান ধৰা হয়।
- এই পৰিকল্পনাই ধৰ্মীয় পৰ্যটনৰ অভিজ্ঞতাক সমৃদ্ধ কৰি সমগ্ৰ দেশৰ তীৰ্থস্থান চিনাক্ত আৰু বিকশিত কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। ইয়াৰ মূল উদ্দেশ্য হৈছে সম্পূৰ্ণ ধৰ্মীয় পৰ্যটনৰ অভিজ্ঞতা প্ৰদান কৰা আৰু লগতে প্ৰাথমিকতা প্ৰদান কৰি তীৰ্থস্থানসমূহৰ সংঘবদ্ধ বিকাশ কৰা।
- পথ, ৰেল, জলপথ টাৰ্মিনেল, ম'বাইল-ইণ্টাৰনেট সংযোগ, শৌচালয়, ক্ৰাফ্ট বজাৰ, এটিএম, ধন এক্সচেঞ্জ কাউণ্টাৰৰ দৰে মৌলিক সুবিধাৰ বিকাশ এই আঁচনিৰ জৰিয়তে কৰা হৈছে।



**৫৭টা** | *স্থান ইয়াত অন্তৰ্ভুক্ত হৈ আছে, ২৭ ৰাজ্য/ কেন্দ্ৰীয় অঞ্চলত।*

***২৪খন ৰাজ্যত প্ৰায় ১১৬০ কোটি টকাৰ ব্যয় সাপেক্ষে ৩৬টা পৰিকল্পনাৰ ওপৰত কাম আৰম্ভ হৈছে।***







## ভাৰতত ২০১৬ৰ পৰা ২০২০লৈ মেডিকেল পৰ্যটনৰ বাবে অহা পৰ্যটকৰ সংখ্যা




সংখ্যা লাখত। *কোভিডৰ সময়

## বৰ্ধিত পৰ্যটন উদ্যোগত ভাৰতৰ ভূমিকা

কোভিডৰ পূৰ্বে বিশ্বব্যাপী পৰ্যটন বজাৰ "বিশ্ব পৰ্যটন আৰু ভ্ৰমণ পৰিষদৰ" এখন প্ৰতিবেদন অনুসৰি বাৰ্ষিক ৩.৫% হাৰত বৃদ্ধি হৈ আছিল। বিশ্বৰ জিডিপিত ইয়াৰ অৱিহনা আছিল ৮.৯ ট্ৰিলিয়ন ডলাৰ আৰু ৩৩০ নিযুত লোকে কৰ্মসংস্থাপন লাভ কৰিছিল। পৰ্যটন উদ্যোগে ভাৰতত ৮৭.৫ নিযুত লোকক নিযুক্তি দি আহিছে আৰু জিডিপিত ইয়াৰ অংশ হৈছে ১৯৪ বিলিয়ন ডলাৰ।

## ১৩৭টা পৰ্বতৰ চূড়াত ট্ৰেকিঙৰ সুবিধা

পৰ্বতাৰোহণ ভিছা পাবলৈ আগ্ৰহী বিদেশীসকলৰ বাবে ২০১৯ চনত কেন্দ্ৰীয় চৰকাৰে ট্ৰেকিঙৰ বাবে ১৩৭টা শৃংগ মুকলি কৰি দিয়া হৈছে। এই শৃংগবোৰ জম্মু আৰু কাশ্মীৰ, হিমাচল প্ৰদেশ, উত্তৰাখণ্ড আৰু ছিকিমত অৱস্থিত। বিদেশী পৰ্বতাৰোহীৰ বাবে উত্তৰাখণ্ডৰ সৰ্বমুঠ ৫১টা শৃংগ/চূড়া মুকলি কৰা হৈছে। এই তালিকাত জম্মু আৰু কাশ্মীৰৰ ১৫টা পৰ্বতৰ শৃংগ অন্তৰ্ভুক্ত কৰা হৈছে। এই পদক্ষেপে দেশত দুঃসাহসিক পৰ্যটনৰ প্ৰচাৰৰ দিশত সহায় কৰিছে।

পৰা শিক্ষাৰ্থীয়ে পৰম্পৰাগত চিকিৎসা আৰু আয়ুৰ্বেদ শিক্ষাৰ বাবে ভাৰতলৈ আহিব ধৰিছে।

অৱশ্যে কোভিড কালৰ বাবে পৰ্যটন খণ্ড সৰ্বাধিক ক্ষতিগ্ৰস্ত হৈ পৰিছে কিন্তু টিকাকৰণৰ বৰ্ধিত গতিৰ ফলত ঘৰুৱা আৰু বিদেশী পৰ্যটকক লাহে লাহে পুনৰাই পৰ্যটনৰ প্ৰতি আকৰ্ষিত হৈ পৰিছে। ভাৰতে নিজৰ টিকাকৰণ অভিযানত সৰ্বাধিক গুৰুত্ব দিয়াৰ কাৰণটো এয়াই যে দেশৰ অৰ্থনীতিৰ লগতে পৰ্যটনখণ্ড যেন পুনৰাই ঠন ধৰি উঠক।

**স্বচ্ছতাই পৰ্যটন খণ্ডক সহায় কৰিছে**

যদিহে আপোনাৰ মনত পৰে তেন্তে এই কথা মনলৈ আহিব যে ২০১৪ চনৰ পূৰ্বে সমগ্ৰ দেশত স্বচ্ছতা সম্পৰ্কত ঋণাত্মক চৰ্চা শুনিবলৈ পোৱা গৈছিল। কিদৰে আৱৰ্জনাই চহৰ-নগৰত দুৰ্গন্ধময় পৰিস্থিতিৰ সৃষ্টি কৰিছিল সেই বিষয়ে কেৱল চৰ্চাহে হৈছিল কিন্তু চাফচিকুণতাৰ দিশত বিশেষ পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাছিল। ইয়াৰ ফলত দেশলৈ অহা পৰ্যটক আৰু চহৰ-নগৰৰ বাসিন্দাৰ ওপৰত কুৰূপ প্ৰভাৱ পৰিছিল, তদুপৰি স্বাস্থ্যৰ ক্ষতিৰ কথাটোও আছিল। এই স্থিতি সলনি কৰাৰ বাবেই দেশত স্বচ্ছ

## এডপ্ত এ হেৰিটেজৰ মাধ্যমত বিশেষ পদক্ষেপ

বিশ্ব পৰ্যটন দিৱস উপলক্ষে ২০১৭ চনৰ ২৭ ছেপ্টেম্বৰ তাৰিখে 'এডপ্ট এ হেৰিটেজ' আঁচনি আৰম্ভ কৰা হৈছিল। ভাৰতীয় পৰ্যটন মন্ত্ৰালয়, ভাৰতীয় পুৰাতাত্বিক জৰীপ বিভাগ আৰু ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চল ৰাজ্যসমূহৰ মাজত পৰ্যটনৰ প্ৰচাৰৰ বাবে এয়া আৰম্ভ কৰা হৈছিল। এয়া এক সহযোগিতামূলক আঁচনি। এই আঁচনি দেশৰ সমৃদ্ধিশালী আৰু বৈচিত্ৰ্যপূৰ্ণ ঐতিহ্য স্মাৰকসমূহে পৰ্যটন বন্ধু সৃষ্টি কৰাৰ ক্ষমতা আছে। এই আঁচনিখনে দেশৰ মুখ্য স্মাৰকসমূহত পুৰাতাত্বিক জৰীপ আৰম্ভ কৰে আৰু এতিয়ালৈ দেশৰ ৯৫টা ঐতিহ্যক্ষেত্ৰক অন্তৰ্ভুক্ত কৰা হৈছে। এই আঁচনিৰ অধীনত ব্যক্তিগত বিনিয়োগকাৰীয়ে এই ঐতিহ্য স্থানবোৰ ৰক্ষণাবেক্ষণ কৰাৰ লগতে বুনিয়াদী তথা আধুনিক সুবিধাবোৰ প্ৰদান কৰিব। এতিয়ালৈ এই ক্ষেত্ৰত ২৯খন চুক্তি স্বাক্ষৰ হৈছে।

## "চোৱা নিজৰ দেশ" শীৰ্ষক আঁচনিৰে পৰ্যটকক আকৰ্ষিত কৰাৰ প্ৰচেষ্টা

ভাৰতে বহু শতিকা ধৰি আন দেশৰ লোকসকলক আকৰ্ষিত কৰি আহিছে। কাশ্মীৰৰ সুন্দৰ ঠাইৰ কথা উল্লেখ কৰা কথা হওক বা দাৰ্জিলিং-অসমৰ বিখ্যাত চাহ বাগানবোৰ হওক, দেশৰ বিভিন্ন প্ৰান্তৰ প্ৰতি প্ৰতিজন বিদেশী পৰ্যটক আকৰ্ষিত হৈ আহিছে। এইবোৰৰ বাহিৰেও, ধৰ্মীয় স্থানবোৰৰ প্ৰতি সকলোৰে যথেষ্ট আস্থা আছে। চৰকাৰে 'দেখো অপনা দেশ' অভিযান আৰম্ভ কৰিছে আৰু ইয়াৰ অধীনত বিশেষ পৰ্যটক ৰেলৰ মাধ্যমত দৰ্শনাৰ্থীক ধৰ্মীয় স্থানৰ সৈতে সংযোগ কৰিছে।

## হেল্পলাইনৰ পৰা আৰম্ভ কৰি সকলোতে সহায়

- দেশী-বিদেশী পৰ্যটৰ বাবে তথা তেওঁলোকৰ সুবিধাৰ বাবে হিন্দী আৰু ইংৰাজীসহ ১২ টা ভাষাত টোল ফ্ৰী নম্বৰ ১৮০০১১১৩৬৩ আৰু সংক্ষিপ্ত কোড ১৩৬৩ত পৰ্যটনৰ তথ্য দিনে-নিশাই প্ৰদান কৰা হয়।
- মন্ত্ৰালয়ৰ ৱেবছাইটত পৰ্যটকৰ প্ৰতিটো সন্দেহ সমাধান কৰিবলৈ লাইভ চেট আৰম্ভ কৰা হৈছে। পৰ্যটন তথ্য কাউণ্টাৰত আৰু ইংৰাজী ক'ব নোৱাৰা পৰ্যটকসকলৰ সুবিধাৰ বাবে বিশেষ পদক্ষেপ লোৱা হৈছে।
- অমূল্য ভাৰত ৱেবছাইটত গুগল ৩৬০ ডিগ্ৰী ৱাকথ্ৰুৰ জৰিয়তে পৰ্যটনৰ সকলো তথ্য ৱেবছাইটৰ জৰিয়তে প্ৰাপ্ত কৰিব পাৰি। তথা অমূল্য ভাৰত মোবাইল এপ্-ত ট্যুৰ অপাৰেটৰ, হোটেল, এজেণ্ট, গাইড আদি সকলো তথ্য পোৱা যায়।
- সংকটৰ সময়ত বিদেশী পৰ্যটকক সহায় কৰিবলৈ পৃথক কোভিড-19 কোষ স্থাপন কৰা হৈছিল। 'ষ্ট্ৰেণ্ডেড ইন ইণ্ডিয়া' পৰ্টেলৰ জৰিয়তে কোভিডৰ সময়ছোৱাত দেশত আৱদ্ধ বিদেশী পৰ্যটকসকলক সহায় আগবঢ়োৱা হৈছিল।



ভাৰত মিছন আৰু অমৃত মিছন আৰম্ভ হৈছিল। এই অভিযান জনঅংশীদাৰিত্বৰে সফল হৈ পৰিছিল। বিগত বৰ্ষকেইটাত দেশৰ নগৰ-চহৰবোৰত ৬০ লাখৰো অধিক ব্যক্তিগত শৌচালয় আৰু ৬লাখৰো অধিক সমূহীয়া শৌচাগাৰ নিৰ্মাণ কৰা হৈছে। দেশত ৭ বছৰৰ পূৰ্বে কেৱল ১৮ শতাংশ জাৱৰহে নিষ্কাশন কৰা হৈছিল, এয়া এতিয়া ৭০ শতাংশ হৈছে। এতিয়া স্বচ্ছ ভাৰত অভিযান ২.০ৰ মাধ্যমত চহৰবোৰত পাহাৰসদৃশ হৈ থকা জাৱৰৰ দমবোৰ আঁতৰ কৰাৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰা হৈছে। চহৰবোৰক সুন্দৰ কৰি তোলাৰ বাবে এলইডি লাইটৰ ব্যৱহাৰ কৰা হৈছে, চৰকাৰে অভিযান চলাই সমগ্ৰ দেশত ৯০ লাখৰো অধিক পুৰণি ষ্ট্ৰীট লাইটক সলাই এলইডি লাইটলৈ সলনি কৰা হৈছে।

স্বাধীনতাৰ এই ৭৫ সংখ্যক বৰ্ষত সকলোৰে সৈতে সকলোৰে বিকাশ, সকলোৰে বিশ্বাসৰ সৈতে সকলোৰে প্ৰয়াসৰ আহ্বান জনোৱা হৈছে। সকলোৰে প্ৰয়াসৰ এই ভাৱনা স্বচ্ছতাৰ বাবেও প্ৰয়োজনীয়। স্বচ্ছতাৰ সুখ আৰু পৰ্যটনৰ মাজত গভীৰ সম্পৰ্ক আছে। গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে থাকি নৰেন্দ্ৰ মোদীয়ে পৰ্যটন খণ্ডৰ উন্নয়নৰ বাবে স্বচ্ছতাৰ গুৰুত্বৰ ওপৰত পূৰ্বৰে পৰা কাম কৰি আহিছে আৰু সেয়া দেশৰ প্ৰধানমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ পাছতো অব্যাহত ৰাখিছে। নিৰ্মল গুজৰাট অভিযান জন আন্দোলনলৈ ৰূপান্তৰিত হোৱাৰ পাছত ৰাজ্যখনলৈ পৰ্যটকৰ সমাগম প্ৰতিবছৰে বৃদ্ধি পোৱা দেখা গৈছে।

**ঐতিহ্য ক্ষেত্ৰৰ জৰিয়তে পৰিচয় লাভ কৰিছে ভাৰতে**

পৰম্পৰাৰ সৈতেও পৰ্যটন খণ্ড ওতপ্ৰোতভাৱে জড়িত হৈ থাকে। এখন ঠাইৰ পৰম্পৰাগত স্থানবোৰ, ঐতিহ্যপূৰ্ণ ঠাইবোৰলৈ পৰ্যটকৰ ভিৰ বৃদ্ধি হৈছে। কেন্দ্ৰ চৰকাৰে এই ক্ষেত্ৰত নিৰন্তৰ প্ৰয়াস অব্যাহত ৰাখিছে আৰু ভাৰতৰ সাংস্কৃতিক ৰং-ৰূপক বিশ্বৰ সন্মুখত উপস্থাপনৰে দেশৰ বিশ্বৰ ঐতিহ্যক্ষেত্ৰ সমূহক আকৰ্ষণীয় কৰি তোলা হৈছে। এই চিন্তাধাৰাৰ আধাৰত দেশৰ প্ৰাচীন ঐতিহ্যপূৰ্ণ স্থানসমূহ পুনৰুদ্ধাৰ কৰি সজীৱ কৰি তোলা হৈছে আৰু যোগাযোগ ব্যৱস্থা উন্নত কৰা হৈছে। প্ৰথমতে দিল্লী, কোলকাতা, মুম্বাই, আহমেদাবাদ আৰু বাৰাণসীত থকা ঐতিহ্যপূৰ্ণ স্থানসমূহ উন্নত কৰা হৈছে। এই ঐতিহ্য স্থানসমূহত নতুন গেলাৰী, নতুন প্ৰদৰ্শনীস্থান, থিয়েটাৰ, নাটক তথা সংগীত অনুষ্ঠানৰ ভৱনৰ বাবে আন্তঃগাঁথনি নিৰ্বাণ কৰা হৈছে। কেন্দ্ৰ চৰকাৰে এয়া সিদ্ধান্ত লৈছে যে দেশৰ



৫টা আদৰ্শ সংগ্ৰহালয়ক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ গঢ়ি তোলা হ'ব, ইয়াৰ আৰম্ভণি কোলকাতাত থকা ভাৰতীয় সংগ্ৰহালয়ৰ জৰিয়তে কৰা হৈছে। ইয়াৰ লগতে দিল্লী, চেন্নাই, হায়দৰাবাদ, শ্ৰীনগৰত থকা সংগ্ৰহালয়বোৰ উন্নীত কৰা হৈছে। বিগত ৭টা বছৰত ১০টা নতুন স্থানক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ মৰ্যদা দিয়া হৈছে। এই কথাটোৱে কেন্দ্ৰ চৰকাৰ পৰ্যটন খণ্ডৰ প্ৰতি থকা দায়ৱদ্ধতাৰ কথা সদৰি কৰে।

এই ঐতিহ্য ক্ষেত্ৰবোৰক সংগঠিত কৰা, বিকাশ সাধন কৰা তথা প্ৰচাৰৰ উদ্দেশ্যৰে "ইণ্ডিয়ান ইনষ্টিটিউড অৱ হেৰিটেজ কনজাৰভেশ্বনৰ" নিৰ্মাণ কৰা হৈছে। আৰু এই সংস্থাক ডিমড (আকাংক্ষিত) বিশ্ববিদ্যালয় কৰাৰ বাবে চিন্তা-চৰ্চা কৰা হৈছে। গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব লৈ থকা সময়ৰ পৰা প্ৰধানমন্ত্ৰীৰ এই যাত্ৰাপথত নৰেন্দ্ৰ মোদীয়ে Adopt A Heritage বা ঐতিহ্যৰ দত্তক আঁচনিৰ মাধ্যমত বিশেষ পন্থা হাতত লৈছে। ইয়াৰ ফলত দেশৰ ঐতিহ্যৰ স্থানবোৰে বিশেষ গুৰুত্ব পাবলৈ সক্ষম হৈছে। এই পদক্ষেপৰ লগতে পথ পৰিবহন আৰু যোগাযোগ ব্যৱস্থাৰ উন্নীতকৰণৰ মাধ্যমত দেশত পৰ্যটন উদ্যোগ শক্তিশালী হৈ পৰিছে।

নিশ্চিতভাৱে কোভিড কাল স্তিমিত হোৱাৰ পাছত দেশত পৰ্যটকৰ সংখ্যা অধিক বৃদ্ধি পাব আৰু দেশৰ অৰ্থনীতিয়ে নতুন গতি লাভ কৰিব। টিকাকৰণৰ গতি, ই-ভিছা প্ৰদানৰ প্ৰক্ৰিয়া, স্বাস্থ্য সুবিধা তথা উন্নত প্ৰযুক্তিৰ সহায়ত দেশৰ ছবি বিশ্বৰ পৰ্যটন মানচিত্ৰত জিলিকে উঠিছে এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ মন্ত্ৰৰে এয়া বিশ্বত অধিক শক্তিশালী হৈ পৰিছে। ●




## বিলম্ব নহয়...

# এতিয়া চিন্তাধাৰা কেৱল উন্নয়নৰ

এটা সময় আছিল যেতিয়া প্ৰকল্পবোৰ আৰম্ভ হৈছিল কিন্তু সেইবোৰ সম্পূৰ্ণ হোৱাৰ বাবে কেইবা দশক অপেক্ষা কৰিবলগীয়া হৈছিল। দেশৰ সকলো ঠাইত একেই গতি হৈছিল, কেৰালাৰ কোল্লাম বাইপাছ পাঁচটা দশক স্থগিত হৈ আছিল, অসমৰ বগীবিল দলং, চাৰি দশক পৰি ৰোৱা উত্তৰ প্ৰদেশ সৰয়ু নহৰ খাল প্ৰকল্প বা তিনিটা দশকৰ বাবে স্থগিত হিমাচল প্ৰদেশৰ ৰেণুকাজী বান্ধ প্ৰকল্প। কিন্তু কেন্দ্ৰীয় চৰকাৰ এতিয়া দেখুৱাইছে যে যদিহে শক্তিশালী অভিপ্ৰায় থাকে তেন্তে কোনো লক্ষ্য কঠিন নহয়, লাগিলে দশক ধৰি পৰি ৰোৱা প্ৰকল্পৰ কামেই কিয় নহওক! উত্তৰ প্ৰদেশত মাত্ৰ চাৰিটা বছৰত সৰয়ু নহৰ খাল প্ৰকল্পৰ ৪৮শতাংশ কাম সম্পূৰ্ণ কৰা হৈছে যদি হিমাচল প্ৰদেশত ৰেণুকাজী বান্ধ প্ৰকল্পও এতিয়া সম্পূৰ্ণ হৈ সপোন দিঠকত পৰিণত হৈছে...

দশক দশক ধৰি ৰৈ থকা প্ৰকল্পবোৰৰ বাবে কেৱল খৰচেই বাঢ়ি নাযায়, ইয়ৰ ফলত স্থানীয় লোক সেই প্ৰকল্পৰ বাস্তৱায়িত ৰূপটো চাবলৈ দীৰ্ঘদিন ধৰি অপেক্ষা কৰি থাকিবলগীয়া হোৱাৰ লগতে তেওঁলোকে ইতিপূৰ্বে লাভ কৰিবলগীয়া সুবিধাবোৰৰ পৰাও বঞ্চিত হয়। ২৭ ডিচেম্বৰত হিমাচল প্ৰদেশৰ মাণ্ডি জিলাত উপস্থিত হৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১১,০০০ কোটি টকীয়া ৪টা জলবিদ্যুৎ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে আৰু সেয়া জনতালৈ উৎসৰ্গা কৰি এইদৰে কয়, "প্ৰতিখন দেশৰ ভিন্ন মতাদৰ্শ আছে, কিন্তু আজি আমাৰ দেশৰ লোকে স্পষ্টভাৱে দুটা মতাদৰ্শলৈ মন কৰে। এটা মতাদৰ্শ বিলম্বিতকৰণৰ আৰু আনটো হৈছে বিকাশ। বিলম্বিত আদৰ্শই কেতিয়াও পাহাৰত বাস কৰা লোকসকলৰ বিষয়ে চিন্তা নকৰে। আন্তঃগাঁথনিৰ কাম হওক, মানুহক মৌলিক সুবিধা প্ৰদান কৰা কথা হওক হিমাচলৰ লোকসকলে দীঘলীয়া সময়ৰ বাব অপেক্ষা কৰিবলগীয়া হৈছে। সেইকাৰণে অটল সুৰংগৰ কাম লেহেমীয়া হৈছিল, তেনেদৰে ৰেণুকাজী প্ৰকল্পৰো ইতিমধ্যে তিনিটা দশক পাৰ হৈছে।"

প্ৰধানমন্ত্ৰীৰ সম্বোধন শুনিবলৈ এই কিউআৰ কোড স্কেন কৰক।

# বিকাশৰ গতিত সৰ্বাধিক গুৰুত্ব

ভাৰতে ২০১৬ চনত এটা লক্ষ্য নিৰ্ধাৰণ কৰিছিল যে ২০৩০ চনলৈ নিজৰ শক্তি ক্ষমতাৰ ৪০ শতাংশ অ-জীৱাশ্ম শক্তি উৎসৰ পৰা আহৰণ কৰা হ'ব। আজি প্ৰতিজন ভাৰতীয়ই গৌৰৱান্বিত হ'ব যে ভাৰতে এই লক্ষ্য যোৱা বছৰৰ নৱেম্বৰতেই লাভ কৰিছে। ভাৰতে ২০২১ চনতেই ২০৩০ চনৰ লক্ষ্য প্ৰাপ্ত কৰিছে। এয়া হৈছে কামৰ গতি।

# হিমাচলে লাভ কৰিছে উপহাৰ

## ৰেণুকাজী বান্ধ প্ৰকল্প



প্ৰায় তিনি দশক ধৰি স্থগিত এই প্ৰকল্প প্ৰধানমন্ত্ৰীৰ ঐক্যবদ্ধ চিন্তাধাৰাৰ দ্বাৰা সম্ভৱ হৈছে। কেন্দ্ৰীয় চৰকাৰে এইটো সম্ভৱ কৰি তোলাৰ বাবে হিমাচল প্ৰদেশ, উত্তৰ প্ৰদেশ, হাৰিয়ানা, ৰাজস্থান, উত্তৰাখণ্ড আৰু দিল্লীসহ ছয়খন ৰাজ্যৰ সৈতে কথা পাতিছিল আৰু তেওঁলোকক একেলগে কৰিছিল। ৪০ মেগাৱাটৰ এই প্ৰকল্পৰ নিৰ্মাণ খৰচ ৭০০০ কোটি।

## চাৰ্ৱা-কুদ্দু জলবিদ্যুৎ প্ৰকল্প



১১১ মেগাৱাটৰ এই প্ৰকল্প প্ৰায় ২০৮০ কোটি টকাৰ নিৰ্মাণ ব্যয়ৰে তৈয়াৰ কৰা হ'ব। ইয়াৰ ফলত বছৰি ৩৮০ নিযুত ইউনিটতকৈও অধিক শক্তি উৎপাদনক্ষম হ'ব। ৰাজ্যখনে বছৰি ১২০ কোটি টকাতকৈ অধিক ৰাজহ উপাৰ্জন কৰিব।

## লুহৰি প্ৰথম পৰ্যায়ৰ জলবিদ্যুৎ প্ৰকল্প



২১০ মেগাৱাট শক্তিসম্পন্ন এই প্ৰকল্প ১৮০০ কোটি টকাৰো অধিক ব্যয়ৰে নিৰ্মাণ কৰা হ'ব। এই প্ৰকল্পই প্ৰতি বছৰে ৭৫০ মিলিয়ন ইউনিটতকৈও অধিক বিদ্যুৎ উৎপাদন কৰিব। উন্নত আৰু বিশ্বাসী গ্ৰীড এলেকাৰ চাৰিওফালে থকা ৰাজ্যবোৰৰ বাবেও এই প্ৰকল্প লাভজনক প্ৰমাণিত হ'ব।

## ধৌলাসিদ্ধ জলবিদ্যুৎ প্ৰকল্প



এইটো হামিৰপুৰ জিলাৰ প্ৰথম জলবিদ্যুৎ প্ৰকল্প হয়। এইটো ৬৬ মেগাৱাটৰ প্ৰকল্প হোৱাৰ লগতে ৬৮০ কোটি টকাতকৈ অধিক মূল্যত নিৰ্মাণ কৰা হ'ব। এই প্ৰকল্পই প্ৰতি বছৰে ৩০০ নিযুতৰো অধিক ইউনিট বিদ্যুৎ উৎপাদন কৰিব।

### এতিয়া বিলম্ব নহয়

নিজৰ সম্বোধনত প্ৰধানমন্ত্ৰীয়ে হিমাচল প্ৰদেশৰ নলীৰ জৰিয়তে অহা খোৱাপানীৰ সংযোগৰ উদাহৰণ দি কয় যে স্বাধীনতাৰ ৭টা দশকত হিমাচলৰ ৭ লাখ লোকেহে খোৱাপানীৰ যোগান লাভ কৰিছিল। কিন্তু মাথোঁ দুটা বছৰৰ ভিতৰত আৰু কোভিড কালৰ মাজত হিমাচলত ৭লাখৰো অধিক পৰিয়ালে খোৱাপানীৰ সংযোগ লাভ কৰিছে।

পূৰ্বতে আমাৰ খাদ্য প্ৰস্তুত কৰাৰ বাবে যথেষ্ট সময়ৰ প্ৰয়োজন হৈছিল কিন্তু এতিয়া ঘৰে ঘৰে চিলিণ্ডাৰৰ ব্যৱস্থা হোৱাৰ পাছত মহিলাসকল যথেষ্ট উপকৃত হৈছে। শৌচালয়ৰ সুবিধা পোৱাৰ ফলত ছোৱালীবোৰৰ সুবিধা হৈছে।

সেনা বিভাগত এটা পদ-এটা পেঞ্চনৰ ব্যৱস্থা তথা সেনা বিভাগত অত্যাধুনিক সুবিধা প্ৰদান কৰাৰ ফলত, বুলেটপ্ৰুফ জেকেট তথা ঠাণ্ডাৰ পৰা বাচিবলৈ ভাল জেকেট দিয়া চৰকাৰৰ পদক্ষেপে হিমাচলবাসী ৰাইজক সহায় কৰিছে।

### হিমাচলৰ শক্তিক প্ৰশংসা

হিমাচল প্ৰদেশ, দেশৰ অন্যতম গুৰুত্বপূৰ্ণ ফাৰ্মা কেন্দ্ৰ। ভাৰতক আজি বিশ্বৰ ফাৰ্মাচী বুলি কোৱা হয়, ইয়াৰ আঁৰত হিমাচলৰ এক বৃহৎ শক্তি আছে। বিশ্বস্তৰীয় মহামাৰী কোভিডৰ সময়ছোৱাত হিমাচল প্ৰদেশে কেৱল আন ৰাজ্যতে নহয়, আন দেশবোৰকো সহায় কৰিছে। ফাৰ্মা উদ্যোগৰ লগতে দেশৰ চৰকাৰে আয়ুষ উদ্যোগ-প্ৰাকৃতিক ঔষধৰ সৈতে জড়িত উদ্যোগীসকলক সহায় কৰি আছে।

দেৱভূমি হিমাচল প্ৰদেশে প্ৰকৃতিৰ পৰা আশীৰ্বাদ লাভ কৰিছে আৰু ইয়াৰ সংৰক্ষণ কৰাৰ প্ৰয়োজনীয়তা আছে। পৰ্যটনৰ লগতে ইয়াত ঔদ্যোগিক উন্নয়নৰ অপৰিসীম সম্ভাৱনাও আছে। কেন্দ্ৰীয় চৰকাৰে খাদ্য উদ্যোগ-খাদ্য সংশাধন উদ্যোগ, কৃষি-প্ৰাকৃতিক খেতি আৰু ফাৰ্মাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে। ●



প্ৰধানমন্ত্ৰীৰ ভাষণ শুনিবলৈ এই কিউআৰ কোড স্কেন কৰক

১৯৭৬ চনৰ পৰা লেহেমীয়া হৈ পৰি ৰোৱা পৰিকল্পনা, এতিয়া সম্পূৰ্ণ

# দেৱভূমিক সামগ্ৰিক বিকাশৰ উপহাৰ

**কেন্দ্ৰীয় চৰকাৰৰ সংকল্প লোৱাৰ প্ৰচেষ্টা আৰু সিদ্ধিক উন্নয়নৰে গতি প্ৰদান কৰাৰ ফলস্বৰূপে দেশৰ ছয়খন ৰাজ্যক জলসিঞ্চনৰ সুবিধা প্ৰদান কৰা লাখৱাৰ বহুমুখী প্ৰকল্পটো ১৯৭৬ চনৰ পৰা অসম্পূৰ্ণ হৈ পৰি আছিল, এতিয়া ২০২১ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই প্ৰকল্পক বাস্তৱায়িত কৰিছে। লগতে, তেওঁ ৩০ ডিচেম্বৰত উত্তৰাখণ্ডত স্বাস্থ্য, সংযোগ, গৃহ, খোৱা পানী, স্বচ্ছতাকে ধৰি উদ্যোগখণ্ড আৰু সামগ্ৰিক বিকাশৰ দিশত কেইবাটাও পৰিকল্পনা উদ্বোধন কৰে।**

লাখৱাৰ বহুমুখী প্ৰকল্প প্ৰথমে ১৯৭৬ চনত পৰিকল্পনা কৰা হৈছিল। কিন্তু চাৰি দশকধৰি এই আঁচনি পৰি থকাৰ পাছত এতিয়া বিগত বৰ্ষৰ ৩০ ডিচেম্বৰ এয়া বাস্তৱায়িত হয়। প্ৰায় ৫৭৪৭ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া লাখৱাৰ বহুমুখী প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা হৈছে। ৰাষ্ট্ৰীয় গুৰুত্বপূৰ্ণ এই প্ৰকল্পই প্ৰায় ৩৪,০০০ হেক্টৰ অতিৰিক্ত ভূমি জলসিঞ্চন কৰিব। ইয়াৰ পৰা ৩০০ মেগাৱাট জলবিদ্যুৎ উৎপাদনৰ হোৱাৰ লগতে ৬ ৰাজ্য উত্তৰাখণ্ড, উত্তৰ প্ৰদেশ, হাৰিয়ানা, দিল্লী, হিমাচল প্ৰদেশ আৰু ৰাজস্থানলৈ খোৱা পানী যোগান ধৰিব পৰা যাব। লাখৱাৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, "যেতিয়া আমি কোনো এখন ঐতিহাসিক স্থানলৈ যাওঁ, তেতিয়া আমি এই কথাটো কওঁ যে এই ঠাইখন ইমান বছৰ আগতে নিৰ্মাণ কৰা, এই ভৱনটো ইমান পুৰণি। কিন্তু দশকধৰি দেশৰ এই অৱস্থা যে ডাঙৰ আঁচনিৰ কথা আহিলে এইবুলি কোৱা হয় যে এয়া ইমান বছৰ ধৰি লেহেমীয়া হৈ আছে, এই প্ৰকল্পটো ইমান দশক ধৰি পৰি আছে, এয়া অসম্পূৰ্ণ। আজি আধাৰশিলা স্থাপন লোৱা এই লাখৱাৰ প্ৰকল্পৰো ইতিহাস আছে। ইয়াৰ বিষয়ে প্ৰথমতে ১৯৭৬ চনত চিন্তা কৰা হৈছিল কিন্তু আজি ৪৬ বছৰৰ পাছত ইয়াৰ শিলান্যাস হৈছে।

ইয়াৰ লগতে প্ৰধানমন্ত্ৰীয়ে উত্তৰাখণ্ডত উন্নয়নৰ অন্য কেতবোৰ নতুন উপহাৰ প্ৰদান কৰিছে। প্ৰধানমন্ত্ৰীয়ে ৮,৭০০ কোটি টকাৰ পথ পৰিবহনৰ প্ৰকল্প আধাৰশিলা স্থাপন কৰিছিল। এই প্ৰকল্পবোৰে দুৰ্গম, গ্ৰাম্য আৰু সীমান্ত অঞ্চলৰ বাবে পৰিবহন সুগম কৰিব আৰু কৈলাশ মানসৰোৱ যাত্ৰাৰ বাবে সহায়ক হ'ব। ইয়াৰ লগতে প্ৰধানমন্ত্ৰীয়ে স্বাস্থ্য খণ্ডৰ আন্তঃগাঁথনি উন্নয়নত গুৰুত্ব দি উধম সিং নগৰত এইমছ, ঋষিকেশ ছেটেলাইট কেন্দ্ৰ আৰু পিথোৰাগড়ত জগজীৱন ৰাম



"উত্তৰাখণ্ডৰ পৰা নদীৰ জলধাৰা বৈ আছে। কিন্তু স্বাধীনতাৰ পাছৰে পৰা ইয়াৰ লোকসকল কেৱল দুটা বিচাৰধাৰা দেখিছে, এটা হৈছে পাহাৰীয়া এলেকাক বঞ্চিত কৰা আৰু আনটো হৈছে পাহাৰীয়া এলেকাৰ বিকাশৰ বাবে দিনে-নিশাই কাম কৰা। এই ৰাজ্যত নির্মাণ হৈ থকা হাইড্ৰ' প্ৰকল্প, ঔদ্যোগিক প্ৰকল্পই এই দশকত উত্তৰাখণ্ডৰ দশক সৃষ্টি কৰিব। - **নৰেন্দ্ৰ মোদী**, প্ৰধানমন্ত্ৰী"




# এই আঁচনিবোৰৰ আৰম্ভণি

- কুমাও-গড়ৱাল যোগাযোগ নগীনাৰ পৰা কাশীপুৰ।
- ২৮৪ কোটি টকা ব্যয়ৰে নির্মাণ ৩২ কিঃমিঃ দৈৰ্ঘৰ টনকপুৰ-পিথোৰগড় পথ।
- ২৬৭ কোটি টকাৰ টনকপুৰ-পিথোৰ গড়ৰ ৰেলখেত-চম্পাৱত পথ।
- ২৩৩ কোটিৰ তিলোন-চ্যুৰানী পথ।
- ৫০ কোটি টকাৰ পাঁচ মেগাৱাটৰ সুৰিগণ্ড জলবিদ্যুৎ প্ৰকল্প।
- ৫০ কোটি টকাৰ নমামী গংগে আঁচনিৰ অধীনত ৰামনগৰ-নয়নিতাল নৰ্দমা/মল ব্যৱস্থাপনা প্ৰকল্প।

# উন্নয়নমূলক প্ৰকল্পৰ শিলান্যাস

**৫৭৪৭** কোটি টকাৰ ৩০০ মেগাৱাটৰ লাখৱাই বহুমুখী প্ৰকল্প।

**৪০০২** কোটি টকাৰ ৮৫.৩০ কিঃমিঃ মোৰাদাবাদ-কাশীপুৰ পথ প্ৰকল্প।

**১২৫০** কোটি টকাৰ ১৩খন জিলাৰ বাবে জল-জীৱন মিছনৰ ৭৩টা আঁচনি।

**৬২৭** কোটি টকাৰ পিএম গ্ৰামীণ পথ আঁচনিৰ অধীনত ১৩৩টা পথ।

**৪৫৫** কোটি টকাৰ এইমছ ছেটেলাইটৰ নির্মাণ।

- ৪৫০ কোটি টকাৰ ব্যয়ৰে নির্মাণ হ'ব প্ৰধানমন্ত্ৰী গ্ৰাম্য পথ আঁচনিৰ ১৫১খন ক্ষুদ্ৰ দলং।
- পিথোৰাগড়ত ৫৫ কোটি টকাৰ ব্যয়ৰে চিকিৎসা মহাবিদ্যালয়।
- ২০৫ কোটি টকাৰ ব্যয়ৰে ২৪ ঘন্টীয়া খোৱা পানী যোগান আঁচনি।
- ১৯৯ কোটি টকা ব্যয়ৰে নমামি গঙ্গে কাৰ্যসূচীৰ অধীনত নটা এছটিপি।
- ১৭১ কোটি টকাৰ প্ৰধানমন্ত্ৰীৰ আৱাস যোজনা(আৰ্বান)ৰ ১২৫৬ ইউনিট।
- ৩৫ কোটি টকা ব্যয়ৰে ছিডকুল এৰোমা পাৰ্ক।
- ৭৮ কোটি টকাৰ নয়নিতাল জিলা নৰ্দমা প্ৰণালী শক্তিশালীকৰণ আঁচনি।
- চিতাৰগঞ্জত ৬৬ কোটি টকাৰ প্লাষ্টিক ঔদ্যোগিক উদ্যান।
- ৫৮ কোটিটকীয়া মাদকোটাৰ পৰা হালদৱানী পথ। ৫৪ কোটি টকা কিচ্চাৰ পৰা পন্তনগৰলৈ পথ।
- ৫৩ কোটি টকা ব্যয়সাপেক্ষে খতিমা বাইপাছ, ১৭৭ কোটি টকীয়া এছিয়ান হাইৱেৰ সহায়ত নেপাললৈ সংযোগ।

চৰকাৰী চিকিৎসা মহাবিদ্যালয়ৰ আধাৰশিলাও স্থাপন কৰে। দেশৰ সকলো অংশতে বিশ্বমানৰ চিকিৎসা সুবিধা প্ৰদান কৰাৰ উদ্দেশ্যৰে এই পৰিকল্পনা সম্প্ৰসাৰিত কৰা হৈছে। এই দুয়োখন চিকিৎসালয়ৰ ব্যয় ক্ৰমে ৫০০ কোটি টকা আৰু ৪৫০ কোটি হ'ব। এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে কাশীপুৰৰ এৰোমা পাৰ্ক, চিতাৰগঞ্জৰ প্লাষ্টিক ঔদ্যোগিক উদ্যান আৰু ৰাজ্যজুৰি আৱাসিক, অনাময় আৰু খোৱা পানী সৈতে জড়িত অন্য প্ৰকল্পসমূহৰো আধাৰশিলা স্থাপন কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১৭,৫০০ কোটি টকা ব্যয়ৰ ২৩টা প্ৰকল্পৰ শুভাৰম্ভণি কৰিছে। ইয়াত ভিতৰত ৰাস্তা বহল কৰা প্ৰকল্প, পিথোৰাগড়ত জলবিদ্যুৎ প্ৰকল্প আৰু নয়নিতালত এটা নৰ্দমা নেটৱৰ্কৰ সৈতে সম্পৰ্কিত প্ৰকল্পসহ ৬টা অন্য প্ৰকল্প অন্তৰ্ভুক্ত কৰা হৈছে। এই প্ৰকল্পসমূহৰ মুঠ ব্যয় হৈছে ৩৪০০ কোটি টকা। এই পথ প্ৰকল্পবোৰে গড়ৱাল, কুমাওন আৰু তেৰাই অঞ্চল তথা উত্তৰাখণ্ড আৰু নেপালৰ মাজত যোগাযোগ সুগম কৰিব। ●

### কোভিডৰ যুদ্ধত ভাৰতে লাভ কৰিছে অন্য দুটা ভেকচিন

# ১৫ৰ পৰা ১৮ বছৰীয়া চেমনীয়াৰ বাবে টিকা, আশাৰ বতৰা

বিশ্বব্যাপী অমাইক্ৰনৰ বৰ্ধিত ঘটনাৰ মাজত সম্ভাব্য ভাবুকিৰ সৈতে মোকাবিলা কৰিবলৈ ভাৰত চৰকাৰ কেৱল সতৰ্ক নহয়, ইয়াৰ বাবে সাজুও। টিকাকৰণত গুৰুত্ব দি চৰকাৰ ঘৰে ঘৰে টিকাকৰণত গুৰুত্ব দিয়াৰ লগতে ২৫ ডিচেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশক সম্বোধন কৰি কয় যে ৩ জানুৱাৰীৰ পৰা ১৫ৰ পৰা ১৮ বছৰ বয়সৰ চেমনীয়াৰ কোভিড টিকাকৰণ আৰম্ভ কৰা হৈ যাব। লগতে স্বাস্থ্যসেৱা আৰু ফ্ৰণ্টলাইন কৰ্মী, ৬০ বছৰৰ ওপৰৰ গম্ভীৰ ৰোগত আক্ৰান্ত লোকক সতৰ্কতামূলক টিকাৰো আৰম্ভণি। কেৱল এয়াই নহয় ভাৰতে এতিয়া আৰু অন্য দুটা কোভিড ভেকচিন লাভ কৰিছে...



**সংকল্প আৰু কৰ্তব্যৰ সংগম...** ৰাজস্থানৰ বাৰমেৰ জিলাত টিকাকৰণ অভিযানৰ বাবে যোৱা মহিলা স্বাস্থ্য কৰ্মী।

এতিয়া বিশ্বৰ বিভিন্ন দেশত কোভিডৰ নতুন উৎপৰিৱৰ্তক অমাইক্ৰনৰ প্ৰভাৱ বৃদ্ধি পাবলৈ ধৰিছে। ভাৰতবৰ্ষতো একাধিক স্থানত অমাইক্ৰনে বিস্তাৰ লাভ কৰিছে। কিন্তু এই ক্ষেত্ৰত দেশ সম্পূৰ্ণৰূপে সাজু আৰু সতৰ্ক। দেশৰ নাগৰিক যাতে কোনো ধৰণৰ সমস্যাৰ সম্মুখীন নহয় তাৰ বাবেও চৰকাৰ বিশেষভাৱে প্ৰস্তুত। কেন্দ্ৰ চৰকাৰে ৰাজ্যে চৰকাৰৰ সৈতে সমন্বয়তা বৰ্তাই ৰাখি সমগ্ৰ দেশত টিকাকৰণ সম্পূৰ্ণ কৰাৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। ২৫ ডিচেম্বৰ তাৰিখে প্ৰধানমন্ত্ৰীয়ে দেশবাসীক সম্বোধন কৰি

# অমাইক্ৰনৰ ঘটনাৰ ওপৰত পৰ্যৱেক্ষণ

নিম্ন টিকাকৰণ, বৰ্ধিত ঘটনা, অপৰ্যাপ্ত স্বাস্থ্য গাঁথনি থকা ৰাজ্যসমূহক সহায় কৰিবলৈ কেন্দ্ৰই দল প্ৰেৰণ কৰিছে। ডিচেম্বৰৰ চতুৰ্থ সপ্তাহত সমগ্ৰ দেশতে কোভিড-19 পৰিস্থিতি, অমাইক্ৰন আৰু স্বাস্থ্য প্ৰণালীৰ বাবে প্ৰস্তুতি পৰ্যালোচনা কৰিবলৈ এখন উচ্চ পৰ্যায়ৰ সভাৰ অধ্যক্ষতা কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কোভিড প্ৰতিৰোধ আৰু চিকিৎসাৰ বাবে কেছবোৰ দ্ৰুতভাৱে চিনাক্তকৰণ নিশ্চিত কৰি অনুসন্ধান ত্বৰান্বিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে আৰু সংক্ৰমণ বিয়পি নাযাবৰ বাবে বিশেষ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিবলৈ কোৱা হৈছে। প্ৰধানমন্ত্ৰী বিষয়াসকলক নিৰ্দেশ দিছিল যে কম টিকাকৰণ, বৰ্ধিত ঘটনা, অপৰ্যাপ্ত স্বাস্থ্য মৌলিক আন্তঃগাঁথনি থকা ৰাজ্যৰ পৰিস্থিতি উন্নত কৰাৰ বাবে বিশেষজ্ঞ দল প্ৰেৰণ কৰাৰ লগতে সংক্ৰমণ প্ৰতিৰোধৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিব লাগে। প্ৰধানমন্ত্ৰীয়ে দেশৰ সকলো নাদৰিকক কোভিড বিধি মানি চলি বিশেষত মাস্ক পিন্ধি থকাৰ বাবে আহ্বান জনায়।

## সতৰ্কতামূলক ব্যৱস্থাসমূহ পালন কৰক




বিশ্বস্তৰীয় মহামাৰী কোভিডৰ বিৰুদ্ধে যুদ্ধ এতিয়াও শেষ হোৱা নাই। এনে প্ৰেক্ষাপটত কোভিড বিধি মানি চলাটো বিশেষ গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। এতিয়ালৈকে বিশ্বব্যাপী মহামাৰীৰ বিৰুদ্ধে চলা যুঁজে এই কথা সূচায় যে এই মহামাৰীৰ পৰা ৰক্ষা পাবৰ বাবে ব্যক্তিগত দিশত বিশেষ সতৰ্কতা অৱলম্বন কৰাৰ প্ৰয়োজনীয়তা আছে। সকলো কোভিড নীতি পালন কৰি থকাটোৱেই প্ৰধান অস্ত্ৰ। নতুন ভেৰিয়েন্টৰ প্ৰতি লক্ষ্য ৰাখি মাস্ক পিন্ধাৰ লগতে অন্য সকলো ব্যৱস্থা গ্ৰহণ কৰি থকাটো আৱশ্যক।

# প্ৰধানমন্ত্ৰীয়ে কোৱা তিনিটা মুখ্য কথা

01 — ১৫-১৮ বছৰীয়া চেমনীয়াৰ বাবে টিকাকৰণৰ আৰম্ভণি।

02 — স্বাস্থ্যকৰ্মী, ফ্ৰন্টলাইন কৰ্মীৰ বাবে ১০ জানুৱাৰীৰ পৰা সতৰ্কতামূলক ভেকচিন।

03 — ৬০ বছৰৰ ওপৰৰ লোকৰ বাবে ১০ জানুৱাৰীৰ পৰা সতৰ্কতামূলক ভেকচিন।

তিনিটা নতুন সিদ্ধান্তৰ বিষয়ে দেশবাসীক সদৰি কৰে। এই তিনিটা ঘোষণা আছিল ১৫-১৮ বছৰীয়াৰ বাবে কোভিড টিকাকৰণ, ১০ জানুৱাৰীৰ পৰা স্বাস্থ্যকৰ্মী, ফ্ৰন্টলাইন কৰ্মী আৰু ৬০ বছৰৰ ওপৰৰ বয়োজ্যেষ্ঠৰ বাবে (ডাক্তৰৰ পৰামৰ্শমতে) সতৰ্কতামূলক ভেকচিন দিয়াৰ কথা। চেমনীয়াক ভেকচিন দিয়াৰ উদ্দেশ্য হৈছে যাতে স্কুলবোৰত পাঠদান কাৰ্যসূচী নিয়মীয়াকৈ আৰম্ভ কৰিব পৰা যায়। ২০২১ বৰ্ষটোত দেশক সমূহীয়া টিকাকৰণ কাৰ্যসূচী আৰম্ভ কৰা হৈছিল আৰু এতিয়ালৈ সমগ্ৰ দেশত ১৫০ কোটিৰো অধিক লোকক কোভিড ভেকচিন দিয়া হৈ গৈছে। এয়া জনঅংশীদাৰিত্বৰ জৰিয়তে সম্ভৱ হৈছে যে আজি দেশৰ প্ৰাপ্তবয়স্ক জনসংখ্যাৰ ৬১ শতাংশই ভেকচিনৰ দুয়োটা পালি গ্ৰহণ কৰিছে। একদৰে প্ৰাপ্তবয়স্ক জনতাৰ প্ৰায় ৯০ শতাংশই ভেকচিন এপালি গ্ৰহণ কৰিছে। একাধিক ৰাজ্য আৰু বিশেষত পৰ্যটনৰ দৃষ্টিকোণৰ পৰা গুৰুত্ব থকা ৰাজ্য যেনে গোৱা, উত্তৰাখণ্ড, হিমাচল আদি ৰাজ্যবোৰত এশ শতাংশই ভেকচিনৰ এপালি গ্ৰহণ

## প্ৰত্যাহ্বানৰ বাবে সাজু ভাৰত

- আজি দেশৰ ওচৰত ১৮ লাখ আইছোলেশ্বন বিচনা আছে। ৫ লাখ অক্সিজেনযুক্ত বিচনা আছে।
- ১ লাখ ৪০ হাজাৰ আইচিইউ বিচনা আছে। এই সংখ্যাৰ লগত আইচিইউ নথকা বিচনাৰ সংখ্যা যোগ কৰিলে শিশুৰ বাবে ৯০ হাজাৰ বিচনা আছে।
- আজি দেশৰ ওচৰত তিনি হাজাৰতকৈও অধিক পিএছএ অক্সিজেন প্ৰকল্প আছে আৰু কাৰ্যক্ষম হৈ আছে। ৪ লাখ অক্সিজেন চিলিণ্ডাৰ দিয়া হৈছে।
- ৰাজ্যবোৰক প্ৰয়োজনীয় ঔষধ তথা সতৰ্কতামূলক ভেকচিনৰ পালি প্ৰদান কৰা হৈছে।

**নাকৰ ভেকচিনঃ দেশে অতিশীঘ্ৰে নাকত লগোৱা নেছেল ভেকচিন আৰু বিশ্বৰ প্ৰথম ডিএনএ ভেকচিন নিৰ্মাণ কৰিব।**

> মোৰ অনুৰোধ যে আপোনালোকে উৰাবাতৰি, বিভ্ৰান্তি আৰু ভয়ৰ সৃষ্টি কৰা বাতৰি পৰা আঁতৰি থাকিব লাগে। আমি সকলো দেশবাসী এতিয়া একেলগে বিশ্বৰ সৰ্ববৃহৎ টিকাকৰণ অভিযান চলাইছোঁ। আনাগত দিনত আমি এয়া অধিক ক্ষীপ্ৰ কৰি তুলিম আৰু কোভিডৰ বিৰুদ্ধে চলা যুদ্ধত সফলতা লাভ কৰিবলৈ সক্ষম হৈ পৰিম।
>
> **- নৰেন্দ্ৰ মোদী,** প্ৰধানমন্ত্ৰী।

## কেন্দ্ৰৰ মন্ত্ৰঃ পাঁচটা স্তৰৰ ৰণনীতি ৰাজ্যবোৰে গ্ৰহণ কৰক

- নাইট কাৰ্ফিউ অৱলম্বন কৰক, ভিৰ জমা হ'ব দিয়াৰ পৰা বিৰত থাকক। সংক্ৰমণ বৃদ্ধি পালে কন্টেইনমেন্ট আৰু বাফাৰ ক্ষেত্ৰ বৃদ্ধি কৰক।
- পৰীক্ষা আৰু নিৰীক্ষণৰ প্ৰতি বিশেষ মনোযোগ দিব লাগে। নিৰ্দেশনা অনুসৰি, পৰীক্ষা কৰা উচিত। ঘৰে ঘৰে কেচ অনুসন্ধান আৰু আৰটিপিচিআৰ পৰীক্ষাৰ সংখ্যা বৃদ্ধি কৰিব লাগে।
- চিকিৎসালয়ত বিচনা, এম্বুলেন্স আৰু স্বাস্থ্য সঁজুলি বৃদ্ধি কৰাৰ ওপৰত গুৰুত্ব দিয়াৰ লগতে অক্সিজেন আৰু ঔষধৰ অতিৰিক্ত সংগ্ৰহ কৰিব লাগে।
- বিভ্ৰান্তি তথা উৰাবাতৰি যাতে সম্প্ৰসাৰিত নহওক তাৰ বাবে বিশেষ সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিব লাগে।
- ৰাজ্যবোৰে ১০০ শতাংশ টিকাকৰণত গুৰুত্ব দিয়ক। সকলোকে ভেকচিনৰ দুটা পালি প্ৰদান কৰক।

### কোভিডৰ বিৰুদ্ধে ত্ৰিশক্তি

কোভিডৰ নতুন দুটা ভেকচিন আৰু কোভিডৰ এটা নতুন ঔষধ অহাৰ বাট মুকলি হৈছে। কেন্দ্ৰীয় ঔষধ মানক নিয়ন্ত্ৰণ সংস্থাই চিৰাম ইনষ্টিটিউটৰ ভেকছিন কোৱেভেক্স আৰু বায়'লজিকেল-ইৰ টিকা কোৰ্বেভেক্সৰ জৰুৰীকালীন ব্যৱহাৰত অনুমতি দিছে। ইয়াৰ লগতে কোভিডৰ টেবলেট 'মোলনুপিৰাভিৰ' জৰুৰীকালীন প্ৰয়োগৰ ক্ষেত্ৰতো অনুমোদন জনোৱা হৈছে। উল্লেখ্য যে ৬০ বছৰৰ ওপৰৰ বয়োজ্যেষ্ঠই সতৰ্কতামূলক টিকা (তৃতীয় পালি) লোৱাৰ সময়ত ডাক্তৰৰ প্ৰমাণপত্ৰৰ প্ৰয়োজন নাই।

কৰিছে। আনহাতে হিমাচল প্ৰদেশৰ সকলো নাগৰিকে ভেকচিনৰ দুপালি গ্ৰহণ কৰিছে।

### ঘৰ ঘৰ দস্তক অভিযানে সফলতা আনিছে

টিকাকৰণ সুনিশ্চিতকৰণ তথা সুৰক্ষা সুনিশ্চিতৰ মূল মন্ত্ৰে কেন্দ্ৰ চৰকাৰে পূৰ্ণ টিকাকৰণৰ দিশত আগবাঢ়িছে। এই প্ৰয়াসৰ অধীনত সকলোকে টিকা দিয়াৰ বাবে ঘৰে ঘৰে গৈ ভেকচিন দিয়াৰ আৰম্ভণি কৰা হৈছে। এই প্ৰচেষ্টাই সফলতা লাভ কৰিছে আৰু দেশৰ স্বাস্থ্যকৰ্মীৰ কষ্টৰ ফলত আজি টিকাকৰণ জনপ্ৰিয় হোৱাৰ লগতে সকলোৱে টিকাকৰণ কৰিবলৈ আগ্ৰহী হৈ পৰিছে। এই ঘৰ ঘৰ দস্তক অভিযানৰ জৰিয়তে দেশৰ প্ৰতিজন নাগৰিকক (যিসকলে টিকা লোৱা নাই) কোভিড ভেকচিন দিয়াৰ প্ৰচেষ্টা অব্যাহত আছে। ৰাজ্যবোৰৰ সৈতে কেন্দ্ৰই বিশেষ সহযোগিতাৰে কাম কৰি আছে। শেহতীয়াকৈ দেশত বৃদ্ধি হোৱা কোভিডৰ নতুন স্বৰূপক লৈ ইতিমধ্যে বিশেষ সতৰ্কতামূলক ব্যৱস্থা আৰু কাৰ্যপন্থা হাতত লোৱা হৈছে। সকলোকে কোভিড ভেকচিনৰ দুপালি টিকা লোৱাৰ বাবে আহ্বান জনোৱা হৈছে। কোভিড-১৯ৰ বিৰুদ্ধে সফলতা লাভ কৰিবলৈ দেশৰ চৰকাৰ বদ্ধপৰিকৰ। ●

প্ৰধানমন্ত্ৰীৰ ভাষণ শুনিবলৈ এই কিউআৰ কোড স্কেন কৰক।



# প্ৰাকৃতিক খেতি অৰ্থাৎ নিজৰ শস্য, সুৰক্ষিত বীজ আৰু সোণালী পথাৰ

**মাতৃ ভূমিঃ পুত্ৰ অহং পৃথিব্যাঃ !!!** অৰ্থাৎ পৃথিৱী খন আমাৰ মাতৃ আৰু আমি তেওঁলোকৰ পুত্ৰ। মাক আৰু পুত্ৰৰ এই পৱিত্ৰ সম্পৰ্কৰ সংযোগ হৈছে প্ৰাকৃতিক কৃষি। এয়া হৈছে এক প্ৰকাৰৰ কৃষি পদ্ধতি যি পদ্ধতিত ধৰাৰ বুকুত উপলব্ধ হৈ থকা সাধনবোৰ ব্যৱহাৰ কৰি সাৰ তৈয়াৰ কৰা হয় আৰু এই সাৰে সুৰক্ষিত শস্য আৰু আমদানি বৃদ্ধি কৰে। পৰিৱেশ আৰু কৃষিখণ্ডত কেন্দ্ৰীয় চৰকাৰৰ এই পদক্ষেপে দেশৰ ৮০ কোটি ক্ষুদ্ৰ কৃষকৰ জীৱনত এক ধৰণৰ বৈপ্লৱিক পৰিৱৰ্তন আনিছে।

হিমাচল প্ৰদেশৰ ছিমলাৰ নিকটৱৰ্তী লাকুঘাটিৰ নিবাসী সত্যা দেৱীৰ ওচৰত ডেৰশ আম গছ আছে। তেওঁ কয় যে, "মই এতিয়া নিজৰ খেতিত প্ৰাকৃতিক খেতিৰ স্প্ৰে কৰি আছোঁ। পূৰ্বে দোকানৰ পৰা কিনি অনা ৰসায়নিক স্প্ৰে কৰিছিলোঁ, সেইবোৰৰ মূল্য বেছি আছিল। কিন্তু খৰচ কম আৰু আয় বেছি হৈছে।" একেদৰে কৃষক মনোজ শৰ্মাই কয় যে, "যেতিয়াৰ পৰা মই প্ৰাকৃতিক খেতি আৰম্ভ কৰিছোঁ তেতিয়াৰ পৰা মোৰ খেতি ভূমি নৰম হৈ পৰিছে।" হাৰিয়ানাৰ ৰোহতকৰ ফুল কুমাৰে কয় যে, "মই প্ৰাকৃতিক খেতি কৰোঁ আৰু একেখিনি ভূমি পাঁচবিধ খেতি কৰোঁ।" একেদৰে গুজৰাটৰ খেৰাৰ নিবাসী ঘনশ্যাম ভাই বিঠ্ঠলভাই পেটেলে পূৰ্বতে ৰসায়নিক খেতি কৰিছিল আৰু সেই খেতিত খৰচ বেছি লাভ কম হৈছিল। তাৰ লগতে ভূমি, পৰিৱেশৰ গুণগত মান বেয়া হৈছিল। এনেতে তেওঁ প্ৰাকৃতিক খেতিৰ প্ৰতি আকৰ্ষিত হয় আৰু এই পদ্ধতিত খেতি কৰি লাভান্বিত হৈছে। পেটেলৰ দৰে গুজৰাট কচ্ছৰ নিবাসী হিতেশে একেই কথা সদৰি কৰি কয় যে প্ৰাকৃতিক খেতি কৰাৰ ফলত তেওঁৰ আশে পাশে থকা কৃষকসকলে প্ৰেৰণা লাভ কৰিছে আৰু এতিয়া এই প্ৰাকৃতিক কৃষি পদ্ধতিত মনোনিৱেশ কৰিছে।

কৃষকসকলৰ এই কথাবোৰে এতিয়া কেৱল খেতি পদ্ধতিত পৰিৱৰ্তন আনিছে এনে নহয়, ইয়াৰ লগে লগে খেতিয়কৰ জীৱনতো বিশেষ পৰিৱৰ্তন আনিছে। দেশৰ অধিকাংশ ক্ষুদ্ৰ খেতিয়কে এতিয়া ৰাসায়নিক সাৰৰ



“

আমি আমাৰ খেতিক পৰীক্ষাগাৰৰ পৰা উলিয়াই আনি প্ৰকৃতিৰ কমাৰশালৰ সৈতে সংযোগ স্থাপন কৰিব লাগিব। কৃষিৰ সৈতে জড়িত হৈ থকা এই প্ৰাচীন পদ্ধতিক আমি পুনৰাই শিকাৰ আৱশ্যকতা আছে আৰু ইয়াৰ পূৰ্ণ ব্যৱহাৰৰ ওপৰতো গুৰুত্ব দিয়াৰ প্ৰয়োজনীয়তা আছে। এই দিশত কাম কৰি আমি নতুন ধৰণে গৱেষণা কৰিব লাগিব, আদিম জ্ঞানক নতুন বৈজ্ঞানিক চিন্তাধাৰাৰ সৈতে সংযোগ কৰিব লাগিব। একবিংশ শতিকাৰ কৃষকৰ জীৱন শৈলী সলনি হৈ পৰিব। অমৃত মহোৎসৱৰ এই সময়ত আমাৰ লক্ষ্য এয়াই যে প্ৰতিটো পঞ্চায়তৰ একোখনকৈ গাঁও এলেকাই প্ৰাকৃতিক খেতিক আদৰি ল'ব।

**- নৰেন্দ্ৰ মোদী,** প্ৰধানমন্ত্ৰী।

**প্ৰাকৃতিক খেতিঃ** কৃষি কৰ্ম যদিহে প্ৰাকৃতিক খেতি পদ্ধতিৰ দ্বাৰা হয় তেতিয়া আমাৰ ভূমিৰ স্বাস্থ্য আৰু পৰিৱেশ ভাল হোৱাৰ লগতে মানৱ জীৱনো সুৰক্ষিত হৈ পৰিব। ইয়াৰ প্ৰাকৃতিক খেতি কিদৰে হয় সেয়া বুজি পোৱাটো উচিত।

# প্ৰাকৃতিক খেতি

শূণ্য বাজেটৰ এই খেতি পদ্ধতি যথেষ্ট প্ৰাকৃতিক আৰু ইয়াৰ ফলত খেতিয়কৰ আয় বৃদ্ধি পোৱাৰ লগতে খেতি কৰা ভূমিৰ স্বাস্থ্য উন্নত হৈ থাকে। পৰম্পৰাগত এই কৃষি পদ্ধতিয়ে ৰসায়নিক সাৰ ব্যৱহাৰ কৰাৰ পৰা ৰক্ষা কৰে আৰু প্ৰাকৃতিক উপায় অৱলম্বন কৰি কৃষি কৰ্ম উন্নত হৈ পৰে। গৰু, গৰুৰ গোবৰ আৰু মূত্ৰ এই ক্ষেত্ৰত বিশেষ উপাদান। এই উপাদানবোৰে খেতি ভূমিক অধিক সাৰুৱা কৰাৰ লগতে খেতি ভাল কৰে। অন্য পৰম্পৰাগত প্ৰথা যেনে বায়'মাছৰ ব্যৱহাৰ কৰি ভূমিক পলস দিয়া, কৃষি ভূমিক ঘাহেৰে ঢাকি ৰখা আৰু আনকি কম পানীৰ ব্যৱহাৰ কৰা আদি বিভিন্ন পন্থা প্ৰাকৃতিক কৃষি পদ্ধতিত নীহিত হৈ আছে।



## জীৱামৃত

প্ৰাকৃতিক কৃষি পদ্ধতি ভূমিৰ বাবে অমৃত হয়। পৰীক্ষাৰ অন্তত এয়া জানিবলৈ পোৱা গৈছে যে ১০ কিঃগ্ৰাঃ গোবৰৰ সৈতে গৌমূত্ৰ, আটা, গুড়, বেচন মিহলাই যি মিশ্ৰণ পোৱা যায় সেয়া জীৱামৃত হয়।

**কেনেকৈ তৈয়াৰ কৰা হয় জীৱামৃতঃ**
১০ কিঃগ্ৰাঃ দেশীয় গৰুৰ গোবৰ, ৮ৰ পৰা ১০ লিটাৰ গো-মূত্ৰ, ২ কিঃগ্ৰাঃ পৰ্যন্ত গুড়, ১.৫ৰ পৰা ২ কিঃগ্ৰাঃ পৰ্যন্ত বেচন, ১৮০ লিটাৰ পানী, কোনো গছৰ ভূমিৰ এমুঠি মাটি। এই সামগ্ৰীবোৰক মিশ্ৰিত কৰি তৰল কৰি লোৱা হোৱাৰ পাছত এটা পাত্ৰত ৰাখি সেয়া অধিক মিহলোৱা হয়। সঠিক জীৱামৃত তৈয়াৰ হোৱাৰ বাবে এই মিশ্ৰন দুইৰ পৰা তিনিদিন পৰ্যন্ত ঢাকি থৈ দিব লাগে। প্ৰতিদিনে এডাল লাঠীৰে এই মিশ্ৰণ মিহলোৱাৰ পাছত থৈ দিয়াৰ তিনিদিনৰ অন্তত জীৱামৃত তৈয়াৰ হৈ পৰে।



## লাভ

এই জীৱামৃতক যেতিয়া খেতি কৰাৰ সময়ত পথাৰত মিহলোৱা হয় তেতিয়া ভূমিত জীৱাণুৰ সংখ্যা যথেষ্ট বৃদ্ধি পোৱা দেখা যায়। ইয়াৰ লগতে ভূমিৰ ৰসায়নিক আৰু জৈৱিক গুণো বৃদ্ধি পোৱা দেখা যায়। জীৱামৃত মাহত এবাৰ বা দুবাৰ প্ৰয়োজন অনুসৰি প্ৰতি একৰ ভূমিত ২০০ লিটাৰ সিঞ্চনৰ পানীৰ সৈতে ব্যৱহাৰ কৰিব লাগে। ইয়াৰ ফলত কৃষকৰ মিত্ৰ হিচাপে জনাজাত কেঁচুৰ সংখ্যা বৃদ্ধি হয়। এই প্ৰাকৃতিক খেতি ভূমিৰ বাবে যথেষ্ট উপযোগী। আৰু এই খেতিপদ্ধতিয়ে ভূমিৰ তলৰ পানীৰ স্তৰ বৃদ্ধি কৰে। এই প্ৰক্ৰিয়াই মুখ্য শস্যাৰ লগতে আনুষাংগিক শস্যকো সহায় কৰে।

## ফলৰ গছত জীৱামৃতৰ ব্যৱহাৰ



ফলৰ গছবোৰৰ কাষত দুপৰীয়াৰ ভাগত ছা পৰে, সেই ছাৰ ঠাইত প্ৰতিমাহে দুবাৰকৈ জীৱামৃত ব্যৱহাৰ কৰিলে গছৰ ফল বৃদ্ধি পোৱাৰ লগতে ভূমি অধিক সাৰুৱা হৈ পৰে।

## ঘনজীৱামৃত

এয়া জীৱামৃতৰ শুকান ৰূপ। এয়া শস্যৰ খেতিৰ পূৰ্বে ব্যৱহাৰ কৰা হয়। প্ৰখৰ ৰ'দত শুকোৱা ২০০ কিঃগ্ৰাঃ গোবৰৰ সৈতে ২০ কিঃগ্ৰাঃ জীৱামৃত মিহলাই আকৌ ৰ'দ নপৰা ঠাইত শুকাবলৈ দিব লাগে। পাছলৈ ইয়াক পুনৰাই লাঠীৰে কোবাই মিহি কৰি পেলোৱা হয়। এয়াই ঘনজীৱামৃত হয়।

পৰিৱৰ্তে প্ৰাকৃতিক সাৰৰ ব্যৱহাৰ কৰি খেতি কৰিবলৈ আৰম্ভ কৰিছে। প্ৰাকৃতিক খেতিয়ে দেশত নতুন শক্তি উৎপন্ন কৰিছে। স্বাধীনতাৰ অমৃত মহোৎসৱৰ এই সময়ত দেশৰ কৃষি পদ্ধতিৰ ধৰণ-কৰণ সম্পৰ্কত আলোচনা কৰাৰ বাবে ১৬ ডিচেম্বৰ তাৰিখে প্ৰাকৃতিক খেতিৰ ওপৰত এক বিশেষ সন্মিলন অনুষ্ঠিত হয়। এই ৰাষ্ট্ৰীয় সন্মিলনত অংশ লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সকলো খেতিয়কক প্ৰাকৃতিক খেতি কৰিবলৈ আহ্বান জনায়। দেশৰ খেতিয়তে ক্ৰমাণ্বয়ে প্ৰাকৃতিক খেতিৰ প্ৰতি আকৰ্ষিত হৈ পৰিছে। ইতিমধ্যে গুজৰাটৰ ডাং জিলাক সম্পূৰ্ণভাৱে প্ৰাকৃতিক খেতিৰ জিলা হিচাপে ঘোষণা কৰা হৈছে। দেশৰ অধিকাংশ কৃষক এতিয়া এই কৃষি পদ্ধতিৰ প্ৰতি আকৰ্ষিত হৈছে কিয়নো ইয়াৰ জৰিয়তে তেওঁলোকৰ উন্নতি হৈছে। ●

## বীজামৃতঃ

প্ৰাকৃতিক কৃষিৰ এক অত্যাৱশ্যকীয় আধাৰ হৈছে বীজামৃত। বীজে দীৰ্ঘম্যাদী ৰোগৰ পৰা সুৰক্ষা দিয়ে আৰু লগতে অংকুৰণ ক্ষমতা বৃদ্ধি কৰে। ৫ কিলোগ্ৰাম দেশী গোবৰ, ৫ লিটাৰ গো-মূত্ৰ, ৫০ গ্ৰাম নিৰ্বাপিত চূণ, আৰু অলপ মাটিক ২০ লিটাৰ পানীৰ সৈতে মিহলি কৰক। ইয়াক এটা ৰাতি ৰখা হোৱাৰ পাছত ইয়াত ১০ কিলোগ্ৰাম বীজ প্ৰক্ৰিয়াকৰণ কৰা হয়। তাৰ পাছত বীজ সাজু হৈ উঠে।

## আৱৰণ

এয়া প্ৰাকৃতিক কৃষিৰ এক গুৰুত্বপূৰ্ণ নিয়ম। খেতিয়কে সমগ্ৰ খেতিপথাৰ শস্যৰ অৱশিষ্ট অথবা হ্ৰস্বম্যাদী শস্যৰ সৈতে সমগ্ৰ ভূমিৰ ঢাকি দিয়া হয়। আৱৰণে ভূমিত আৰ্দ্ৰতাৰ ৰক্ষণাবেক্ষণ কৰে। বেক্টেৰিয়া আৰু কেঁচুৰ গতিশীলতা বৃদ্ধি কৰে আৰু অপতৃণ নিয়ন্ত্ৰণ কৰে আৰু অৱশেষত অধঃপতিত হয় মাটিৰ পৰা কাৰ্বন প্ৰতিৰোধ কৰি ভূমিৰ জৈৱিক কাৰ্বন ক্ষমতা বৃদ্ধি কৰে।



## ভাফসা

এই কৃষি পদ্ধতিত বাষ্প নিৰ্মাণো এক গুৰুত্বপূৰ্ণ প্ৰক্ৰিয়া। যত আৰ্দ্ৰতা আৰু বায়ুৰ ভাৰসাম্য বজাই ৰখা হয়।

## অগ্নিঅস্ত্ৰ

প্ৰাকৃতিক কৃষি পদ্ধতিয়ে কেৱল কৃষিভূমিৰ উৎপাদনেই বৰ্দ্ধি নকৰে, এই পদ্ধতিয়ে কীট-পতংগ আৰু অন্য বেমাৰো প্ৰতিৰোধ কৰে। স্থানীয় গছ-গছনিৰ ওপৰত নিৰ্ভৰ কৰি নিৰ্মাণ কৰা সাৰেই হৈছে শস্যৰ ওপৰত কীট-পতংগ প্ৰতিৰোধ কৰাৰ বাবে এক অগ্নি অস্ত্ৰ। ইয়াৰ বাবে ৫ কিলোগ্ৰাম নিম বা অন্যান্য স্থানীয় উদ্ভিদৰ পাত (গৰুৱে নোখোৱা), ২০ লিটাৰ দেশী গ-মূত্ৰ, ৫০০ গ্ৰাম ধপাত গুৰি, ৫০০ গ্ৰাম সেউজীয়া জলকীয়া, ৫০ গ্ৰাম নহৰুৰ পেষ্ট মিহলি কৰক আৰু ইয়াক কম জুইত উতলাই দুদিনৰ বাবে থৈ দিয়ক। এই দ্ৰৱণ প্ৰতি ২০০ লিটাৰ পানীত মিহলাই এক একৰ ভূমিত ছটিয়াই দিয়ক।

# অমৃত বৰ্ষৰ নতুন বছৰটোতেই কৃষকৰ বাবে নতুন উপহাৰ

**২০২২ বৰ্ষৰ প্ৰথম দিনটোতেই কৃষকসকলৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৃষক সন্মান নিধিৰ অধীনত ১০নং উপহাৰ প্ৰদান কৰে। ইয়াৰ জৰিয়তে কৃষকসকলে এই আঁচনিৰ অধীনত এতিয়ালৈ ১.৮০ লাখ কোটি টকাৰ ধন বিতৰণ কৰা হৈ গৈছে।** কৃষকৰ বেংক একাউন্টলৈ দিয়া এই পোনপটীয়া ধনৰাশি এতিয়ালৈ প্ৰদান কৰা হোৱা ধনৰাশিৰ সৰ্বোচ্চ পৰিমাণ। বাস্তৱগত দিশত কৃষকসকলক সবল কৰাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰীয়ে নিজৰ দায়ৱদ্ধতা পালন কৰি আহিছে। কৃষকৰ প্ৰতি থকা তেওঁৰ সংকল্পৰ ফলতেই নতুন বছৰৰ আৰম্ভণিতেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১ জানুৱাৰী তাৰিখে ১০ কোটি কৃষকৰো অধিক কৃষকৰ বেংক একাউন্টত ২০ হাজাৰ কোটিতকৈ অধিক ধন হস্তান্তৰ কৰে। এই উপলক্ষে তেওঁ ৩৫১ কৃষক উৎপাদন সংঘক (এফপিঅ') ১৪ কোটিৰো অধিক ইকুইটী অনুদান প্ৰদান কৰে। ইয়াৰ লক্ষাধিক কৃষক উপকৃত হৈ পৰিব। পিএম-কিসান আঁচনিৰ অধীনত হিতাধিকাৰী কৃষকক প্ৰতিবছৰে ৬০০০ টকাৰ বিত্তীয় সাহাৰ্য প্ৰদান কৰি থকা হৈছে। এয়া ৪মাহৰ মূৰে মূৰে ২০০০ টকাৰ তিনিটা কিস্তি কৃষকৰ বেংক একাউন্টত প্ৰেৰণ কৰা হয়।

> বছৰটোৰ আৰম্ভণি আমাৰ কোটিৰো অধিক অন্নদাতাসকলৰ সৈতে হওক, বছৰটোৰ আৰম্ভণিতে মই দেশৰ প্ৰতিটো প্ৰান্তৰ কৃষকসকলক দেখাৰ সৌভাগ্য হওক, এয়া মোৰ বাবে এক ডাঙৰ প্ৰেৰণাৰ সময়। আজি দেশৰ লক্ষাধিক কৃষক পৰিয়াল, বিশেষত ক্ষুদ্ৰ খেতিয়কক পিএম সন্মান নিধিৰ অধীনত ১০নং কিস্তি দিয়া হৈছে। কৃষকৰ বেংক একাউন্ট ২০হাজাৰ কোটি হস্তান্তৰ কৰা হৈছে।
>
> **- নৰেন্দ্ৰ মোদী,** প্ৰধানমন্ত্ৰী।

প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ ভাষণ শুনিবলৈ এই কিউআৰ কোড স্কেন কৰক।



## ষ্টাৰ্টআপৰ পৰা ইউনিক’ৰ্ন...

# যুৱ স্বপ্নৰ বিশালতাক ডেউকা দি

ভাৰত বিশ্বৰ সকলোতকৈ যুৱ দেশ হয়। দেশৰ যুৱকৰ জনসংখ্যা বেছি। ৩৫ বছৰৰ তলৰ বয়সৰ জনসংখ্যা ইয়াত মুঠ জনসংখ্যাৰ ৬৫ শতাংশ। এই শক্তিশালী যুৱ প্ৰজন্মক পথ প্ৰদৰ্শন কৰাটো সময়ৰ আহ্বান। এই চিন্তাৰ আধাৰতে ২০১৫ চনৰ ১৫ আগষ্ট তাৰিখে যেতিয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লাল কিল্লাৰ প্ৰাচীৰৰ পৰা ষ্টাৰ্ট আপৰ কথা ঘোষণা কৰিছিল। ইয়াৰ পাছত আনুষ্ঠানিকতা ৰক্ষা কৰি এই আঁচনিৰ আৰম্ভণি কৰি তেওঁ কৈছিল, “মোৰ সপোন আছে যে দেশৰ যুৱ প্ৰজন্ম চাকৰি বিচাৰ নহওক, বৰঞ্চ চাকৰি দিয়া প্ৰজন্ম হওক।” আজি দেশত ৬০ হাজাৰৰো অধিক ষ্টাৰ্টআপৰ লগতে ৭৫টাতকৈ অধিক ইউনিক’ৰ্ন ষ্টাৰ্টআপৰ সফলতাই কথাবোৰ স্পষ্ট কৰিছে...

মহাৰাষ্ট্ৰ পুণেৰ বাসন্দা ময়ুৰ পাটিলে ২০১১ চনত নিজৰ মটৰচাইকেলৰ মাইলেজ বৃদ্ধি কৰাৰ চেষ্টা কৰিছিল। তেওঁ সেই ক্ষেত্ৰত সফলতাও লাভ কৰিছিল। ২০১৭-১৮ত তেওঁ এনে এটা প্ৰযুক্তি উন্নত কৰিলে যে যি ব্যৱহাৰ কৰিছে ৪০ শতাংশলৈ শক্তিৰ ব্যৱহাৰ কম হয় (গাড়ীৰ মাইলেজ বৃদ্ধি পাইছে)। তেওঁ ২০২১ত এই প্ৰযুক্তিৰ পেটেন্ট লয়। অটল নিউ ইণ্ডিয়া প্ৰত্যাহ্বানত অংশ লোৱাৰ পাছত আৰু ৯০ লাখ টকা চৰকাৰৰ পৰা লাভ কৰাৰ পাছত এতিয়া তেওঁ নিজৰ চাৰিগৰাকী বন্ধুৰ সৈতে মিলি নিজৰ ষ্টাৰ্টআপ চলাই আছে। একেদৰে আহমেদাবাদৰ নিবাসী আনন্দ সিঙেও অলপ ভিন্ন কাম কৰিব বিচাৰিছিল। সেয়েহে তেওঁ যেতিয়া সুবিধা লাভ কৰিলে তেতিয়া তেওঁ নিজৰ ষ্টাৰ্টআপ আৰম্ভ কৰিলে। তেওঁ বস্তুৰ পৰিবহনৰ এটা ৱেবচাইট চলাই আছে। আনন্দৰ সফলতা দেখি তেওঁৰ একাংশ বন্ধুৱেও

“

আজি যিফালে লক্ষ্য কৰোঁ সেইফালেই থকা যুৱক তথা যি পৰিয়ালৰ ফালে চাওঁ সেই পৰিয়ালৰ যুৱ সদস্যই এই কথা ব্যক্ত কৰে যে তেওঁ ষ্টাৰ্ট আপ খুলিব বিচাৰে। তেওঁ পৰিয়ালৰ পৰম্পৰাৰ পাৰ আঁতৰি ব্যৱসায় কৰিবলৈ আগ্ৰহী। ষ্টাৰ্ট আপ চলাবলৈ আগ্ৰহী। ইয়াৰ অৰ্থ এয়াই যে দেশৰ যুৱ প্ৰজন্মই এতিয়া ৰিস্ক লোৱাৰ ক্ষমতা বৃদ্ধি পাইছে। আজি দেশৰ ক্ষুদ্ৰ ক্ষুদ্ৰ চহৰবোৰতো ষ্টাৰ্টআপৰ জোৱাৰ উঠিছে। দেশত ষ্টাৰ্ট আপৰ সংস্কৃতি গঢ় লৈ উঠিছে।

- **নৰেন্দ্ৰ মোদী**, প্ৰধানমন্ত্ৰী।

## সফলতাৰ যাত্ৰা

- ষ্টাৰ্টআপ ইণ্ডিয়া অভিযান আৰম্ভ হোৱাৰ ষষ্ঠ বাৰ্ষিকী উপলক্ষ্যে উদ্যোগ আৰু আভ্যন্তৰীণ বাণিজ্য প্ৰচাৰ বিভাগ (ডিপিআইআইটি) জানুৱাৰী, ২০২২ত এক সপ্তাহৰ বাবে 'চেলিব্ৰেটিং ইনোভেচন ইকো চিষ্টেম' শীৰ্ষক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।
- স্বীকৃতিপ্ৰাপ্ত ষ্টাৰ্টআপৰ সংখ্যা এতিয়া ৬২৩খন জিলালৈ সম্প্ৰসাৰিত হৈছে। এতিয়া দেশৰ প্ৰতিখন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত এলেকাত প্ৰায় এটাকৈ ষ্টাৰ্টআপ আছে।
- যেতিয়া এই আঁচনি আৰম্ভ কৰা হৈছিল তেতিয়া ৮০৮ দিনত ১০,০০০ ষ্টাৰ্টআপ সংযুক্ত হৈ পৰিছিল। আঁচনিৰ প্ৰথম বৰ্ষটোত ২০১৬-১৭ত ৭৪৩টা ষ্টাৰ্টআপক স্বীকৃতি দিয়া হৈছে। ২০২০-২১ বৰ্ষটোত ১৬,০০০ৰো অধিক ষ্টাৰ্টআপক স্বীকৃতি দিয়া হয়।
- খাদ্য সংশাধন, সামগ্ৰী বিকাশ, প্ৰয়োগ বিকাশ(এপ্লিকেশ্বন ডেভেল'পমেন্ট), তথ্য-প্ৰযুক্তি পৰামৰ্শ আৰু ব্যৱসায়িক সেৱাখণ্ডত বেছিকৈ ষ্টাৰ্টআপ আছে।

### ষ্টাৰ্টআপবোৰে লাভ কৰে অনেক ধৰণৰ সহায়

- **সৰল আৰু ব্যৱহাৰৰ সুবিধাঃ** সহজেই স্বীকৃতি, কোম্পানী বন্ধ কৰাৰ সৰল প্ৰক্ৰিয়া, আইনী সহায়, পেটেন্ট কৰাৰ সহায় তথা সকলো তথ্য সহজেই পোৱা যায়।
- **অনুদান আৰু উৎসাহঃ** যোগ্য ষ্টাৰ্টআপৰ বাবে আয়কৰ আৰু মূলধনৰ কৰ ৰেহাই; ষ্টাৰ্টআপ পৰিস্থিতিতন্ত্ৰত অধিক মূলধন বিনিয়োগ কৰিবলৈ পুঁজি আৰু ক্ৰেডিট গেৰাণ্টি আঁচনিৰ পুঁজি দিয়া হয়।
- **ইনকিউবেটৰ আৰু উদ্যোগঃ** বিদ্যায়তনিক সহায়-ষ্টাৰ্টআপৰ বাবে একাধিক ইনকিউবেটৰ, উদ্ভাৱন কেন্দ্ৰ, কাৰ্যক্ৰম, প্ৰতিযোগিতা আদিৰ ব্যৱস্থা।

### ষ্টাৰ্টআপ স্থাপন কৰিবলৈ অন্য চৰকাৰী লাভ

- লঘু ব্যৱসায় ঋণ
- পুঁজি লাভ কৰাৰ সুবিধা।
- অন্য উদ্যোগীৰ সৈতে সাক্ষাৎকাৰ।
- ক্ৰাউড ফাণ্ডিঙৰ সুবিধা।

### যথেষ্ট চৰ্চাত আছে ইউনিক'ৰ্ন

ইউনিক'ৰ্ণ হৈছে এক ষ্টাৰ্টআপ যাৰ মূল্য কমেও ১ বিলিয়ন ডলাৰ অৰ্থাৎ প্ৰায় ৭,০০০ কোটি টকাৰো বেছি। ২০১৫ চনলৈ দেশত মাত্ৰ ৯ বা ১০টা ইউনিক'ৰ্ণ আছিল। আজি ভাৰতত ৭৫টাতকৈ অধিক ইউনিক'ৰ্ণ আছে।

**৬০,৭০৪** স্বীকৃতিপ্ৰাপ্ত ষ্টাৰ্টআপ ডিপিআইআইটিত

**৪৫%** ষ্টাৰ্টআপ এনেকুৱা হয় যিবোৰৰ নেতৃত্ব মহিলাই কৰিছে।

**প্ৰতিটো ষ্টাৰ্টআপে গড় হিচাপত ১১ কৰ্মচাৰীৰ সৈতে দেশৰ প্ৰায় ৪৮,০৯৩ ষ্টাৰ্টআপে ৫,৪৯,৮৪২ চাকৰি সৃষ্টি কৰিছে। ২০২০-২১ বিত্তীয় বৰ্ষত স্বীকৃতিপ্ৰাপ্ত ষ্টাৰ্টআপে ১.৭ লাখ চাকৰিৰ সৃষ্টি কৰিছে।**

চাকৰি বাদ দি তেওঁৰ সৈতে সংযুক্ত হৈ পৰিছে। কিছু বছৰৰ পূৰ্বে যদিহে কোনো ব্যক্তিয়ে এয়া কৈছিল যে তেওঁ ব্যৱসায় কৰিব বিচাৰে, নতুন কোম্পানী খুলিব বিচাৰে তেতিয়া পৰিয়াল তথা বয়োজ্যেষ্ঠসকলে এইবুলি কৈছিল যে "তুমি চাকৰি কিয় নকৰা, চাকৰি কৰা! চাকৰি কৰিলে সুৰক্ষা লাভ কৰা যায়। ভাল দৰমহা পোৱা যায়। জীৱনৰ জটিলতা নাথাকে।" কিন্তু এতিয়া কোনোবাই ব্যৱসায় তথা নতুন কোম্পানী খুলিব বিচাৰে তেওঁ যথেষ্ট উৎসাহ লাভ কৰে, আশে-পাশে থকা লোকসকলো তেওঁৰ সৈতে সংযুক্ত হোৱাৰ বাবে আগ্ৰহ ব্যক্ত কৰে। আজ যহিহে এয়া সম্ভৱ হৈছে তেন্তে সেয়া একমাত্ৰ ষ্টাৰ্টআপ অভিযানৰ বাবেহে সম্ভৱ হৈ পৰিছে।

সাধাৰণ ভাষাত ষ্টাৰ্টআপৰ অৰ্থ হৈছে কোনো এটা নতুন কোম্পানী খোলা, নতুন উদ্ভাৱনী চিন্তাৰ কোম্পানী। এই কোম্পানীয়ে নতুন সামগ্ৰী নিৰ্মাণ তথা উৎপাদনৰ ওপৰত কাম কৰে। এনে উৎপাদন যি সেইসময়ত বজাৰত উপলব্ধ নহয়। কেন্দ্ৰীয় বিভাগ ইণ্ড্ৰাষ্টিয়েল পলিচী এণ্ড প্ৰমোচনৰ (ডিআইপিচি) মতে, ষ্টাৰ্টআপ হৈছে সেইটো কোম্পানী যি ভাৰতবৰ্ষত ৫ বছৰৰ ভিতৰত নিৰ্মাণ হৈছে। যি কোম্পানীৰ ব্যৱসায় এটা বিত্তীয় বৰ্ষত ২৫ কোটি টকাৰ বেছি নহয়। এই কোম্পানীটোৰ পৰা এয়া আশা কৰা হয় যে কোম্পানীটোৱে উদ্ভাৱন, নতুন সামগ্ৰীৰ ব্যৱসায়ীকৰণ, প্ৰযুক্তি আধাৰিত সামগ্ৰী তথা বৌদ্ধিক মূল্যায়ন থকা সামগ্ৰীৰ ক্ষেত্ৰত কাম কৰি আছে। ষ্টাৰ্ট আপ ইণ্ডিয়াৰ মাধ্যমত চৰকাৰে এনে কোম্পানীক সাহাৰ্য প্ৰদান কৰি আহিছে। **www.startupindia.gov.in** লৈ গৈ আপোনালোকে নতুন উদ্ভাৱনী ব্যৱসায়িক চিন্তা ব্যক্ত কৰিব পাৰে আৰু ষ্টাৰ্টআপ ইণ্ডিয়াৰ সকলো দিশ জানিব পাৰে। আপোনাৰ চিন্তা পছন্দ হৈ গ'লে চৰকাৰে আপোনাক সহায় কৰিব। ●



## পৰাক্ৰম দিৱস বিশেষ

### দেশৰ বাবে প্ৰাণ ত্যাগ কৰা

# আজাদ হিন্দ ফৌজৰ সেনানী

**নেতাজী সুভাষ চন্দ্ৰ বসুৱে কৰা এটা আহ্বান, "মোক তোমালোকে তেজ দিয়া, মই তোমালোকক স্বাধীনতা দিম" শীৰ্ষক বাক্যই সমগ্ৰ দেশৰ যুৱকৰ ৰক্ত সঞ্চালন তীব্ৰতৰ কৰি তুলিছিল আৰু দেশক স্বাধীন কৰাৰ বাবে উদ্‌বুদ্ধ কৰিছিল। দেশৰ স্বাধীনতা সংগ্ৰামৰ এজন অন্যতম নেতা সুভাষ চন্দ্ৰ বসুৱে আজাদ হিন্দ ফৌজৰ নেতৃত্বৰে ইংৰাজ শাসকক প্ৰত্যাহ্বান দিছিল। এই আজাদ হিন্দ ফৌজৰ ৭৫ সংখ্যক বৰ্ষ উপলক্ষে ২০১৮ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লাল কিল্লাত জাতীয় পতাকা উত্তোলন কৰিছিল। ২০২১ত নেতাজীৰ জয়ন্তীত ২৩ জানুৱাৰী তাৰিখটোক পৰাক্ৰম দিৱস হিচাপে ঘোষণা কৰি বৰ্ষজোৰা কাৰ্যসূচীৰে শুভাৰম্ভণি কৰা হোৱাৰ লগতে পালন কৰা হৈছে...**

ওড়িশাৰ কটকত ১৮৯৭ চনৰ ২৩ জানুৱাৰী তাৰিখে নেতাজী সুভাষ চন্দ্ৰ বসুৰ জন্ম হয়। সুভাষ চন্দ্ৰ বসুৱে শিশু অৱস্থাৰ পৰাই প্ৰচলিত সমাজ ব্যৱস্থাৰ চিন্তাধাৰাতকৈ প্ৰগতিশীল চিন্তাধাৰা পোষণ কৰিছিল। তেওঁ দেশক কেৱল ইংৰাজ শাসকৰ পৰাধীনতাৰ পৰা মুকলি কৰাই নহয়, স্বাধীনতাৰ পাছত আত্মনিৰ্ভৰশীলতাৰ পথেৰে দেশৰ শিপা শক্তিশালী কৰাৰ পোষকতা কৰিছিল। তেওঁ দাৰিদ্ৰতাক, নিৰক্ষৰতাক, বেমাৰ তথা বৈজ্ঞানিক চিন্তাধাৰাৰ অভাৱক দেশৰ অন্যতম সমস্যাসমূহৰ ভিতৰত গণনা কৰিছিল। এই কাৰণটোৰ বাবেই তেওঁৰ আজাদ হিন্দ ফৌজে বিভিন্ন ক্ষেত্ৰত আঁচনি প্ৰস্তুত কৰিছিল। আজাদ হিন্দ ফৌজৰ নিজৰ মুদ্ৰা আছিল, বেংক আছিল, নিজৰ ডাক টিকট আছিল, ৰেডিঅ' ষ্টেচন আছিল, নিজৰ গণতন্ত্ৰ আছিল। নেতাজী এগৰাকী এনেকুৱা ব্যক্তি আছিল যিগৰাকীয়ে দেশৰ প্ৰতিটো জাতি-জনজাতি,



ভাষা, ৰং আৰু ক্ষেত্ৰবাদক একেলগ কৰি বৃহত্তৰ ভাৰতবৰ্ষ গঠন কৰাৰ বাবে চিন্তা কৰিছিল। তেওঁ দেশবাসীক দিয়া একতাৰ আহ্বানৰ সুন্দৰ উদাহৰণ হৈছে পঞ্জাৱৰ কৰ্ণেল গুৰবক্শ সিং ধিল্লন, জেনেৰেল শ্বাহনাৱাজ খান আৰু কৰ্ণেল প্ৰেম কুমাৰ ছেহগল। আজাদ হিন্দ সেনাৰ এই সাহসী সৈনিকসকল যেতিয়া কোৰ্ট মাৰ্ছাল হৈছিল তেতিয়া সম্প্ৰদায়ৰ ভিত্তিত আকালি দলে ধিল্লনৰ, মুছলিম লীগে শ্বাহনাৱাজ খানৰ গোচৰৰ ওকালতি কৰাৰ প্ৰস্তাৱ দিছিল তেতিয়া এওঁলোকে সেয়া প্ৰত্যাখ্যান কৰিছিল। সেই সময়ত এই তিনিওজন যথেষ্ট জনপ্ৰিয় আছিল। গান্ধীজীৰ পৰা নেতাজী উপনাম পোৱা সুভাষ চন্দ্ৰ বসুৱে ব্যৱহাৰ কৰা জয় হিন্দ আজি দেশৰ ধ্বনিত পৰিণত হৈছে। আজাদী কা অমৃত মহোৎসৱৰ শিতানত এইবাৰ সুভাষ চন্দ্ৰ বসুৰ সহযোগী তথা আজাদ হিন্দ ফৌজৰ বীৰ সেনানী কেপ্টেইন আব্বাছ আলী, ৰাসবিহাৰী বসু, গুৰবক্শ সিং ধিল্লন আৰু কৰ্ণেল নিজামুদ্দিনৰ কথা লিপিৱদ্ধ কৰা হৈছে।

# কেপ্টেইন আব্বাছ আলী
## ইংৰাজ সেনাৰ পৰা গৈ আজাদ হিন্দ ফৌজত যোগদান কৰা বীৰ সেনানী

**জন্মঃ ৩ জানুৱাৰী, ১৯২০, মৃত্যুঃ ১১ অক্টোবৰ, ২০১৪**



‘ऐ दरिया-ए-गंगा तू खामोश हो जा, ऐ दरिया-ए-सतलज तू स्याहपोश हो जा...भगत सिंह तुमको फिर से आना पड़ेगा... हुकूमत को जलवा दिखाना पड़ेगा।’ এই পংক্তি আওৰাই যুৱ প্ৰজন্মক ইনকিলাবৰ পাঠ পঢ়োৱা বলিষ্ঠ কণ্ঠৰ কেপ্টেইন আব্বাছ আলীৰ জন্ম ১৯২০ চনৰ ৩ জানুৱাৰী তাৰিখে উত্তৰ প্ৰদেশৰ বুলন্দশ্বহৰ জিলাৰ খুৰ্জাত হৈছিল। তেওঁ পৰিয়ালৰ অনেক ব্যক্তি স্বাধীনতা সংগ্ৰামত সক্ৰিয় ভূমিকা পালন কৰিছিল। তেওঁৰ ককাক ৰুষ্টম আলি খানক ১৮৫৭ চনৰ সংগ্ৰামৰ পাছত বুলন্দশ্বহৰত ফাঁচী দিয়া হৈছিল। ভগৎ সিঙৰ ফাঁচীৰ সময়ত আব্বাছ আলীৰ বয়স মাথোঁ ১১ বছৰ আছিল। তথাপি তেওঁ ভগৎ সিঙৰ ফাঁচীৰ প্ৰতিবাদত হোৱা জনসভাত অংশ গ্ৰহণ কৰিছিল আৰু পাছলৈ ভগৎ সিঙ আৰু তেওঁ সহযোগীসকলে স্থাপন কৰা সংস্থাত যোগদান কৰি স্বাধীনতা সংগ্ৰামত অংশ লৈছিল। আলীগড় বিশ্ববিদ্যালয়ত অধ্যয়নৰত অৱস্থাত আব্বাছ আলীয়ে সৰ্বভাৰতীয় ষ্টুডেন্টছ সদস্য হিচাপে কাম কৰিছিল। তেওঁৰ স্বাধীনতা পিপাসু মনটোৱে বিদ্ৰোহাত্মক মনোভাৱ লৈ বৃটিছ ভাৰতীয় সেনাত যোগদান কৰিছিল। জাপানৰ বিৰুদ্ধে হোৱা যুদ্ধৰ সময়ত তেওঁক ১৯৪০চনত দক্ষিণ পূব এছিয়াৰ দায়িত্বত থকা সেনাৰ লগত প্ৰেৰণ কৰা হয়। ১৯৪৪ চনত ছিংগাপুৰত নেতাজীৰ আহ্বানত আপ্লুত হৈ আব্বাছ আলীয়ে ভাৰতীয় সেনাৰ চাকৰি পৰিত্যাগ কৰি আজাদ হিন্দ ফৌজত যোগদান কৰে। তেওঁ ম্যানমাৰৰ ৰাখাইন এলেকাত বৃটিছৰ বিৰুদ্ধে যুদ্ধ কৰিছিল। দ্বিতীয় বিশ্বযুদ্ধত জাপানে আত্মসমৰ্পন কৰাৰ পাছত আজাদ হিন্দ ফৌজৰ ৬০ হাজাৰৰো অধিক সেনাক ইংৰাজে গ্ৰেপ্তাৰ কৰে। মুলতানত তেওঁৰ লগতে অন্যৰ ওপৰত ওকালতি হয় ১৯৪৬চনত তেওঁক ফাঁচীৰ নিৰ্দেশ দিয়া হয়। কিন্তু দেশ স্বাধীন হোৱাৰ পৰিপ্ৰেক্ষিতত তেওঁক পাছলৈ মুক্তি দিয়া হৈছিল।



পত্নীৰ সৈতে জাপানত ৰাসবিহাৰী বসু।

**ৰাসবিহাৰী বসু** জন্মঃ ২৫ মে' ১৮৮৬, মৃত্যুঃ ২১ জানুৱাৰী ১৯৪৫

# আজাদ হিন্দ ফৌজক সংগঠিত কৰা অন্যতম নেতা

নেতাজী সুভাষ চন্দ্ৰ বসুৱে যেতিয়া দেশ এৰি জাৰ্মানীলৈ প্ৰস্থান কৰিছিল তেতিয়া ৰাসবিহাৰী বসুয়ে বুজি উঠিছিল যে আজাদ হিন্দ ফৌজৰ নেতৃত্ব দিয়াৰ ক্ষেত্ৰত নেতাজীতকৈ অন্য কোনো উত্তম হ'ব নোৱাৰে। তেওঁ নেতাজীক টকিঅ'লৈ আমন্ত্ৰিত কৰে আৰু ১৯৪৩ চনৰ ২০ জুন তাৰিখে দুয়োগৰাকী মিলিত হৈ দেশক ইংৰাজ শাসকৰ পৰা মুক্ত কৰাৰ বাবে পৰিকল্পনা প্ৰস্তুত কৰে। দুয়ো গৰাকী বসুৰ মাজত সদ্ভাৱ যথেষ্ট আছিল কিয়নো দুয়ো বাঙালী হোৱাৰ উপৰি বসু উপাধিৰ আছিল আৰু ইজনে সিজনক সন্মান কৰিছিল। দুয়ো বৈপ্লৱিক চিন্তাধাৰাৰ ব্যক্তি আছিল। ৰাসবিহাৰীয়ে ৫ জুলাই তাৰিখে আজাদ হিন্দ ফৌজৰ দায়িত্ব নেতাজী সুভাষ চন্দ্ৰ বসুৰ কান্ধত দি নিজে পৰামৰ্শদাতা হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। ৰাসবিহাৰীয়ে সকলো প্ৰকাৰৰ সহায় আগবঢ়াইছিল। এয়া কোৱা হয় যে ৰাসবিহাৰীৰ পৰা আজাদ হিন্দ ফৌজৰ দায়িত্ব লাভ কৰাৰ পাছত ইয়াৰ গতিবিধি যথেষ্ট বৃদ্ধি পাইছিল। ৰাসবিহাৰী বসুৰ জন্ম ১৮৮৬ চনৰ ২৫ মে' তাৰিখে বংগৰ বৰ্ধমান জিলাত হৈছিল। স্কুলীয়া দিনৰ পৰাই বৈপ্লৱিক কাৰ্যত ব্যস্ত থকা ৰাসবিহাৰীয়ে ল'ৰালি কালতেই

**গুৰবকশ সিং ধিল্লন**
জন্মঃ ১৮ মাৰ্চ, ১৯১৪
মৃত্যুঃ ০৬ ফেব্ৰুৱাৰী, ২০০৬

# স্বাধীনতাৰ স্বপ্নক সাৰ্থক কৰাৰ বাবে তথা যুৱ প্ৰজন্মক উদ্বুদ্ধ কৰাৰ বাবে কাম কৰা বীৰ সেনা



সুগঠিত দেহৰ অধিকাৰী হোৱাৰ লগতে শিক্ষাত যথেষ্ট চোকা হোৱাৰ বাবে গুৰবকশ সিং ধিল্লনৰ পিতৃৰ বন্ধুৱে তেওঁ সেনাত যোগদানৰ বাবে পৰামৰ্শ দিছিল। ইয়াৰ পৰিপ্ৰেক্ষিতত তেওঁ ১৯৩৩ চনত ভাৰতীয় সেনাত যোগদান কৰে। পঞ্জাব ৰেজিমেন্টৰ সেনা হিচাপে নিৰ্বাচিত তথা প্ৰশিক্ষণ লাভ কৰাৰ পাছত তেওঁ মালয়েছিয়ালৈ দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত প্ৰেৰণ কৰা হয়। কিন্তু তেওঁৰ জীৱনত পৰিৱৰ্তন আহে যেতিয়া জাপানী সৈন্যক

**গুৰবকশ সিং ধিল্লনক দেশ সেৱাৰ বাবে "পদ্ম-ভূষণৰে" সন্মানিত কৰা হৈছিল।**

তেওঁক যুদ্ধ বন্দী কৰে। জেইলত থকাৰ সময়ত তেওঁৰ মন পৰিৱৰ্তিত হয় আৰু ইংৰাজৰ বিৰুদ্ধে যুঁজ দি দেশক স্বাধীন কৰাৰ বাবে মন স্থিৰ কৰি নেতাজী সুভাষ চন্দ্ৰ বসুৰ নেতৃত্বৰ আজাদ হিন্দ ফৌজত যোগদান কৰি দেশৰ হকে যুঁজ দিয়ে। তেওঁ সাহসিকতাৰ কথা আজাদ হিন্দ ফৌজৰ মাজত যথেষ্ট চৰ্চিত আছিল।

## আজাদ হিন্দ ফৌজৰ পাঁচটা ৰেজিমেন্ট

**সুভাষ ব্ৰিগেড-** নেতৃত্বত আছিল কৰ্ণেল শ্বাহনৱাজ খান।
**গান্ধী ব্ৰিগেড-** নেতৃত্বত আছিল কৰ্ণেল ইনায়ত কিয়ানী।
**আজাদ ব্ৰিগেড-** নেতৃত্বত আছিল গুলজাৰা সিং।
**নেহৰু ব্ৰিগেড-** লেফটেনেন্ট কৰ্ণেল গুৰবক্শ সিং ধিল্লন।
**ঝাঁন্সী ৰাণী ৰেজিমেন্ট-** কেপ্তেইন লক্ষ্মী ছেহগল।

ক্ৰুড বোমা তৈয়াৰ কৰাৰ পদ্ধতি শিকি পেলাইছিল। বঙ্কিম চট্টোপাধ্যায়ৰ আনন্দ মঠে তেওঁৰ মনত বিদ্ৰোহৰ সূচনা কৰিছিল আৰু তাৰ লগতে স্বামী বিবেকানন্দ-সুৰেন্দ্ৰনাথ বেনাৰ্জীৰ ৰাষ্ট্ৰবাদী ভাষণে তেওঁৰ জীৱনত প্ৰভাৱ পেলাইছিল। এয়া কোৱা হয় যে খুদিৰাম বসু আৰু প্ৰফুল্ল চাকীয়ে মুজ্জাফৰবাদত মেজিষ্ট্ৰেট কিংগ্‌ছফোৰ্ডক হত্যা কৰা বাবে যি বোমাৰ ব্যৱহাৰ কৰিছিল সেই বোমাটো ৰাসবিহাৰী বসু তৈয়াৰ কৰিছিল। ইয়াৰ উপৰি তেওঁ বিপ্লৱীৰ সৈতে মিলি ১৯১২চনত সেই সময়ৰ ভাইচৰয় লৰ্ড হাৰ্ডিঙক হত্যা কৰাৰো পৰিকল্পনা কৰিছিল কিন্তু সেয়া বিফল হৈছিল। ইংৰাজৰ দৃষ্টিত ধৰা পৰাৰ পূৰ্বে তেওঁ দেশৰ পৰা পলায়ন কৰি জাপানত উপস্থিত হৈছিল। জাপানতে বিবাহ সম্পন্ন কৰি তাতে থাকিবলৈ লোৱা ৰাসবিহাৰীক জাপান চৰকাৰে "অৰ্ডাৰ অৱ ৰাইজিং ছন" শীৰ্ষক সন্মান প্ৰদান কৰিছিল। তেওঁ ভাৰতীয় স্বাধীনতা আন্দোলনৰ সক্ৰিয় কৰ্মী আছিল।

অৱশ্যে দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত জাপানে আত্মসমৰ্পন কৰাৰ পাছত ধিল্লনসহ অনেক সেনানীক ইংৰাজে ১৯৪৫ চনত গ্ৰেপ্তাৰ কৰে আৰু লাল কিল্লাত বিচাৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছিল। "লাল কিল্লা ট্ৰায়েল" নামেৰে বিখ্যাত সেই বিচাৰ প্ৰক্ৰিয়াত পঞ্জাৱৰ কৰ্ণেল গুৰবক্শ সিং ধিল্লন, জেনেৰেল শ্বাহনাৱাজ খান আৰু কৰ্ণেল প্ৰেম কুমাৰ ছেহগলৰ হৈ ওকালতি কৰাৰ বাবে দেশৰ একাধিক আইনবিদে আগবাঢ়ি আহিছিল। লালা কিল্লাৰ এই বিচাৰ প্ৰক্ৰিয়াৰ খবৰ লোৱাৰ বাবে দেশৰ বিভিন্ন প্ৰান্তৰ পৰা লোক আহি লালা কিল্লাৰ সম্মুখত ভিৰ কৰিবলৈ আৰম্ভ কৰিছিল। এনে প্ৰেক্ষাপটত ইংৰাজে এই কথাটো বুজি উঠিছিল যে এওঁলোকক বিষম শাস্তি দিলে কথা গুৰুতৰ হৈ পৰিব। সেয়েহে শেষত বাধ্য হৈ ইংৰাজে ধিল্লনসহ অন্যক মুক্তি দিছিল। আজাদ হিন্দ ফৌজৰ প্ৰতি দেশবাসীৰ সেই সঁহাৰিয়ে নেতাজীৰ স্বপ্ন পূৰণ কৰিছিল। ভাৰত চৰকাৰে ১৯৯৮ চনত গুৰবক্শ সিং ধিল্লনক পদ্ম ভূষণ বঁটাৰে সন্মানিত কৰে।



## কৰ্ণেল নিজামুদ্দিন

### নেতাজীক সুৰক্ষা দিবলৈ গৈ পিঠিত গুলী খোৱা সেনানী

বাৰাণসীত ২০১৪ চনৰ ৯ মে' তাৰিখে অনুষ্ঠিত হোৱা এখন ৰাজহুৱা সভাত উপস্থিত তদানীন্তন গুজৰাটৰ মুখ্যমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এগৰাকী বয়োজ্যেষ্ঠ নাগৰিকৰ চৰণ স্পৰ্শ কৰিছিল। এই বয়োজ্যেষ্ঠ ব্যক্তিগৰাকী অন্য কোনো নহয়, সেয়া আছিল আজাদ হিন্দ ফৌজৰ সদস্য কৰ্ণেল্ নিজামুদ্দিন আছিল। এয়া এইবুলি কোৱা হয় যে নিজামুদ্দিনে নেতাজীৰ গাড়ী চালক হোৱাৰ লগতে ১১টাকৈ ভাষত অভিজ্ঞ আছিল। তেওঁ এগৰাকী নিপুণতাৰে গুলীচালনা কৰি লক্ষ্য ভেদ কৰিব পৰা ক্ষমতা আছিল। তেওঁ যুদ্ধৰ সময়ত একাধিক ইংৰাজ বিমান গুলীচালনাৰে ধৰাশায়ী কৰিছিল। উত্তৰ প্ৰদেশৰ আজমগড় জিলাৰ ঢকবা গ্ৰামাঞ্চলত জন্মগ্ৰহণ কৰা নিজামুদ্দিনে ম্যানমাৰত থকাৰ সময়ত নেতাজীৰ গাড়ী চলাইছিল। আৰু কৰ্ণেল উপাধিট নেতাজীয়ে তেওঁক দিছিল। নেতাজীৰ সৈতে যে কৰ্ণেলৰ মধুৰ সম্পৰ্ক আছিল সেই কথাটো ইয়াৰ পৰা জানিব পৰা যায় যে ২০১৫ চনত সুভাষ বসুৰ আজুনাতি ৰাজশ্ৰী চৌধুৰীয়ে নিজামুদ্দিন সাক্ষাৎ কৰিবলৈ গৈছিল। কৰ্ণেল নিজামুদ্দিনে আজাদ হিন্দ ফৌজৰ এটা কথা কয় যে তেওঁ এবাৰ নেতাজীক সুৰক্ষা দিবলৈ গৈ পিঠিত তিনিটাকৈ গুলী খাইছিল, কোনোৱে নেতাজীক লক্ষ্য কৰি গুলী চলাইছিল। নিজামুদ্দিনক সেই সময়ত চিকিৎসক লক্ষ্মী ছেহগলে চিকিৎসা কৰাইছিল। ২০১৭ চনত আজমগড়ৰ মুবাৰকপুৰত কৰ্ণেল নিজামুদ্দিনৰ মৃত্যু হয়। তেওঁক সক্ৰিয় স্বাধীনতা সংগ্ৰামী হিচাপে স্মৰণ কৰা হয়। ●

**নেতাজীৰ সৈতে তেওঁৰ প্ৰথম সাক্ষাৎ ছিংগাপুৰত হৈছিল। সেই সময়ত আজাদ হিন্দ ফৌজৰ সেনাভৰ্তি অভিযান চলি আছিল।**

# যিগৰাকী সেনাধিনায়কে সকলোৰে সন্মান লাভ কৰিছিল

ফিল্ড মাৰ্শ্বল ভাৰতীয় স্থল সেনাৰ শীৰ্ষ পদ হয়। কিন্তু স্বাধীন ভাৰতৰ ইতিহাসত কেৱল দুগৰাকী জেনেৰেল এই পদ অলংকিত কৰাৰ সুবিধা পাইছিল। তাৰে এজন হৈছে জেনেৰেল ছেম মানেকশ্ব' আৰু আনগৰাকী হৈছে জেনেৰেল কোডাংডেৰা মদপ্পা কেৰিয়াপ্পা। ১৯৪৯চনৰ ১৫ জানুৱাৰীৰ দিনটোত জেনেৰেল কেৰিয়াপ্পাই ভাৰতীয় সেনাৰ কমাণ্ডাৰ ইন চীফ পদ অলংকিত কৰিছিল আৰু এই দিনটোক প্ৰতিবছৰে সেনাবাহিনীয়ে সেনা দিৱস হিচাপে পালন কৰি আহিছে।



জন্মঃ ২৮ জানুৱাৰী, ১৮৯৯ মৃত্যুঃ ১৫ মে', ১৯৯৩

নিয়মানুৱৰ্তিতা, শৌৰ্য, বীৰ্য আৰু সামৰ্থ অনুসাৰে ভাৰতীয় সেনা বাহিনী বিশ্বৰ উৎকৃষ্টতম সেনাবাহিনীসমূহৰ ভিতৰত অন্যতম। আৰু এই শ্ৰেষ্ঠত্বৰ বাবে সেইসকল সেনাধিনায়কলৈ শ্ৰেয় যায় যিসকলে সময়ে সময়ে এই গৌৰৱোজ্জ্বল সেনাবাহিনীৰ নেতৃত্ব বহন কৰি আহিছে। এওঁলোকৰ ভিতৰত পোনপ্ৰথমে জেনেৰেল কে এম কেৰিয়াপ্পাৰ নাম মনলৈ আহে। কেৰিয়াপ্পাৰ কঠোৰ অনুশাসন, সাহসিকতা আৰু সঠিক সিদ্ধান্তৰ কথাআজিও সকলোৱে সন্মানৰে স্মৰণ কৰে। ১৯২২ চনত স্থায়ী কমিছন লৈ সেনাৰ ছেকেণ্ড লেফটেনেন্টৰূপে চাকৰি আৰম্ভ কৰা কেৰিয়াপ্পা ফিল্ড মাৰ্শ্বল পদ লাভ কৰা দ্বিতীয়গৰাকী সেনা বিষয়া আছিল। তেওঁৰ পূৰ্বে পাঁচটা তৰাযুক্ত এই সন্মান লাভ কৰা আনজন জেনেৰেলৰ নাম হৈছে ছেম মানেক শ্ব'। ১৮৯৯ চনৰ ২৮ জানুৱাৰী তাৰিখে কৰ্ণাটকৰ কুৰ্গৰ শণিৱৰচাৰ্থি নামৰ ঠাইত জন্ম লভা ফিল্ড মাৰ্শ্বল কেৰিয়াপ্পাই মাথোঁ ২০ বছৰ বয়সৰ পৰাই বৃটিছ ভাৰতীয় সেৱা যোগদান কৰি সেৱা আগবঢ়াইছিল। তেওঁৰ জীৱনৰ কেতবোৰ ঘটনাই এই কথাটো প্ৰতীয়মান কৰে যে কিদৰে সকলোৱে পৰা সন্মান পোৱাৰ লগতে কেৰিয়াপ্পাৰ অনুশাসন, সাহসিকতাৰ বিষয়ে অন্যই চৰ্চা কৰে।

**লেহক ভাৰতৰ অংশ কৰাৰ ক্ষেত্ৰত তেওঁৰ বিশেষ ভূমিকা আছিল**

১৯৪৭চনৰ নৱেম্বৰ মাহত কেৰিয়াপ্পাক ভাৰতীয় সেনাৰ পূব কমাণ্ডৰ মুৰব্বী হিচাপে ৰাঁচীত নিযুক্ত কৰা হৈছিল। কিন্তু দুটা মাহৰ ভিতৰতেই কাশ্মীৰত পৰিস্থিতি বেয়াৰ ফালে ঢাল খোৱাৰ পৰিপ্ৰেক্ষিতত তেওঁক লেফটেনেন্ট ডডলী ৰাছেলৰ ঠাইত দিল্লী আৰু পূৰ্ব পঞ্জাৱৰ জিঅ'চি ইন কমাণ্ড নিযুক্ত কৰা হয়। কেৰিয়াপ্পাৰ নেতৃত্বত সেনাবাহিনীয়ে প্ৰথমতে নৌশেৰা আৰু ঝংগৰ উদ্ধাৰ কৰে আৰু ক্ৰমাণ্বয়ে জোজিলা, ড্ৰাছ হৈ কাৰ্গিল অতিক্ৰম কৰি দূৰলৈ শত্ৰুক খেদি পঠিয়াইছিল।

**পাকিস্তানে সন্মান সহকাৰে তেওঁৰ পুত্ৰক ঘূৰাই পঠিয়াইছিল**

১৯৬৫ চনৰ কথা। ভাৰত-পাকিস্তানৰ মাজৰ যুদ্ধৰ কথা। তাৰ কেইবাবছৰ পূৰ্বে কেৰিয়াপ্পাই সেনাৰ পৰা অৱসৰ গ্ৰহণ কৰি কৰ্ণাটকৰ ঘৰত থাকিবলৈ আৰম্ভ কৰিছিল। তেওঁ পুত্ৰ নন্দা কেৰিয়াপ্পাই ভাৰত-পাকিস্তানৰ যুদ্ধৰ সময়ত বায়ু সেনাৰ ফ্লাইট লেফটেনেন্ট হৈ যুঁজ দি আছিল। যুদ্ধৰ শেষৰ সময়ত ফ্লাইট লেফটেনেন্ট নন্দা কেৰিয়াপ্পাই পাকিস্তানৰ কেতবোৰ স্থান যুঁজাৰু বিমানৰে যুদ্ধ কৰি শত্ৰুৰ ঠিকনা বিধ্বস্ত কৰি উভতি অহাৰ সময়ত পাকিস্তানৰ হাতত বন্দী হৈ পৰে। পাকিস্তানৰ ৰাষ্ট্ৰপতি আয়ুব খানে জেনেৰেল কেৰিয়াপ্পাৰ অধীনত কাম কৰিছিল। তেওঁ কেৰিয়াপ্পাক এইবুলি আহ্বান জনাইছিল যে তেওঁ যদিহে বিচাৰে তেন্তে পুত্ৰক মুকলি কৰি নিব পাৰে। তেতিয়া কেৰিয়াপ্পাই কৈছিল, “নন্দু মোৰ নহয়, দেশৰ সন্তান। তেওঁৰ সৈতে সেই একেই ব্যৱহাৰ কৰা যি অন্য যুদ্ধবন্দীৰ ক্ষেত্ৰত কৰা হৈছে।”

**পাকিস্তানী সৈন্যই সন্মানত অস্ত্ৰ তললৈ কৰিছিল**

ভাৰত পাকিস্তানৰ যুদ্ধৰ অন্তত তেওঁ ভাৰতীয় সেনাৰ মনোবল বৃদ্ধিৰ বাবে সীমান্তত উপস্থিত হৈছিল। তেনেকৈ তেওঁ আন্তঃৰাষ্ট্ৰীয় সীমা অতিক্ৰম কৰি ন মেনছ লেণ্ডত প্ৰৱেশ কৰিছিল। পাকিস্তানৰ ফালৰ পৰা সেনা বিষয়াই তেওঁক ঠাইতে ৰখিবলৈ সকিয়াই দিছিল। তেনেতে কোনোবাই জেনেৰেল কেৰিয়াপ্পাৰ নামটো চিঞৰি কয়, এই কথা শুনি পাকিস্তানৰ পক্ষই সন্মানত তেওঁলোকৰ অস্ত্ৰ তললৈ কৰিছিল।

জেনেৰেল কেৰিয়াপ্পা ১৯৫৩ চনত সেনাৰ পৰা অৱসৰ লৈছিল কিন্তু তেওঁ সক্ৰিয় আছিল আৰু দেশৰ সেৱাত ব্ৰতী থকাৰ লগতে ১৯৫৬চনলৈ অষ্ট্ৰেলিয়া আৰু নিউজীলেণ্ডৰ উচ্চায়ুক্ত হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ●



**PMO India** @PMOIndia

युवा नए भारत का कर्णधार भी है, विस्तार भी है।

युवा नए भारत का नियंता भी है, नेतृत्वकर्ता भी है।

हमारे आज के युवाओं के पास प्राचीनता की विरासत भी है, आधुनिकता का बोध भी है।

और इसलिए, जिधर युवा चलेगा उधर भारत चलेगा।

और जिधर भारत चलेगा उधर ही अब दुनिया चलने वाली है: PM



**Rajnath Singh** @rajnathsingh · 5d ···

The infra projects inaugurated today will bolster security, ensure socio-economic development of far-flung areas & contribute in developing a New India.

The BRO is now ready to set up 'BRO Cafes' at 75 places in border areas, as part of #AzadiKaAmritMahotsav celebrations.



**Amit Shah** @AmitShah ·

एक किसान हितैषी सरकार कैसी होती है ये देश ने पिछले 7 साल से किसानों को आत्मनिर्भर बनाने हेतु निरंतर अहर्निश प्रयास कर रही मोदी सरकार के रूप में देखा है।

#PMKisan योजना ने खेती के सबसे महत्वपूर्ण समय पर किसानों को आर्थिक संबल देकर उन्हें कर्जमुक्त रखने का बहुत बड़ा काम किया है।



**Nitin Gadkari** @nitin_gadkari

उत्तर प्रदेश राज्य में कानपुर-लखनऊ एक्सप्रेस-वे (NE-6) के लखनऊ रिंग रोड पर शहीद पथ के निकट से NH-27 (स्पर सहित) खंड के 6 लेन के निर्माण को ₹1935.64 करोड़ बजट परिव्यय के साथ स्वीकृत किया गया है।
#PragatiKaHighway #GatiShakti
@myogiadityanath @rajnathsingh
@kpmaurya1 @BJP4UP



**Dharmendra Pradhan** @dp...

#NEP2020 के अंतर्गत खेलों को अन्य विषयों के समांतर ही महत्व दिया गया है।

उत्तर प्रदेश में तेजी से बढ़ते विश्वविद्यालयों का जाल, प्रदेश के युवाओं को बेहतर सुविधा, प्रशिक्षण व मार्गदर्शन देंगे और उन्हें #AatmanirbharBharat निर्माण का अहम स्तम्भ बनाएंगे।
#खेलेगा_यूपी_बढ़ेगा_यूपी



**G Kishan Reddy** @kishanre... · 3d ···

Providing enhanced connectivity & giving impetus to religious tourism @RailMinIndia is fast-tracking the Char Dham Railway project between Rishikesh-Karnaprayag.

It is the longest bridge (489mts) of the project and shall connect Srinagar town to proposed Railway station.

{ MANN KI BAAT }

# Awareness key in fight against Omicron: PM

**HT Correspondent**
letters@hindustantimes.com



PM Narendra Modi

**NEW DELHI:** Awareness and discipline have to be the strength of Indians in the fight against the Omicron variant of coronavirus, Prime Minister Narendra Modi said in his monthly radio broadcast to the nation.

Although scientists are constantly studying the new variant and the government is working on their suggestions, it is the effort of citizens that is crucial to defeat the pandemic, Modi said in this year's last Mann Ki Baat episode on Sunday.

"We have to remember that a new variant of Corona has already knocked on our doors," he said. "In such a situation, self-awareness and self-discipline are our strength in the fight against this variant of Corona. Only our collective strength will defeat corona, and it is with this very sense of responsibility we have to enter into 2022."

India will start vaccinating children aged 15 and above from 3 January, and there will an additional jab for fully inoculated health and frontline workers, and senior citizens from 10 January, the PM had announced on a TV address on Saturday.

The government's efforts to inoculate the country's population is praiseworthy, he said. "Crossing the 140 million vaccine dose mark is an achievement of every Indian," Modi said in the 84th edition of the radio programme. "This shows that every Indian has trust in the system and trust in science and in scientists. It is also a testament to the willpower of the people who are fulfilling their responsibilities towards society."

The Prime Minister also spoke about the tragic helicopter crash in which chief of defence staff General Bipin Rawat, his wife and 12 defence personnel lost their lives. He paid tribute to Shaurya Chakra awardee Group Captain Varun Singh, the lone survivor who succumbed to his injuries a week after the crash, for his humility and effort to inspire students.

Referring to Singh's letter to his school principal after receiving the military decoration for valour, Modi said, "After reading this letter, the first thought that came to my mind was that even after reaching the pinnacle of success, he did not forget to nurture his roots. When he had time to celebrate, he showed concern for the generations to come...he did not boast of his valour, instead he referred to his failures, but talked about how he converted his shortcomings into his strength."

PM said, "I would like to say he (Varun Singh) has inspired the whole country. Even though his letter talks only to the students, he has given a message to our entire society."

In the letter, which went viral on social media after Singh's death, he wrote that "it is okay to be mediocre" and performance in school was by no means the measure of things to come in life.

Modi noted that the Swachh Bharat campaign for cleaniness and hygiene was a common theme in all the suggestions and messages he received from people for the new year. He spoke about the individual initiatives of people to contribute to the Swachh Bharat initiative.

PM-KISAN SCHEME

# On New Year's Day, ₹20,000 crore will be credited to 10 crore farmers

## Over 350 FPOs will get ₹14 cr as part of government equity

**PRABHUDATTA MISHRA**
New Delhi, December 29



Prime Minister Narendra Modi

> **Over ₹1.61-lakh crore has been disbursed to farmers under the PM-Kisan scheme since it was launched in February 2019**

The government is scheduled to transfer over ₹20,000 crore to bank accounts of more than 10 crore farmers under the flagship Pradhan Mantri Kisan Samman Nidhi (PM-Kisan) scheme on January 1. Besides about ₹14 crore will be given to over 350 farmer producers organisations (FPOs) as part of government equity.

"Prime Minister Narendra Modi will transfer the benefits at a virtual event as a new year gift to farmers, sources said. Agriculture minister Narendra Singh Tomar has already informed farmers through SMS about the event when this transfer to bank accounts will take place," the government said in a statement.

The Centre has so far released over ₹1.61-lakh crore to farmers under the PM-Kisan scheme since it was launched in February 2019. An estimated 14 crore farmers are entitled to receive ₹6,000 each, every year in three equal installments under the scheme.

**Land records**

On August 9 about ₹19,500 crore was transferred to over 9.75 crore beneficiaries for the August-November cycle. While the estimate of farmers' number was based on the agri census of 2015-16, the Centre is working on a project to identify the exact number by linking the digitised land records with PM-Kisan data. While 12.6 crore farmers' data have been received under PM-Kisan, over 1 crore are pending correction/validation, sources said. The government has allocated ₹65,000 crore to the PM-Kisan scheme for FY22 and farmers have received ₹44,212 crore, so far in the current fiscal.

The Centre in February 2020 had announced the ₹6,865-crore FPO scheme to be spent for setting up of 10,000 new FPOs and ensuring their growth by FY28. Budget allocation for FY22 has been raised 40 per cent to ₹700 crore. New FPOs are entitled to receive direct financial assistance up to ₹18 lakh each over three years under the scheme.

# Govt working to grant equal rights to daughters: PM

**SUKHBIR SIWACH**
MANDI, DECEMBER 27



**Prime Minister Narendra Modi in Mandi, Himachal Pradesh, on Monday.** *Express*

BATTING FOR raising the minimum age of marriage for women to 21 years, Prime Minister Narendra Modi Monday said that it will give them sufficient time to complete their studies and plan a career.

"We have decided that the age of marriage of daughters should also be the same as the age at which sons are allowed to marry. The marriage age being raised to 21 years for daughters will give them full time to study and they will also be able to make their career," said Modi.

Addressing a public meeting at Himachal Pradesh's Mandi town, the Prime Minister said the government was working on granting rights to daughters that are equal to those for sons. "*Beta-beti ek saman* (sons and daughters are equal)," said Modi.

The Prohibition of Child Marriage (Amendment) Bill 2021, which was introduced by the government in the Lok Sabha and seeks to raise the legal age of marriage for women from 18 to 21 years, has been sent to a Parliamentary Standing Committee for scrutiny following objections of the Opposition.

During his visit, Modi laid the foundation of the Shri Renukaji Dam. The project, worth Rs 6,700 crore, on the Giri river in Sirmaur district, will generate 200 million units of energy in a surface power house with 40 MW installed capacity. The live storage of the dam will be 498 million (49.8 crore) cubic metres, which will fulfil about 40 per cent of the drinking water requirement of Delhi. "A large are will benefit from the project. A large portion of the income generated from this project will be spent on development here," the Prime Minister said.

In an indirect reference to his political opponents, Modi blamed them for a three-decade long delay in the Renukaji Dam project, which has now taken shape following cooperation by six states - Himachal Pradesh, Uttar Pradesh, Haryana, Rajasthan, Uttarakhand and Delhi. The Centre claims it brought together these states to make the project possible.

# 15+ can register for vaccines from Jan, set to get Covaxin

Elderly with specified co-morbidities, and health and frontline workers can apply for the jabs from Jan 10

**Rhythma Kaul**




**NEW DELHI:** Children above 15 years of age, who become eligible for Covid-19 vaccination on January 3, can sign up from January 1 and will be given the Covaxin jab, the government said on Monday, since it is the only vaccine available in India that is approved by the World Health Organization for the 15-18 age group.

For senior citizens with specified co-morbidities, and health and front line workers, who become eligible for a third precautionary dose from January 10, there will have to be an interval of at least nine months, or 39 weeks, from the date of the second dose, the health ministry said in its operational guidelines.

The latest guidelines were issued after Prime Minister Narendra Modi expanded India's vaccination programme in a televised announcement on December 25.

# Govt directs ICAR to include natural farming in UG/PG courses; KVKs to set up demo plots

43.38 lakh farmers have adopted natural farming in 38.09 lakh ha

**PRABHUDATTA MISHRA**



# PM launches ₹17.5K-cr projects in U'khand

Prime Minister Narendra Modi on Thursday accused successive Congress governments at the Centre and in Uttarakhand of dragging their feet for decades over development projects, forcing people to migrate from their villages in the state.

Addressing a rally in Haldwani, Modi accused the previous Uttarakhand governments of "looting" the state and doing nothing for its development.

He said this inaugurating and laying foundation stones of projects worth over ₹17,500 crore, including the ₹5,747 crore Lakhwar hydropower project.

Modi said the Lakhwar project was thought of in 1974 and took nearly 46 years to see the light of day. "Generations of people in Uttarakhand villages were forced to leave their homes in the absence of roads and other facilities and migrate somewhere else," he said.

Modi also announced that he is bringing infrastructure projects worth ₹2,000 crore to Haldwani as a New Year gift.

He accused the previous regime in Uttarakhand of being interested only in "looting" the state and said it did nothing for its development. PTI



**Crowds at the PM's programme to inaugurate projects in Haldwani on Thursday** PHOTO: PTI

RNI No. :
DELASS/2020/78827
January: 16-31, 2022

NEW INDIA
SAMACHAR
FORTNIGHTLY

RNI Registered No DELASS/2020/78827, Delhi Postal License No DL(S)-1/3547/2020-22, WPP NO U (S)-95/2020-22, posting at BPC, Meghdoot Bhawan, New Delhi - 110 001 on 13-17 advance Fortnightly (Publishing Date January 6, 2022, Pages - 52)




## শ্বহীদ দিৱস
## ৩০ জানুৱাৰী, ১৯৪৮

# অহিংসাৰ পূজাৰী
# ৰাষ্ট্ৰপিতা মহাত্মা গান্ধীৰ
# পূণ্য তিথিত অশেষ শ্ৰদ্ধাঞ্জলি

“মহাত্মা গান্ধীয়ে এনেকুৱা এখন সমাজৰ পোষকতা কৰিছিল যিখন সমাজ চৰকাৰৰ ওপৰত নিৰ্ভৰশীল নহয়। মহাত্মা গান্ধীয়ে পৰিৱৰ্তন আনিছিল, সেয়া সঁচা কথা কিন্তু লগতে এই কথাটোও উল্লেখ কৰাৰ প্ৰয়োজন আছে যে তেওঁ ৰাইজৰ অন্তঃনিহীত শক্তিকো জাগ্ৰত কৰি নিজৰ মাজত পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছিল। যদিহে দেশৰ স্বাধীনতা আন্দোলনৰ দায়িত্ব তেওঁ ওপৰত নাথাকিলেহেঁতেন তেন্তে তেওঁ স্বৰাজ আৰু স্বাৱলম্বিতাৰ মূল তত্বৰ ওপৰত অধিক আগবাঢ়িলেহেঁতেন। গান্ধীজীৰ এই দৃষ্টিকোণে আজি দেশক বিভিন্ন প্ৰত্যাহ্বান প্ৰতিহিত কৰাৰ সময়ত সহায়কৰ ভূমিকা পালন কৰিছে। বিগত বৰ্ষবোৰত আমি স্বচ্ছ ভাৰত অভিযান, ডিজিটেল ইণ্ডিয়া আদি অভিযানত জনঅংশীদাৰিত্ব আহ্বান জনোৱাৰ পাছত এতিয়া জনতাই সেয়া নিজেই আগবঢ়াই নিছে।”

**নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী**

Assamese

Editor
Jaideep Bhatnagar, Principal Director General, Press Information Bureau, New Delhi

Published & Printed by: Satyendra Prakash, Principal Director General, BOC on behalf of Bureau of Outreach and Communication

Published from Room No–278, Bureau of Outreach and Communication, 2nd Floor, Soochna Bhawan, New Delhi -110003

Printed at Aravali Printers & Publishers Pvt. Ltd., Okhla Industrial Area Phase-II, New Delhi-110020